**Proceedings of the Seventh Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republic Constitution of India**

———

The Assembly met in the Assembly Chamber, Shillong, at 10 a.m. on Monday, the 4th August, 1969.

PRESENT

Shri Mohi Kanta Das, M.A., B.L., Speaker, in the Chair, 10 (ten) Ministers, 6 (six) Ministers of State, 3 (three) Deputy Ministers and Seventy-eight Members.

# QUESTIONS AND ANSWERS

## STARRED QUESTIONS

(To which oral answers were given)

*Re:* **Encroachment on Nambor Reserve**

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৩১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত নামবৰ বিজাৰ্ভৰ টেঙানী খণ্ডত কিমান ঘৰ লোকে আৰু ক'ৰ ক'ৰ পৰা অহা লোকে বেদখল কৰিছে ?

(খ) এই বেদখলকাৰীসকল কোন শ্ৰেণীভুক্ত লোক ?

(গ) বেদখলকাৰী লোকসকলৰ কিমান ঘৰক উচ্ছেদ কৰা হৈছে ?

(ঘ) এনেদৰে উচ্ছেদ কৰা লোকসকলৰ একেটা পৰিয়ালকে কেইবাৰকৈ অন্ততঃ উচ্ছেদ কৰা হৈছে ?

(ঙ) টেঙানী অঞ্চলত উচ্ছেদ কৰা লোকসকলৰ এই বছৰত কিমান ঘৰ লোকৰ ঘৰত জুই দিয়া হ'ল ?

(চ) জুই দি উচ্ছেদ কৰা এই লোকসকল কোন কোন আৰু ক'ৰ ক'ৰ পৰা অহা লোক জনাবনে ?

(ছ) টেঙানী উচ্ছেদ-কাৰ্য্যত চৰকাৰী খৰচ কিমান কৰা হৈছে ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে উত্তৰ দিছে :

৩১। (ক)—প্ৰায় ১৫৫ টা পৰিয়াল। সিহঁত গোলাঘাট মহকুমাৰ বিভিন্ন ঠাইৰ পৰা আহিছে, যেনে :—

সৰু পথাৰ হাওঁটলী, ভাওৰালী, কাছ পথাৰ, নাওঁজল, ৰতনপুৰ আৰু বৰুৱা বামুন গাওঁ।

(খ)—তেওঁলোক বেচি ভাগেই চাহবাগিচাৰ মজদুৰ।

(গ)—১৩৭ টা পৰিয়াল।

(ঘ)—দুবাৰকৈ বেছি।

(ঙ), (চ)—কোনো অনুপ্ৰবেশকাৰীৰ ঘৰত জুই দিয়া হোৱা নাই। যোৱা ২৬।৪। ৬৯ তাৰিখে এজনী অনুপ্ৰবেশকাৰী শ্ৰীমতি যুগমাই শইকীয়া, শ্ৰীগঙ্গা শইকীয়াৰ ঘৈণী-য়েক, নিজে ঘৰত জুই দি ৰিৰ্জাভৰ পৰা গুছি যায়।

(ছ)—ইং ১৯৬৭ ৰ পৰা এতিয়ালৈকে ৫,৫০৭·৭৯ পইচা খৰচ কৰা হৈছে।

**Shri Soneswar Bora:** সৰ্ব্বমুঠ কিমান ঘৰ মানুহে বেদখল কৰিছিল ?

**Shri Mahendra Mohan Choudhury:** বেদখলকাৰীৰ পৰিয়ালৰ সংখ্যা ১৫৫ টা আৰু ইতিমধ্যে বেদখল উচেছদ কৰা পৰিয়ালৰ সংখ্যা ১৩৭টা।

**Shri Soneswar Bora:** উচেছদ কৰা লোক সকলে পুণৰ ঘূৰি গৈ বেদখল কৰিছে নে কি ?

**Shri Mahendra Mohan Choudhury:** বৰ্ত্তমান তেওঁলোকে বে-দখল এৰি দিছে।

**Shri Soneswar Bora:** মন্ত্ৰী মহোদয়ে ঘৰত জুই দি উচেছদ কৰা নাই বুলি কৈছে। কিন্তু মন্ত্ৰী মহোদয়ে খবৰ কৰিবনে যে যোৱা মাৰ্চ্চ মাহৰ ভিতৰত ১৮ ঘৰ মানুহক জুই দি খেদাই দিয়া হৈছে ?

**Shri Mahendra Mohan Choudhury:** খবৰ কৰিয়ে উত্তৰটো দিয়া হৈছে যে কোনো অনুপ্ৰবেশকাৰীৰ ঘৰত জুই দি উচেছদ কৰা হোৱা নাই মাত্ৰ যুগমাই শইকীয়া নামৰ এগৰাকী বেদখলকাৰীয়ে তেওঁ নিজৰ ঘৰত জুই দি ৰিজাৰ্ভৰ পৰা গুচি যায়।

**Shri Giasuddin Ahmed:** এই তিৰোতা গৰাকী নিজৰ ঘৰত জুই দি ৰিজাৰ্ভৰ পৰা গুচি যোৱা বুলি মন্ত্ৰী মহোদয়ে কেনেকৈ জানিলে আৰু এই তিৰোতা গৰাকীৰ ওপৰত কিবা মকৰ্দ্দমা ৰজু কৰা হৈছে নে কি ?

**Shri Mahendra Mohan Choudhury:** এইবিলাক Department ৰ পৰা পোৱা খবৰ। কোনো মানুহকে ঘৰত জুই দি খেদি দিয়া হোৱা নাই।

**Shri Giasuddin Ahmed:** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে কোনে লোকে আনৰ বা নিজৰ ঘৰত জুই লগোৱাটো অপৰাধ আৰু এনেস্থলত এই তিৰোত-গৰাকীৰ ওপৰত কিবা Criminal Case ৰজু কৰা হৈছে নে কি ?

**Shri Mahendra Mohan Choudhury:** নাই।

**Shri Dulal Chandra Barua**ৰ অধ্যক্ষ মহোদয়, কোনো সুস্থ মানুহে নিজ ঘৰত নিজে জুই দিব নোৱাৰে। তেনেস্থলত এই মানুহ গৰাকীয়ে কি কাৰণে জুই দিব লগা হ'ল এই কথাটো চৰকাৰে ভাবিছিলে নে ?

**Shri Mahendra Mohan Choudhury:** আগতে হয়তো দুবাৰ উচেছদ হোৱা এই মানুহ গৰাকীয়ে নিজৰ ঘৰ নিজে জুই দি দখল এৰি দিলে।

**Shri Dulal Chandra Barua:** তাৰ মানে এইটো আমি ধৰি লম নে কি যে ফৰেষ্ট বিভাগৰ জোৰ-জুলুমৰ কাৰণে মানুহ গৰাকীয়ে এনে কৰিবলৈ বাধ্য হ'ল ?

**Shri Mahendra Mohan Choudhury:** নহয়। আইনমতেই অনু-প্ৰবেশকাৰীক উচেছদ কৰা হৈছে।

**Shri Dulal Chandra Barua** অধ্যক্ষ মহোদয়, এই উচেছদ কৰা মানুহঃ বিলাক প্ৰকৃততে মাটিহীন হয়নে নহয় এই কথা চৰকাৰে পৰীক্ষা কৰিছিলনে ? যদি মাটিহীন তেনেহলে এই মানুহবিলাকক বসবাস কৰিবলৈ মাটি দিয়াৰ বিকল্প ব্যৱস্থা কৰিলিছ নে ?

**Shri Mahendra Mohan Choudhury:** বেদখলকাৰী সকলক উচেছদ কৰা সময়ত তেওঁলোকৰ মাটি আছেনে নাই সেই কথা চৰকাৰে বিবেচনা কৰি চোৱা নাই । কাৰণ আমাৰ চৰকাৰৰ নীতি হৈছে ফৰেষ্ট ৰিজাৰ্ভ বেদখলকাৰীৰ পৰা ৰক্ষা কৰিব লাগে ।

**Shri Giasuddin Ahmed:** অধ্যক্ষ মহোদয়, যিহেতু তিৰোতা গৰাকীৰ ওপৰত কোনো Criminal Case ৰজু হোৱা নাই তেনেহলে এই কথা প্ৰমাণ হয় যে তেওঁ নিজৰ ঘৰত নিজে জুই দিয়া কথাটো সম্পূৰ্ণ মিছা আৰু আমি বিশ্বাস কৰিম যে কৰ্তৃপক্ষৰ পৰাহে ঘৰত জুই দিয়া হৈছে ।

**Shri Mahendra Mohan Choudhury:** এইটো Hypothetical question.

**Shri Dulal Chandra Barua:** মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই বিশেষকৈ এই কথাটো জানিব বিচাৰিছো যে নীতিগত ভাৱে যিসকল মাটিহীন বেদখলকাৰী তেওঁলোকক উচেছদ কৰিলে তেনে মানুহক আন ঠাইত বস-বাস কৰিবলৈ মাটি পট্টন দিয়াৰ ব্যৱস্থা আছে। এতিয়া এই সংক্ৰান্তত যিসকল বেদখলকাৰী তেওঁলোকক মাটি দিয়াৰ কথা বিবেচনা নকৰো বুলি কৈছে । এনেস্থলত আমি কোনটো নীতি সত্য বুলি ধৰি লম ?

**Shri Mahendra Mohan Choudhury:** পুৰণি বেদখলকাৰী সকলক উচেছদ কৰাৰ সময়ত অন্য ঠাইত মাটি দিয়াৰ কথা বিবেচনা কৰা হয় কিন্তু নতুন বেদখলকাৰীৰ ক্ষেত্ৰত সেই কথা বিবেচনা কৰা নহয়।

*Re*: **Holidays during Bihu Festivals**

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে:

*৩২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অসমৰ বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু, এই বিহু তিনিটা অসমৰ জাতীয় জীৱনৰ কৃষ্টি-সংস্কৃতিৰ একমাত্ৰ সম্বল আৰু উৎসৱ আৰু এই বিহু কেইটাৰ কোনটো বিহুত চৰকাৰী বন্ধ কেইদিনকৈ চৰকাৰে দি আহিছে ?

(খ) অসমীয়া জাতীয় জীৱনৰ একমাত্ৰ সম্বল এই বিহু কেইটাত এতিয়াতকৈ চৰকাৰী বন্ধ বঢ়াই দিয়াৰ কথা চৰকাৰে বিবেচনা কৰি অসমীয়া জাতীয় জীৱনৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি সন্মান আগবঢ়াই জাতীয়তাবোধ আৰু দেশাত্মবোধ জগাই তুলিব নে ?

মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই উত্তৰ দিছে:

৩২। (ক)—বহাগ বিহু ২ দিন, মাঘ বিহু ২ দিন, কাতি বিহুৰ কাৰণে কোনো বন্ধ দিয়া হোৱা নাই ।

(খ)—ওপৰত উল্লেখ কৰা মতে বহাগ আৰু মাঘ বিহু দুয়োটিকেই চৰকাৰে জাতীয়, উৎসৱৰ মৰ্য্যাদা দি দুদিনকৈ বন্ধ দি আহিছে । কাতি বিহুক সেই মৰ্য্যাদা দিয়া হোৱা নাই আৰু সেই কাৰণেই এই বিহু উপলক্ষে কোনো চৰকাৰী বন্ধ ঘোষণা কৰা হোৱা নাই ।

চৰকাৰে বৰ্ত্তমান উল্লিখিত বন্ধ বঢ়াই দিয়াৰ কথা ভৱা নাই, কিয়নো বাৰ্ষিক বন্ধৰ লিষ্ট যুগুত কৰোতে চৰকাৰে অন্যান্য উৎসৱৰ কথাও বিবেচনা কৰিব লাগে ।

**Shri Soneswar Bora:** কাতি বিহু অসমৰ ৰাইজৰ জাতীয় উৎসৱ । গতিকে কাতি বিহুত বন্ধ দিয়াৰ ব্যৱস্থা কৰিব নে ?

**Shri Bimala Prasad Chaliha:** চৰকাৰে বৰ্ত্তমান এই বিষয়ে চিন্তা কৰা নাই।

**Shri Dulal Chandra Barua:** অধ্যক্ষ মহোদয়, বিহু আমাৰ জাতীয় উৎসৱ । বহাগ বিহু, মাঘ বিহু আদিত দূৰৰ পৰা বা বিদেশৰ পৰা মানুহ ঘৰলৈ আহে । গতিকে এই পৰ্ব্বলৈ চাই বিশেষকৈ জাতীয় উৎসৱলৈ চাই অনুগ্ৰহ কৰি চৰকাৰে ২।৩ দিন বন্ধ বঢ়াই দিয়াৰ কথা চিন্তা কৰিছে নে ? আন-ফালৰ পৰা কমাই হলেও ?

**Shri Bimala Prasad Chaliha:** অন্য ফালৰ পৰা কমাই এই উৎসৱত বন্ধ বঢ়াই দিয়াৰ কথাটো সম্ভৱপৰ হোৱা নাই ।

**Shri Kamini Mohan Sarma:** এই কথাটো চৰকাৰে বিবেচনা কৰিব লাগে । কাতি বিহু আমাৰ খেতিয়কৰ মূল উৎসৱ ! এই বিহুক কাঙালী বিহু বুলি কোৱা হয় কাৰণ এই সময়ত মানুহৰ ভঁৰালত ধান আদি বেছি নাথাকে । বিহু আমাৰ মাত্র তিনিটা । গতিকে কাতি বিহুও আমাৰ জাতীয় উৎসৱ আৰু ইয়াৰ মৰ্য্যাদা ৰক্ষা কৰি বন্ধ দিয়াৰ ব্যৱস্থা কৰিব নে ?

**Shri Bimala Prasad Chalha:** দিব পৰা হোৱা নাই ।

**Shri Dulal Chandra Barua:** অধ্যক্ষ মহোদয়, বিহু আমাৰ তিনিটা । কঙালী, ভোগালী, ৰঙালী এই তিনিটা আমাৰ জাতীয় উৎসৱ । ৰঙালী বিহু আৰু ভোগালী বিহুৰ কাৰণে বন্ধৰ তালিকা লোৱা হৈছে । গতিকে বিহুৰ এই মৰ্য্যাদা ৰক্ষা কৰি কাতি বিহুটো অন্ততঃ এটা দিন বন্ধ দিয়াৰ ব্যৱস্থা কৰিব নে ?

**Shri Bimala Prasad Chaliha:** অধ্যক্ষ মহোদয়, সেইটো এতিয়ালৈকে কৰা হোৱা নাই । মাননীয় সদস্যসকলৰ কথা মনত ৰখা হব ।

*Re*: **Industrial Estate in Assam**

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৩৩ । মাননীয় উদ্যোগমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অসমত কোনো কোনো ঠাইত উদ্যোগ পাম ( Industrial Estate) প্ৰতিষ্ঠা কৰিছে নেকি ?

(খ) যদি কৰিছে, এতিয়ালৈকে কেইখন হৈছে ?

(গ) এই উদ্যোগ পামবিলাকত কি শিল্প সৃষ্টি কৰিছে ?

উদ্যোগমন্ত্ৰী শ্ৰীবিশ্বদেব শৰ্ম্মাই উত্তৰ দিছে :

৩৩ । (ক)--তলত দিয়া ঠাই কেইখনত ঔদ্যোগিক পাম স্থাপন কৰা হৈছে :--

(১) গুৱাহাটী ।
(২) ঢেকিয়াজুলি ।
(৩) নলবাৰী ।
(৪) তিনচুকীয়া ।
(৫) শিৱসাগৰ ।
(৬) যোৰহাট ।
(৭) নগাওঁ ।
(৮) বদৰপুৰ ।

(খ)--ওপৰৰ ৮ খন ঔদ্যোগিক পামৰ ভিতৰত ৫ খন সম্পূৰ্ণ হৈছে । যোৰহাট আৰু নগাৱঁৰ ঔদ্যোগিক পাম দুখন নিৰ্ম্মাণাধীন হৈ আছে আৰু শিৱসাগৰৰ ঔদ্যোগিক পামৰ বাবে এই বছৰ বণ্টন দিয়াৰ সম্ভাবনা আছে ।

(গ)--চি, আই, ফাউণ্ড্ৰী উদ্যোগ, লো-তীখা, সংবিৰচন, বস্ত্ৰ, এলুমিনিয়াম উদ্যোগ, কেনভাচ শিল্প, ষ্টৰেজ বেটাৰী, পলিথিন আৰু ৰবাৰ প্লাষ্টিক দ্ৰব্য, বেৰৰ সা-সঁজুলি, নন্‌ফেৰাচ কাষ্টিং এণ্ড ফাউণ্ড্ৰী, মেকানাইজড্ কাৰ্পেণ্ট্ৰি, কাৰ্বন দ্ৰব্য, সূতাত ৰং দিয়া, ৰাসায়নিক উদ্যোগ, আয়ুৰ্বেদিক দ্ৰব্য, ৰয়াৰ নেইলচ, বল্টু আৰু নাট, টায়াৰ ৰিট্ৰেডিং, চামৰা শোধন কৰা আৰু চামৰাৰ বস্তু, কৃষিৰ সা-সঁজুলি, টিন কন্‌টেইনাৰচ্, বেকাৰী, বাল্‌টি তৈয়াৰ, হাতে বোৱা তাঁতৰ কাপোৰ আদি ।

**Shri Bhadreswar Gogoi:** অধ্যক্ষ মহোদয়, এই সম্পূৰ্ণ হোৱা উদ্যোগ পাম বিলাকত চৰকাৰে কিমান টকা খৰচ কৰিছে

**Shri Biswadev Sarma,** টকাৰ হিচাব মোৰ হাতত নাই ।

**Jonab Rahimuddin Ahmed:** নগাওঁ জিলাত Survey কৰি কি উদ্যোগ পাম কৰা হৈছে সেইটো এতিয়া কি পৰ্য্যায়ত আছে, জানিব বিচাৰিছো ?

**Shri Biswadev Sarma:** নগাওঁৰ উদ্যোগ পামৰ উপদেষ্টা সমিতিৰ সভাৰ নিৰ্দ্দেশক্ৰমে কেইজনমান ডেকাক সুবিধা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

**Shri Bishwanath Upadhyaya:** বদৰপুৰ উদ্যোগ পামৰ কাৰণে উপদেষ্টা বৰ্ড আছে নে ? যদি আছে কোন কোন সদস্য ?

**Shri Biswadev Sarma:** উপদেষ্টা বৰ্ড আছে কিন্তু বেলেগ প্ৰশ্ন কৰিলে-হে ইয়াৰ উত্তৰ দিব পাৰিম।

**Shri Sadhan Ranjan Sarkar:** নগাওঁ উপদেষ্টা কমিটিৰ সদস্য কোন কোন আৰু তেওঁলোকৰ function কি ?

**Shri Biswadev Sarma:** নাম মোৰ মনত নাই। বেলেগে প্ৰশ্ন দিলেহে কব পাৰিম।

**Shri Giasuddin Ahmed:** অধ্যক্ষ মহোদয়, দেখা গৈছে গোৱালপাৰা জিলাত এটাও Industrial estate হোৱা নাই, কিয় হোৱা নাই আৰু হব নেকি ? যদি হয়, কেতিয়া আৰু কোন কোন ঠাইত হব ?

**Shri Biswadev Sarma:** এতিয়া Industrial area হে develop কৰা হৈছে, গোৱালপাৰাত এতিয়া মাটি সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে।

**Moulana Abdul Jalil Chowdhury:** বদৰপুৰত Industrial estate আছেনে Power-loom estate আছে ?

**Shri Biswadev Sarma:** Power-loom estate বুলি কোনো শব্দই নাই, এইটো Industrial estate.

**Shri Sadhan Ranjan Sarkar:** নগাওঁ Industrial estate ত এতিয়ালৈ কিমান টকা খৰচ হ'ল ?

**Shri Biswadev Sarma:** বেলেগ প্ৰশ্ন কৰিলেই ভাল হয়।

**Shri Dulal Chandra Barua:** ৮ খন উদ্যোগ পামৰ ভিতৰত ৫ খন ভাল Result পোৱা বুলি কৈছে। কোন কোন কেইখন নাম জানিব পাৰোনে ?

**Shri Biswadev Sarma:** গুৱাহাটী, ঢেকিয়াজুলি, তিনচুকীয়া, শিৱসাগৰ, বদৰপুৰ।

**Shri Dulal Chandra Barua:** এই ৫ খন পামৰ কেনেকুৱা ভাল Result হৈছে জানিব পাৰোনে ?

**Shri Biswadev Sarma:** উদ্যোগ পামৰ আটাইবিলাক চালি ব্যৱহাৰ হোৱা নাই কিছুমান এতিয়াও খালি হৈ আছে। কিন্তু এতিয়া দেখা গৈছে সেই চালিবিলাক বিচাৰি যথেষ্ট মানুহ আগবাঢ়ি আহিছে।

**Shrimati Lily Sengupta:** তিনচুকীয়া উদ্যোগ পামৰ উপদেষ্টা বৰ্ডে যি re-commend কৰে সেই বিলাক কি ধৰণে কাৰ্য্যকৰী কৰিবলৈ লৈছে সেইটো জানিব পাৰোনে ?

**Shri Biswadev Sarma:** তিনচুকীয়া ঔদ্যোগিক পামত ৪২খন চালি সজোৱা হৈছে আৰু ২৬টা দলক তাত চালি দিয়া হৈছে। ৪খন চালি অধিকাৰ কৰা মাত্ৰ ৪টা শাখাই উৎপাদন আৰম্ভ কৰিছে। বাকী বন্টন পাওঁতা সকলে কোনো কাম কৰা নাই আৰু চালি কেইখন এনেয়ে পৰি আছে। ১৪-৫-১৯৬৯ তাৰিখে অনুষ্ঠিত উপদেষ্টা মণ্ডলীয়ে বন্টন পাওঁতাসকলক ৩০ দিনৰ জাননী দি আগতে দিয়া চালিৰ বন্টন নাকচ কৰিবলৈ পৰামৰ্শ দিলে আৰু সেই অনুযায়ী ব্যৱস্থা লোৱা হৈছে। উপদেষ্টা মণ্ডলীৰ অহা সভাত এই বিষয়টো পুণৰ আলোচনা কৰা হব আৰু এই এনেয়ে থকা চালি কেইখন আন উপযুক্ত লোকক পুনৰায় বন্টন কৰা হব।

**Shri Kabir Chandra Roy Pradhani:** অধ্যক্ষ মহোদয়, বন্ধুবৰ শ্ৰীগিয়াচুদ্দিন আহমদৰ যিটো প্ৰশ্ন—ইমান দিন গোৱালপাৰাত কিয় উদ্যোগ পাম হোৱা নাই ; সেইটোৰ উত্তৰ নেপালো। আমি

মন্ত্ৰীৰ পৰা ভাল ভাল কথা শুনো যে গোৱালপাৰা জিলা বৰ পিচপৰা কিন্তু কেতিয়া এই জিলাখন আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰিব জানিব পাৰোনে ?

**Shri Biswadev Sarma:** উদ্যোগ স্থাপন কৰিবলৈ আগ্ৰহশীল মানুহ নহলে কেনেকৈ কৰিব পাৰি ? এতিয়া গোৱালপাৰা জিলাৰ কেইজন মান ডেকা লৰাক প্ৰশিক্ষণৰ কাৰণে পঠোৱা হৈছে। তেওঁলোক উভতি আহিলেহে উদ্যোগ হব ।

**Shri Rothindra Nath Sen:** এটা কথা নুশুধিলে সত্যৰ অপলাপ হয় ! বদৰপুৰত জলিল চাহাবৰ Power ৰ কাৰণেই Power দিয়া হৈছে নে কি ?

**Shri Biswadev Sarma:** তাত এটা Unit আছে ।

**Shri Rotindra Nath Sen:** It appears that a few industrial estates have already been functioning in the State. May I know how many of these already established industrial estates are yielding results ?

**Shri Biswadev Sarma:** As I said, out of eight, five are yielding results.

**Moulana Abdul Jalil Chowdhury:** এই প্ৰশ্ন জিজ্ঞাসা না করলে সত্যের অপলাপ হবে। মাননীয় মন্ত্ৰী মহাশয় বলেছেন, আসামে কয়েকটি Industrial estate এ উৎপাদন হতে চলেছে। তার মধ্যে বদরপুর Industrial estate এর নাম করা হয়েছে। আমি জিজ্ঞাসা করতে চায় যে মন্ত্ৰী মহাশয় জানেন কি বদরপুর Industrial estate এ উৎপাদন ত দূরের কথা ঘাটতির পরিমাণ এই যে, আনুমানিক ১০ লক্ষ টাকার মার্কিন কাপড় তৈরি করার পর সমূহ কাপড় আগুন দিয়ে পুড়িয়ে নষ্ট করতে হয়েছিল ?

**Shri Biswadev Sarma:** মাননীয় সদস্য যে অভিযোগ করেছেন তাহা আমি সম্পূর্ণ রূপে অস্বীকার করি । কারণ বদরপুরের উদ্যোগ পামে ১০ লক্ষ টাকার কাপড় তৈরিই হয় নাই ।

### *Re*: C. I. Sheets in possession of the Government

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৩৬। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৰ্ত্তমান চৰকাৰী নিয়ন্ত্ৰিত টিনপাত কিমান আছে আৰু এই টিনপাতবোৰ অসমৰ কোন কোন ঠাইত ৰখা হৈছে ?

(খ) এই টিনপাতবোৰৰ মূল্য কিমানকৈ নিৰ্দ্ধাৰণ কৰা হৈছে ?

(গ) এই টিনপাত বিক্ৰী কৰাৰ নিয়ম কি কি ?

(ঘ) মুকলি বজাৰৰ টিন আৰু নিয়ন্ত্ৰিত টিনপাতৰ গুণাগুণ আৰু মূল্যৰ পাৰ্থক্য কি ধৰণৰ জনাবনে ?

যোগানমন্ত্ৰী শ্ৰীৰমেশ চন্দ্ৰ বৰুৱাদেৱে উত্তৰ দিছে :

৩৬। (ক)—ভাৰত চৰকাৰে ১।৫।৬৭ তাৰিখৰ পৰা টিনপাতকে ধৰি সকলো ৰকমৰ লো-তীখাৰ বস্তুৰ ওপৰৰ পৰা নিয়ন্ত্ৰণ উঠাই লৈছে। অনিয়ন্ত্ৰণৰ পিছৰ পৰা ভাৰত চৰকাৰে অসম চৰকাৰক বহু কম পৰিমাণৰ টিনপাত দি আছে। বৰ্ত্তমানে কৃষি আৰু

ৰাজ্যিক ভাণ্ডাৰৰ বিপৰীতে কিছু পৰিমাণৰ টিনপাত আছে। ক্ৰমান্বয় আৰু সোনকালে উপযুক্ত ব্যক্তিবিলাকক টিনপাত দিয়াৰ পিছৰ তহবিল তলত দিয়া হ'লঃ—

১। কৃষি—১২৭ বান্দিল।

২। ডি, চি, জি—২১ (ধুবুৰী)।
২২ (মঙ্গলদৈ)।

(খ)—টিনপাত চৰকাৰী নিৰ্দ্ধাৰিত দাম ১৯৮·১১ ৰ পৰা ২৩০ টকাৰ ভিতৰত প্ৰতি বান্দিল হিচাবে বিক্ৰী কৰি আছে।

(গ)—টিনপাত চৰকাৰী হিচাবত আনি তলত দিয়া ভিত্তিত বিতৰণ কৰা হয়ঃ—

(১) কৃষি—কৃষি বিভাগৰ টিনপাত কৃষি উৎপাদন আয়ুক্তৰ নিৰ্দ্দেশানুযায়ী, কৃষি বিভাগৰ নিৰ্ম্মাণ কামৰ বাবে বিতৰণ কৰা হয়।

(২) ডি, চি, জি—টিনপাতৰ শতকৰা ১০ ভাগ ৰাইজৰ অনুষ্ঠানৰ বাবে সংৰক্ষিত আৰু বাকী ৯০ ভাগ স্থানীয় জিলাধিপতি আৰু মহকমাধিপতিৰ সৰ্ব্বসাধাৰণ বিতৰণৰ বাবে ৰখা হয়।

(ঘ)—খোলা বজাৰত টিনপাতৰ দাম আৰু গুণ সম্পৰ্কে চৰকাৰে একো নেজানে। চৰকাৰে টিনপাত তালিকাভুক্ত উৎপাদনকাৰীৰ জৰিয়তে সংগ্ৰহ কৰে। এই সামগ্ৰী নিঃসন্দেহে ভাল হ'ব।

**Shri Rothindra Nath Sen:** Are these galvanised sheets ?

**Shri Ramesh Chandra Barooah** Yes.

**Shri Soneswar Bora:** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কিছুমান খেতিয়কক কিছুমান অনুষ্ঠানত চৰকাৰে টিনপাত দিছে। এতিয়ালৈকে এই টিনপাত নিয়ন্ত্ৰণ উঠোৱাৰ পাছত যিখিনি চৰকাৰী টিনপাত আমাৰ চৰকাৰে আনিছে সেইখিনি ক'ৰ ক'ৰ খেতিয়কক আৰু কোন কোন অনুষ্ঠানত বিতৰণ কৰা হ'ল, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

**Shri Ramesh Chandra Barooah:** বিতৰণৰ List খন বিচাৰিলে ইয়াৰ পৰা উত্তৰ দিয়া নহব।

**Shri Sadhan Ranjan Sarkar:** বৰ্ত্তমানে যি বানপানী হৈছে সেই বানপানীত বিধস্ত গৃহস্থ সকলৰ কাৰণে চৰকাৰে টিনপাত বিচাৰিছে নে নাই ?

**Shri Ramesh Chandra Barooah:** হয় বিচাৰিছোঁ। কিন্তু মই আগৰ প্ৰশ্নৰ উত্তৰ এটাত কৈছিলো যে ইতিমধ্যে হৈ যোৱা গোৱালপাৰাৰ বান বিধস্ত সকলৰ সাহায্যাৰ্থে যিখিনি টিনপাত বিচৰা হৈছিল সেইখিনি টিনপাতেই এতিয়ালৈকে আহি পোৱা নাই।

**Shri Debeswar Sarmah:** অধ্যক্ষ মহোদয়, অসম ৰাজ্য খনত টিনপাতৰ বৰ অভাৱ; আনফালে কিছুমান ৰাজ্যত গৰমৰ কাৰণে টিনপাত ব্যৱহাৰেই নকৰে। তেনেস্থলত অসমৰ কাৰণে কিছু বেছিকৈ টিনপাত অনাৰ দিহা চৰকাৰে কৰিব নোৱাৰেনে ?

**Shri Ramesh Chandra Barooah :** আমি চেষ্টাৰ ত্ৰুটি কৰা নাই। যি হওঁক তেওঁলোকে কয় যে টিনপাত Decontrol হৈ গৈছে তথাপি আমাক বেছিকৈ টিনপাত দিবলৈ লিখি আছোঁ।

**Shri Dulal Chandra Barua:** অধ্যক্ষ মহোদয়, মোৰ সম্পূৰ্ণ মনত আছে যে, যোৱা বিধান সভাৰ আগৰ বিধান সভাটোৰ আলোচনাত মুখ্যমন্ত্ৰী শ্ৰীচলিহা ডাঙৰীয়াই জনাইছিল যে বাহিৰৰ পৰা বিশেষকৈ টিনপাত পোৱাৰ অসুবিধা । কিন্তু এই Galvanised টিন উদ্যোগ বিভাগে দিয়াৰ কাম হাতত লৈছে । মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে উদ্যোগ বিভাগৰ ফালৰ পৰা টিনপাত পাইছেনে ?

**Shri Ramesh Chandra Barooah:** উদ্যোগ বিভাগৰ পৰা টিনপাত আমি পোৱা নাই ।

**Shri Sadhan Ranjan Sarkar :** অধ্যক্ষ মহোদয়, আমাৰ কলেজ প্ৰতিষ্ঠা কৰোতে কম টিনপাত পোৱা হৈছিল বুলি কোৱা হৈছে। এই কথাটো সঁচানে ?

**Shri Ramesh Chandra Barooah:** টিনপাত বৰ্ত্তমানে De-control হৈছে।

**Shri Sadhan Ranjan Sarkar:** আন আন প্ৰদেশৰ তুলনাত আমাৰ প্ৰদেশত টিনপাত কম পাইছে, এইটো কথা সঁচানে ?

**Shri Ramesh Chandra Barooah:** মাননীয় মন্ত্ৰী মহোদয়ে এইটো বেলেগ প্ৰশ্ন কৰিলে ভাল হয় ।

**Shri Kabir Chandra Roy Prodhani:** গোৱালপাৰাৰ বান বিধস্ত সকলৰ কাৰণে যিখিনি টিনপাত বিচৰা হৈছে সইখিনি গোৱালপাৰাতে দিবনে আন ঠাইটো দিয়া হব ?

**Shri Ramesh Chandra Barooah:** যিখিনি টিনপাত গোৱালপাৰাৰ বান বিধস্ত লোকৰ কাৰণে বিচৰা হৈছিল সেইখিনি টিনপাত গোৱালপাৰাতে দিয়া হব ।

*Re:* **Numbor Reserve**

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৩৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত নামবৰ বিজাৰ্ভৰ টেঙানী অঞ্চলত কিমান ঘৰ মানুহে বেদখল কৰিছে, চৰকাৰে জনাবনে ?

(খ) এই লোকসকলে কেতিয়াৰ পৰা এই বেদখল আৰম্ভ কৰিলে আৰু এই বেদখলী লোকসকল বহি থকা কিমান দিন হ'ল ?

(গ) টেঙানী ৰিজাৰ্ভত বেদখল কিয় হল ?

(ঘ) এই বেদখলী লোকসকলৰ ভিতৰত অন্ততঃ আইনত যিসকল লোকে মাটি পাব পাৰে তেনেকুৱা যোগ্যতা থকা লোকক সেই অঞ্চলতে সংস্থান কৰাৰ দিহা চৰকাৰে কৰিবনে ?

(ঙ) এই বেদখলকাৰী লোকসকলৰ ভিতৰত কিবা আনুষ্ঠানিক সংগঠন আছেনেকি ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে:

৩৯। (ক)—প্ৰায় ১৫৫ টা পৰিয়াল।

(খ)—বেদখল ১৯৬৩ চনৰ পৰা আৰম্ভ কৰিছে। সময়ে সময়ে উচেছদ-কাৰ্য্য চলি থকা বাবে কোনো বেদখলকাৰীয়ে বেচি দিন বহি মাটি দখলৰ স্থবিধা পোৱা নাই।

(গ)—জনা নাযায়।

(ঘ)—স্থবিধাজনক কোনো ঠাইত মাটি খুলিব পৰা যায় নেকি, এই বিষয়ে চৰকাৰে বিবেচনা কৰি আছে।

(ঙ)—হয়, শ্ৰীপুনাৰাম শইকীয়া আৰু লক্ষেশ্বৰ বৰাৰ নেতৃত্বত "কৃষক সভা" বুলি এটা সংগঠন আছে।

**Shri Soneswar Bora:** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'ক'ৰ উত্তৰত কৈছে প্ৰায় ১৫৫ টা পৰিয়াল, টেঙানী Reserve টো মন্ত্ৰী মহোদয়ে নিজে দেখা নাই। সেই বিষয়ে যি সকলে Report কৰিছে তেওঁলোকে বিষয়টো শুদ্ধকৈ Report কৰা নাই। মন্ত্ৰী মহোদয়ে নিজে ভালকৈ তদন্ত কৰিলে সেই বিষয়ে প্ৰকৃত খবৰ পোৱা যাব। মই নিজে জানো টেঙানী ৰিজাৰ্ভত ঘৰ-বাৰী কৰি থকা মানুহ প্ৰায় ১১০০ আছে আৰু সেইবিলাকৰ আন ঠাইত মাটিবাৰী নাই। তেনে পৰিয়াল বিলাকক চৰকাৰে মাটি দিয়াৰ ব্যৱস্থা কৰিবনে?

**Shri Mahendra Mohan Choudhury:** সদস্য গৰাকীয়ে যেতিয়া কৈছে তেতিয়া নিশ্চয় তদন্ত কৰা হব। আৰু তেওঁলোকৰ কোনোৱা যদি মাটিহীন মানুহ আছে তেন্তে তেওঁলোকক মাটি দিবলৈ যত্ন কৰি থকা হৈছে।

*Re:* **Land under Longhorjan Tea Estate**

**Shri BHADRA KANTA GOGOI** asked:

*40. Will the Minister-in-charge of Revenue be pleased to state—

(a) The total area of land both fee simple and patta land owned by Longhorjan Tea Estate in Dibrugarh Subdivision ?

(b) The area under tea plantation ?

(c) The actual total area of land falling within the jurisdiction of Naharkatia Town Committee ?

(d) The total area surplus land owned by this tea estate have been sold to private individuals during the period 1960 to 1969 ?

**Shri MAHENDRA MOHAN CHOUDHURY (Minister, Revenue)** replied:

40. (a)—No Fee simple grant land is held by the Longhorjan Tea Estate. An area of 667B—3K—9L of land covered by ordinary periodic patta and another area of 4,016B—0K—13L covered by tea periodic patta have been held by the Tea Estate.

(b)—The area under tea at present of the Tea Estate is 2,724 Bighas.

(c)—An area of 701B—2K—16L of land falls within the jurisdiction of the Naharkatiya Town Committee, of which 603B—3K—11L are tea periodic patta land and 97B—4K—5L are ordinary periodic patta land.

(d)—The Tea Estate has no surplus land according to 1 : 2 formula. An area of 2B—0K—19L of land was sold by the Tea Estate to Messrs. Indrachand Gojraj and Co., Naharkatia in the year 1966. No other information has been received.

**Shri Bhadra Kanta Gogoi :** অধ্যক্ষ মহোদয়, এই যে ৭০০ বিঘা মাটি নাহৰকটিয়া Town Committee ৰ এলেকাত আছে সেই মাটিখিনি লঙ্গৰজান বাগিচাত। এতিয়া High Court এ সেই মাটিখিনি নাহৰকটিয়া Town Committeeৰ এলেকাৰ পৰা উলিয়াই লৈ গৈছে। এই এলেকাটো বাদ দিলে নাহৰকটিয়া টাউন কমিটিৰ কোনো অস্তিত্বই নাথাকিব। তাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিব ?

**Shri Mahendra Mohan Choudhury :** এই মাটিখিনি টাউনৰ পৰা বাদ দিয়াৰ বা টাউনৰ ভিতৰতে ৰখাৰ কোনো অৰ্থ নাই, যিহেতুকে তেওঁলোকে সেই মাটিখিনি কেনেকৈ ব্যৱহাৰ কৰে সেইটো তেওঁলোকেই নিৰ্দ্ধাৰণ কৰিব।

**Shri Bhadra Kanta Gogoi :** এই মাটিখিনি নাহৰকটিয়া ৰাস্তাৰ দুয়ো কাষে আৰু এইবিলাক মাটিত চাহ গছো নাই। তাত আছে বনুৱা আৰু কৰ্ম্মচাৰীৰ ঘৰ। এই মাটিখিনি নাহৰকটিয়া টাউন কমিটিৰ পৰা যদি বাদ দিয়া হয় ; তেন্তে নাহৰকটিয়া টাউনৰ অস্তিত্বই নাথাকিব।

**Shri Mahendra Mohan Choudhury :** সেই মাটি High Court ৰ হুকুমৰ দ্বাৰা টাউনৰ পৰা বহিৰ্ভুক্ত কৰা হৈছে। গতিকে এইটো High Court ৰ কথা, ইয়াত আমাৰ হাত নাই।

**Shri Bhadra Kanta Gogoi :** অধ্যক্ষ মহোদয়, আজি-কালি ২ বিঘা মাটিহে শ্ৰীইন্দ্ৰ চন্দ্ৰক বিক্ৰি কৰিছে। তাৰ উপৰিও বাহিৰা মানুহক বিঘাই ২০ হাজাৰ ২৫ হেজাৰ টকাত আৰু ৫০।৬০ বিঘা মাটি বিক্ৰি কৰিছে। সেই খবৰ চৰকাৰে জানে নে ? যদি নেজানে তদন্ত কৰিবনে ?

**Shri Mahendra Mohan Choudhury :** সেইটো খবৰ মোৰ ওচৰত নাই। সেই বিষয়ে তদন্ত কৰি চোৱা হব।

**Jonab Rahimuddin Ahmed :** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নেকি যে Annual Patta ৰ মাটি Periodical কৰিবলৈ হলে কি পদ্ধতিত কৰা হয় ?

**Shri Mahendra Mohan Choudhury :** আমাৰ বৰ্ত্তমান যি নীতি সেই নীতি অনুসৰি যি দখলকাৰীয়ে মাটিৰ Premium দিব পাৰে আৰু দখলত কোনো গোলমাল নহয় সেইটো মাটিৰ ম্যাদি পটা পাব পাৰে।

**Shri Bishwanath Upadhyaya:** Mr. Speaker, Sir, we are given to understand that according to Government Amendment Bill, tea garden lands should not be sold to any individual. Sir, we do not fiind here what steps Government have taken regarding this.

**Shri Mahendra Mohan Choudhury :** চৰকাৰৰ ফালৰ পৰা বিবেচনা কৰা হৈছে। আৰু বাস্তৱতে এটা বিল প্ৰস্তুত কৰা হৈছে। আপত্তি খিনি Meet কৰাৰ পিছত প্ৰয়োজন হলে এটা Ordinance ৰ যোগেদি সেই আইনখন প্ৰয়োগ কৰিম।

**Jonab Rahimuddin Ahmed :** মন্ত্ৰী মহোদয়ে এই কথাটো জানে নে যে একচনীয়া পটাৰ ম্যাদি কৰাৰ Premium Basis ত ৪টা কিস্তিত দিয়া হৈছে, এই ৪টা কিস্তি দিয়াৰ পিচত আকৌ কিয় Premium ৰ দৰকাৰ ?

**Shri Mahendra Mohan Choudhury :** বৰ্ত্তমান চৰকাৰৰ নীতিমতে যি পটাদাৰৰ কিস্তি বাকী আছে আমি সিদ্ধান্ত কৰিছো Premium আদায় নকৰাকৈ পট্টা দিয়া নহয় আৰু Premium কিস্তি হিচাবে দিবলৈ কোৱা হয়।

**Shri Dulal Chandra Barua :** ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে চৰকাৰে আইনখনৰ খচৰা Legal Remembrancerৰ মতামত বাবে পঠিয়াইছে, ইতিমধ্যে আইনখন পাচ হয় বুলি বহুত Tea Garden ৰ মালিকে তেওঁলোকৰ মাটি বিক্ৰী কৰি পেলাইছে। এতিয়া যিটো Ordinance ৰ কথা কৈছে সেইটো আইন যাতে আগতেই পাছ কৰে যাতে মাটিৰ বিক্ৰী বন্ধ হৈ যায়।

**Shri Mahendra Mohan Choudhury :** মহোদয়, যদি মন্ত্ৰী সভাই সন্মতি দিয়ে তেতিয়াহলে আমি সোনকালে সেই আইন পাচ কৰিম আৰু সোনকালে Ordinance টো পাচ কৰিবলৈ চেষ্টা কৰিম ।

**Shri Debeswar Sarmah**: অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন কৰিব খুজিছো—বাগিচাৰ মালিক বিলাকে যাতে অতিৰিক্ত মাটি বিক্ৰী কৰিব নোৱাৰে তাৰ বাবে Land Revenue Regulationsত বহুতো ব্যৱস্থা আছে, কিন্তু তাৰ সুবিধা নোলোৱাকৈ Ordinance পাচ কৰি সেইটো বন্ধ কৰিবলৈ চেষ্টা কৰিলে ইয়াৰ মূলতে কুঠাৰাঘাট কৰা হব । সেইটো চৰকাৰে বুজিব নে ?

**Shri Mahendra Mohan Choudhury :** এইবিলাক কথা বিবেচনা কৰি আমি যি খন আইন পাচ কৰিছো এইটো Legal Remembrancer ৰ ওচৰত দাখিল কৰিছো যাতে এইখন সংবিধান-সন্মত হয় আৰু যদি সেইটো সংবিধান-সন্মত নহয় তেনেহলে Ordinance পাচ কৰি ব্যৱস্থা কৰা হব ।

**Shri Debeswar Sarmah**: মোৰ প্ৰশ্নতে অনেক Bigger and Broader Principle ৰ কথা আছে, যদি আইন আছে প্ৰয়োগ কৰিব লাগে যদি নাই প্ৰণয়ন কৰিব লাগে । ৰাজহুৱা স্বাৰ্থ ব্যাহত ৰাখিব লাগিব কিন্তু Ordinance ৰ কথাটো বৰ বিপদজনক কথা ।

**Shri Dulal Chandra Barua:** Bank বিলাক যদি Nalionalise কৰিবলৈ Ordinance দিব পাৰে তেনেহলে আমাৰ ইয়াত কিয় নোৱাৰিব ?

**Shri Mahendra Mohan Choudhury :** কিছুমান চাহ বাগানৰ মালিকে তেওঁলোকৰ অতিৰিক্ত মাটি অইন কামত বিক্ৰী কৰিব খুজিছে, তাক বন্ধ কৰিবই লাগিব। আইনৰ লেকুনা Lacuna লৈ সেইটো কৰিব খুজিছে ; প্ৰয়োজন হলে সেই আইন Ordinance পাচ কৰি হলেও সংশোধন কৰা হব ।

*Re*: **Aerial spraying of Urea**

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৪১ । মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) শস্য নষ্ট কৰা পোক নিবাৰণ কৰিবৰ কাৰণে উড়া জাহাজৰ পৰা ঔষধ চটিওৱা হৈছিল নেকি ?

(খ) যদি হৈছিল, কোন কোন ঠাইত চটিওৱা হৈছিল ?

(গ) ইয়াৰ দ্বাৰা বিশেষ উপকাৰ হ'ল নে ?

কৃষি বিভাগৰ মন্ত্ৰী শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামীয়ে উত্তৰ দিছে :

৪১ । (ক)—হয় ।

(খ)—যোৰহাট আৰু শিৱসাগৰ মহকুমাৰ বৰচোমনী, খাটোৱাল, কেন্দুগুৰি, তামুলীচিগা, চৰাই ডোবা, ভকতডোবা আদি পথাৰসমূহ । উত্তৰ লক্ষীমপুৰ মহকুমাৰ পহুমৰা, মাজগাওঁ, আজাদ তিনকুৰীয়া, নকাৰী পানীগাওঁ, ভেৰেকী পথাৰসমূহ ।

বৰপেটাৰ ৰূপসী অঞ্চলত 'ইউৰীয়া' সাৰৰ লগতে মৰাপাটৰ পোক নিবাৰণৰ কাৰণে উৰা জাহাজৰ পৰা ঔষধ ছটিওৱা হৈছিল ।

(গ)—যথেষ্ট উপকাৰ হৈছে ।

**Shri Bhadreswar Gogoi :** এই ঔষধ ছটিয়াওঁতে কিমান টকা খৰচ কৰা হৈছে ?

**Shri Lakshmi Prasad Goswami :** ১ একৰত ১২ টকা আৰু এই ঔষধ ছটিয়াওঁতে হৈছে ১১হাজাৰ একৰত ।

**Shri Bhadreswar Gogoi :** এই সাৰ ছটিয়াওঁতে গৰু-মহ মৰাৰ কিবা খবৰ পাইছে নে ?

**Shri Lakshmi Prosad Goswami :** তেনে খবৰ আমি পোৱা নাই।

**Shri Giasuddin Ahmed :** সেই ঔষধ উৰাজাহাজৰ পৰা ছটিয়াওঁতে কোন কোন ঠাইত ছটিয়াইছে আৰু ক'ত কিমান শস্য নষ্ট হৈছে চৰকাৰে জানে নে ?

**Shri Lakshmi Prosad Goswami :** সেই খবৰ আমি পোৱা নাই, আকৌ বৰষুণ হলে ঔষধ ছটিয়াওঁতে সেই ঔষধ বোৰ উঠাই লৈ যায় আৰু কামত নালাগে বাবেই ঔষধ ছটিওৱা কাম কেতিয়াবা বন্ধ কৰা হয়।

**Shri Dulal Chandra Barua :** মন্ত্ৰী মহোদয়ে কৈছে যে Aerial Spray কৰোতে য'ত য'ত ঔষধ ছটিওৱা হৈছে সেই বিলাকত পোক মৰাৰ লগতে কিছুমান শস্য নষ্ট হৈছে, সেই খবৰ চৰকাৰে পাইছে নে ?

**Shri Lakshmi Prosad Goswami :** শস্য মৰাৰ খবৰ আমি পোৱা নাই।

**Shri Dulal Chandra Barua :** এই ঔষধ ছটিওৱাৰ পৰা বাইজৰ কিবা উপকাৰ হৈছে নে অপকাৰ হৈছে ?

**Shri Lakshmi Prosad Goswami :** খেতিয়কসকলে কৈছে উপকাৰ পাইছে।

**Shri Dulal Chandra Barua :** উত্তৰলক্ষীমপুৰৰ ঠায়ে ঠায়ে শস্য নষ্ট কৰাটো খবৰ পাইছে নে ?

**Shri Lakshmi Prosad Goswami :** পঞ্চায়তৰ মেম্বাৰে কৈছে যে তেওঁলোকে কামত উপকাৰ পাইছে।

**Shri Atul Chandra Goswami :** মন্ত্ৰী মহোদয়ে জনাব নে যে উৰা জাহাজৰে ছটিয়ালে যে ১২ টকা হয় মাটিৰ পৰা ছটিয়ালে কিমান খৰচ হয়।

**Shri Lakshmi Prosad Goswami :** মাটিৰ পৰা ছটিয়ালে প্ৰায় ১৫ টকা হয়।

**Shrimati Lily Sengupta :** অধ্যক্ষ মহোদয়, বৰ্ত্তমান ব্যৱস্থাত যেতিয়া পোকৰ উপদ্ৰৱ আৰম্ভ হয় তেতিয়াহে পোক নিবাৰক ঔষধ ছটিওৱা হয়। কিন্তু এই পোকৰ সৃষ্টি হোৱাৰ আগতে বা এই পোক-বিলাক জন্ম হোৱাৰ আগত অৰ্থাৎ বৰষুণ বতৰ পোৱাৰ আগতে য'ত পোকৰ জন্ম হয় তাতেই দৰৱ দি পোক নাশ কৰাৰ ব্যৱস্থা কৰা কিয় নহয় ? সেইটো ছটিয়াই দি পোক নাশ কৰাৰ ব্যৱস্থা কৰা কিয় নহয় মন্ত্ৰী মহোদয়ে জনাব নে ?

**Shri Lakshmi Prosad Goswami :** কাৰণ বৰষুণ হলেই এই পোকবোৰ হয়। গতিকে বৰষুণৰ পিছত নিদিলে কাম নহয়। সেই কাৰণেই বৰষুণ বতৰৰ পাছতহে ঔষধ ছটিওৱা হয়।

**Shri Bhadreswar Gogoi :** মাননীয় অধ্যক্ষ মহোদয়, ঔষধ ছটিওৱাৰ ফলত কিছুমান ঠাইত জন্তু আদি মৰিছে বুলি মই Estimate Committee ত বৰপেটালৈ যাওঁতে তাৰ বাইজে কৈছিল। ঔষধ ছটিওৱাৰ পৰা পোক মৰিছে কিন্তু লগতে বহুত গৰুও মৰিছে। এইটো খবৰ মন্ত্ৰী মহোদয়ে জানে নে ?

**Shri Lakshmi Prosad Goswami :** এই খবৰটো পোৱা নাই।

**Shri Bhadreswar Gogoi :** বৰপেটাত Estimate Committee ত পোৱা মতে ঔষধ ছটিওৱাৰ ফলত মৰাপাটৰ উপকাৰ হৈছে যদিও লগতে আহু ধান মৰা গ'ল বুলি কৈছে।

**Shri Lakshmi Prosad Goswami :** উক্ত অঞ্চল বিলাকত ঔষধ ছটিওৱাৰ ফলত আহুধান মৰিছে, এই অভি-যোগটো পোৱা নাই। আৰু যদি এইটোৱে হয়, খবৰ লব লাগিব।

**Shri Kamini Mohan Sarma :** অধ্যক্ষ মহোদয়, উবা জাহাজেৰে ফচলৰ ওপৰত ঔষধ ছটিওৱাৰ পৰিবৰ্ত্তে দলনি পথাৰবোৰত বেছিকৈ ছটিয়াই দিছে, এইটো হয় নে ?

**Shri Lakshmi Prosad Goswami :** সেইটো হয় । কাৰণ দলনিত পোকবিলাক জন্ম হয় । সেই কাৰণেই দলনিত ঔষধ ছটিওৱা হয় ।

*Re*: **Construction of Roads at Golaghat by Public Works Department**

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*৪২। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) চতুৰ্থ পৰিকল্পনাৰ ধনেৰে ১৯৬৯-৭০ চনত কাম কৰিবপৰাকৈ গোলাঘাট নগৰত কেইটা ৰাস্তা এই বছৰ গড়কাপ্টানি বিভাগে ললে ?

(খ) এই ৰাস্তাখিনিৰ মুঠ দৈৰ্ঘ্য কিমান ?

(গ) গোলাঘাট নগৰত গড়কাপ্টানি বিভাগে এই বছৰত লোৱা ৰাস্তাসমূহত সৰ্ব্বমুঠ কিমান খৰচ কৰিবলৈ লৈছে ?

(ঘ) এই ৰাস্তাসমূহৰ কাম কেতিয়া সমাধা হব বুলি চৰকাৰে ভাবে ?

গড়কাপ্টানি বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীআলতাফ্ হোছেইন মজুমদাৰে উত্তৰ দিছে ঃ

42. (a)—The following roads have been approved to be taken up in Golaghat Municipality within the earmarked amount shown against each—

| | Earmarked Amount Rs. |
|---|---|
| 1. Improvement of Bogisha Ali—0·49 K. M. | 32,800 |
| 2. Improvement of a portion of Road from G. D. Road to Dhodar Ali—0·98 K. M. | 64,800 |
| 3. Improvement of Sepoi Road at Golaghat—0·938 K. M. | 65 400 |
| 2·408 K. M. | 1,63,000 |

(b)—2·408 K. M.

(c)—Rs.1,62,900.

(d)—The works are expected to be completed within the 4th Plan period.

**Jonab Rohimuddin Ahmed** মাননীয় অধ্যক্ষ মহোদয়, লাকেল বৰ্ডে যি সময়ত ৰাস্তা এৰি দিছিল, সেইবিলাক এতিয়াও অসম্পূৰ্ণ অৱস্থাত আছে । সেই বিলাক ৰাস্তা Maintenance কৰিবৰ কাৰণে বাজেটত কিবা ব্যৱস্থা পাইছে নে কি ?

**Shri Altaf Hossain Mazumder :** মাননীয় অধ্যক্ষ মহোদয়, সদস্য-জনে তোলা এই প্ৰশ্নৰ লগত লিখিত প্ৰশ্নৰ কোনো সম্পৰ্ক নাই । বেলেগে প্ৰশ্ন কৰিলে-হে ইয়াৰ উত্তৰ দিব পৰা যাব ।

**Shri Sadhan Ranjan Sarkar :** Constituency বা সমষ্টি অনুযায়ী অথবা মহকুমার দৈর্ঘ প্রস্থ অনযায়ী এই টাকা দেওয়া হয়েছে ?

**Shri Altaf Hossain Mazumder :** এই টাকা প্রত্যেক Sub-Division এ দেওয়া হয়েছিল । এবং সেই Subdivision এ M. L. A. Sub-Committee বিভিন্ন কেন্দ্রে এই টাকা রাস্তার জন্য অনুমোদন বা সুপারিশ করেছেন ।

**Shri Sadhan Ranjan Sarkar :** যদি জিলা হিসাবে টাকা দেওয়া হয়েছে তবে কোন কোন জিলায় ইহা দেওয়া হয়েছে ?

**Shri Altaf Hossain Mazumder :** আলাদা প্রশ্ন করলে এই প্রশ্নের জবাব দেওয়া হবে ।

**Shri Soneswar Bora :** গোলাঘাটৰ ৰাস্তাবিলাকৰ কাৰণে টকা অনুমোদন কৰিছে নে নাই ? আৰু যদি অনুমোদন দিয়া নাই, এতিয়া দিবনে নিদিয়ে ?

**Shri Altaf Hossain Mazumder :** Finance Dlpartment ৰ চাকোলাৰৰ পিছত এতিয়া আৰু অনুমোদন দিব নোৱাৰি ।

**Shri Dulal Chandra Barua :** টাউনবিলাকৰ Road Demarcation ৰ কাৰণে টকা ধৰা আছে । গতিকে এতিয়া Finance Department ৰ চাকোলাৰৰ পিছত আগতে ধৰা টকাটো কেনেকৈ বাতিল হয় ? আৰু সেই টকাৰ ভিতৰতে গোলাঘাট টাউনৰ ৰাস্তাৰ বাবেও টকা ধৰা হৈছিল নে নাই ?

**Shri Altaf Hossain Mazumder :** এতিয়া বিত্ত বিভাগে যি চাকোলাৰ দিছে সেই মতে আমি টকা পাব নোৱাৰোঁ ।

**Shri Dulal Chandra Barua :** টাউন বিলাকৰ কাৰণে টকা দিয়াৰ ব্যৱস্থা হৈছিল আৰু এতিয়া Finance Department এ চাকোলাৰ দিলেও টকা বন্ধ নহয় । গতিকে গোলাঘাটৰ ৰাস্তাৰ সম্পৰ্কত কি কৰিছে সেইটোহে মই জানিব খোজো ।

**Shri Altaf Hossain Mazumder :** আগতে Municipality ক যি টকা দিয়া হৈছিল সেই টকাৰ পৰাই টকা দি থকা হৈছিল ।

**Shri Kabir Chandra Roy Pradhani :** এই লাইটটোৰ কাৰণে মোৰ বৰ দিগদাৰী হৈছে---আপোনাৰ মুখখন মই দেখাই নাই । বাৰু মোৰ প্ৰশ্ন হৈছে এই টকা সমষ্টি অনুযায়ী ধৰা হৈছিল । সেই টকা শ্বিলঙৰ পৰা কোনো স্থানত টকা মঞ্জুৰী দিয়া হৈছিল নে কি ?

**Shri Altaf Hossain Mazumder :** এই টকা Planning budget ৰ পৰা দিয়া হৈছিল আৰু Revenue Board এ কিছু টকা দিয়াৰ ব্যৱস্থা কৰিছিল । কিন্তু এই বিষয়ে Specific প্ৰশ্ন কৰিলেহে উত্তৰ দিব পৰা যাব আৰু বৰ্তমান প্ৰশ্নৰ লগত মূল প্ৰশ্নৰ সম্পৰ্ক নাই ।

**Jonab Rahimuddin Ahmed :** সম্পৰ্ক নিশ্চয় আছে । কাৰণ District wise টকা দিবলৈ ব্যৱস্থা কৰা হৈছিল । সেই কাৰণে এতিয়া নতুনকৈ ৰাস্তালৈ সেই ৰাস্তাৰ বাবে টকা চৰকাৰে দিব নে নিদিয়ে সেইটো জানিব খুজিছো ?

**Shri Altaf Hossain Mazumder :** প্ৰশ্নটো গোলাঘাট ৰাস্তাৰ সম্পৰ্কে । এই জেনেৰেল প্ৰশ্ন এই সম্পৰ্কত নুঠে ।

*Re*: **Number of Students at Golaghat Junior Technical School**

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) গোলাঘাট জুনিয়ৰ টেকনিকেল স্কুলত কিমানজন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আছে ?

(খ) এই স্কুলত শিক্ষকৰ সংখ্যা বৰ্ত্তমান কিমান ?

(গ) এই স্কুলত ছাত্ৰসকলক খোৰাকী ভাট্টা (Stipend) দিয়াৰ ব্যৱস্থা আছে নে ?

(ঘ) যদি আছে, কিমানকৈ প্ৰতিজন ছাত্ৰক দিয়াৰ ব্যৱস্থা আছে আৰু দিয়া হৈছে নে ?

(ঙ) এই স্কুলত ছাত্ৰ ভৰ্ত্তি আৰু শিক্ষকক বা অন্যান্য কৰ্ম্মচাৰীৰ নিয়োগৰ ক্ষেত্ৰত থলুৱাসকলক আগস্থান দিয়াৰ কিবা নিয়ম আছে নে ?

শিক্ষামন্ত্ৰী শ্ৰীজয়ভদ্ৰ হাগজেৰে উত্তৰ দিছেঃ

৪৩। (ক)—৪৯ জন।
(খ)—১৪ জন।
(গ)—নাই।
(ঘ)—প্ৰশ্ন নুঠে।
(ঙ)—নাই।

**Shri Soneswar Bora**: গোলাঘাট জুনিয়ৰ টেক্‌নিকেল স্কুলত কিমান ছাত্ৰ আছে আৰু কিমান শিক্ষক আছে ?

**Shri Joy Bhadra Hagjer**: Total number 49. First year 30 and Second year 19.

**Shri Atul Chandra Goswami**: এই গোলাঘাট Junior Technical School খনত কি কি বিষয়ে শিক্ষা দিয়া হয় ?

**Shri Joy Bhadra Hagjer**: Technical Subjects and Humanities with other Science Subjects কাপেণ্টাৰী Blacksmithy আদিও আছে।

*Re*: **Permit for Sheller-huller Mill**

শ্ৰীমতিলাল নায়কে সুধিছে :

*৪৫। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) Sheller-huller mill ৰ permit খুলি দিয়াটো সঁচা নে? বৰ্ত্তমান (৩০ জুন ১৯৬৯ চন) লৈ কোন মহকুমাৰ পৰা কিমান যোগান আবেদন-পত্ৰ আহিছে ?

(খ) এই লাইচেঞ্চবিলাক ডাঙৰ মিল থকা টাউনবিলাকতো দিব নেকি ? যদি নিদিয়ে, কিয় নিদিয়ে ? কি কি অৰ্হতাৰ ওপৰত নিৰ্ভৰ কৰি এই পাৰ্মিট দিব ?

(গ) ৰাস্তা-ঘাটৰ অসুবিধা অন্ততঃ টাউনৰ ডাঙৰ মিলৰ পৰা ১০।১৫ মাইল ভিতৰুৱা ঠাইতহে এই পাৰমিট দিয়া হব বুলি ঠিৰাং কৰা হয় নে ? টাউনত মুঠেই নিদিয়াকৈ বন্ধ ৰাখিব বুলিও চৰকাৰে থিৰ কৰা কথা সঁচা নে?

(ঘ) পাৰমিট লাভ কৰাত মানুহ হিচাবে কিবা যোগ্যতা থাকিব নে কি ?

(ঙ) এতিয়ালৈ কিমানে আবেদন কৰিছে ? আবেদনকাৰীলক-লোকে পাৰমিট দিব নে ?

যোগানমন্ত্ৰী শ্ৰীৰমেশ বৰুৱাই উত্তৰ দিছে :

৪৫। (ক)—পাৰমিট দিয়াৰ ব্যৱস্থাৰ কিছু পৰিমাণে শিথিল কৰাটো সঁচা। আবেদন-পত্ৰ সম্বন্ধে তলত এখন তালিকা দিয়া হ'ল—

(১) নলবাৰী—১৫ ।
(২) শ্বিলং— ।
(৩) আইজাল— ।
(৪) নগাঁও—৩৭৬ ।
(৫) তেজপুৰ—১৯০।
(৬) কোকৰাঝাৰ—৪৭ ।
(৭) উত্তৰ লক্ষীমপুৰ—১১২ ।
(৮) শিলচৰ- ২,০৬২ ।
(৯) হাইলাকান্দি ৩৪ ।
(১০) যোৰহাট·–৫৩।
(১১) ডিফু—৪৯ ।
(১২) শিৱসাগৰ—২,৫০ ০ ।
(১৩) গুৱাহাটী—৪৩ ।
(১৪) জোৱাই—১।
(১৫) লুংলে— ।
(১৬) মঙ্গলদৈ—১৫১ ।
(১৭) গোৱালপাৰা—৪৭ ।
(১৮) তুৰা—৯ ।
(১৯) গোলাঘাট—৬৫ ।
(২০) হাফ্‌লং— ।
(২১) ডিব্ৰুগড়—৮০ ।
(২২) বৰপেটা—৩৯৮ ।
(২৩) কৰিমগঞ্জ—৯৮ ।

(খ)—ডাঙৰ মিল থকা টাউনবিলাকত হুলাৰ লাইচেঞ্চ নিদিয়াৰ কোনো সিদ্ধান্ত লোৱা নাই।

বিবেচনাধীন অৰ্হতাবিলাক তলত বৰ্ণোৱা হ'ল—

(১) চলিথকা মিলৰ সংখ্যা।
(২) ঠাইৰ ধানৰ প্ৰচুৰতা।
(৩) ঠাইৰ জল-শক্তিৰ প্ৰচুৰতা।
(৪) ধানকলৰ ধৰণ—হুলাৰ, চেলাৰ নে হুলাৰ-চেলাৰ উভয়ো

(৫) ধানকল স্থাপনৰ ফলত ঠাইত নিবনুৱা পৰিস্থিতিৰ স্থষ্টি।
(৬) ধানকলৰ স্থাপনে স্থানীয় অৰ্থ-নৈতিক জন্মোৱা ব্যাঘাত সম্বন্ধে।

(৭) ঠাইৰ ব্যৱসায়-বাণিজ্যৰ ধৰণ।
(৮) ধানকলৰ নিষ্ক্ৰিয়তাৰ কাৰণ।
(৯) এখন ঠাইত ধানকল এটাৰ অতিৰিক্ত যোগ-বিয়োগ সম্বন্ধে।
(১০) ধানকল স্থাপনৰ ফলত ঢেকী-শিল্পৰ ওপৰত প্ৰভাৱ।

(১১) অঞ্চলত ঢেকী-শিল্পৰ অভ্যুত্থান।

(গ)—এনে কোনো সিদ্ধান্ত এতিয়ালৈ লোৱা হোৱা নাই।

(ঘ)—শিক্ষিত নিবনুৱা ডেকাক এই সম্পৰ্কত সুবিধা দিয়া হব।

(ঙ)—ইয়াৰ উত্তৰ "ক"ত দিয়া হৈছে। অৰ্হতা আৰু আৱশ্যক বুজি বিবেচনা কৰা হব।

**Shri Dulal Chandra Barua :** মন্ত্ৰী মহোদয়ে যি নীতিৰ ওপৰত ভিত্তি কৰি Licence দিয়াৰ সিদ্ধান্ত কৰাৰ কথা কৈছে সেই সিদ্ধান্তত উপনীত হোৱাৰ আগতেই কোনো কোনো মানুহ বিশেষকৈ ধনী শ্ৰেণীৰ লোকক Licence দিয়াৰ কথা সঁচা নে? যদি দিয়া হৈছে, তেন্তে কাক কাক দিয়া হৈছে?

**Shri Ramesh Chandra Barooah :** এই সিদ্ধান্ত লোৱাৰ পিছত দহ পোন্ধৰ খন মান Licence দিয়া হৈছে।

**Shri Dulal Chandra Barua :** আমাৰ হিচাবমতে যোগান বিভাগে ইতিমধ্যে ৮৩খন Licence দিয়াৰ কথা সঁচা নে?

**Shri Ramesh Chandra Barooah :** দিয়া হোৱা নাই।

**Shri Rothindra Nath Sen :** এই সম্পৰ্কত মই এই কথা জনাব খুজিছো যে আমি খবৰ কৰি জানিব পাৰিছো যে এই আবেদন বিলাক Scrutiny কৰা পিচতহে Licence Issue কৰিব। কিন্তু ইতিমধ্যে কিছুমান ডাঙৰ আৰু ভাগ্যবান লোকক Licence দিয়া হৈছে। মই এইটোকে কব খুজিছো যে, Sheller huller মিলৰ Permit ৰ কাৰণে যি ৮ হেজাৰ দৰখাস্ত পৰিছে সেই আটাই খিনিকে দি দিলে চৰকাৰৰ কি লোকচান হব? যেতিয়া চৰকাৰে Licence দিবলৈকে সিদ্ধান্ত লৈছে তেতিয়া এই দৰখাস্ত-কাৰী সকলক যি প্ৰত্যেকেই ৭·৫০ টকাৰ Stamp লগাই দৰখাস্ত কৰিছে তেওঁ-লোকক Licence দি দিব পাৰে।

**Shri Ramesh Chandra Barooah :** অধ্যক্ষ মহোদয়, মই এই বিষয়ে অলপ বহলাই কব খুজিছো। আগৰ নিয়ম মতে যিবোৰ Existing Mill আছে তেওঁলোককহে দিব পাৰিব। নতুন বিলাকক দিব পৰা নহয়। মাৰ্চ এপ্ৰিলৰ ভিতৰত যিবিলাক Mill ৰ Huller আছে তেওঁলোকৰ অৰ্হতা সম্পৰ্কে ৬ ধাৰাত দিয়া আছে আৰু সেই সম্পৰ্কে মই ইতিপূৰ্বেই পঢ়ি দিছো সেই মতে আমাৰ যিবিলাক Registered Mill আছে আৰু Production Paddy আছে তালৈ চাই আমি ১২শৰ পৰা ১৫শ Huller Machine দিব পাৰিম। সেইমতে আমি দৰখাস্ত বিচাৰিছিলো। S. D. O. আৰু D. C. এ Recommendation কৰি পঠোৱা মতে ১২।১৩খন মান Licence Issue কৰা হ'ল। কিন্তু ইতিমধ্যে দৰখাস্তৰ পৰিমাণ বহুত বাঢ়ি গ'ল। এতিয়া আমি দেখ

পাইছো যে Licence এই দৰে এফালৰ পৰা দি থাকিলে কিন্তু deserving মানুহ বাদ পৰি যাব পাৰে। সেই কাৰণে আমি বৰ্ত্তমান Licence issue কৰাটো বন্ধ কৰিছো আৰু বিবেচনাৰ শেষত Licence issue কৰা হব।

**Shri Dulal Chandra Barua :** মাননীয় মন্ত্ৰী গৰাকীয়ে মূল প্ৰশ্নৰ পৰা এৰাই গৈছে।

**Shri Prabhat Narayan Choudhury:** এতিয়ালৈকে কোন কোন মহকুমাত বা জিলাত কিমান Licence দিয়া হৈছে ?

**Shri Ramesh Chandra Barooah:** ১৫খন মান Issue কৰা হৈছে।

**Shri Gaurisankar Bhattacharyya :** যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে হয়তো নাজানিব পাৰে কিন্তু যোগান বিভাগে তেনেকুৱা Licence ২৬ খন Issue কৰিছে।

**Shri Ramesh Chandra Barooah :** আমাৰ মতে এই বিলাকত দিয়া হৈছে কিন্তু নতুন নিয়ম মতে দিয়া হোৱা নাই।

**Shri Dulal Chandra Barua :** মোৰ কথা হৈছে নিবনুৱা শিক্ষিত ডেকাক অনুসংস্থানৰ কাৰণে এই licence বিলাক যে দিব লাগে এই কথাটো Industry আৰু Supply বিভাগৰ সৈতে আলোচনা ক্ৰমে কৰা হৈছিল। কিন্তু সেই নীতি উলঙ্ঘা কৰি যোগান বিভাগে আগতেই ৮৩ খন Licence পূজিপতি সকলক দিয়াৰ কথা গম পাইছো। আকৌ এই নীতি বিলাক সিদ্ধান্ত হোৱাৰ পিচত মন্ত্ৰী মহোদয়ে কৈছে যে চৰকাৰে ইতিমধ্যে ১৫ খন licence দিছে। কিন্তু আমি জানো ২৬ খন আৰু এই ২৬ খন বৰমূৰীয়া সকলক দিয়া হৈছে যদি সেয়ে হয় তেন্তে এই licence দিয়াৰ উদ্দেশ্য ফলৱতী হব নে ?

**Shri Ramesh Chandra Barooah :** নিবনুৱা ডেকা সকলক সুবিধা দিয়া হব আৰু এই বিষয়ে চিন্তা কৰা হৈছে।

**Shri Dulal Chandra Barua :** নীতিগত ভাৱে Huller Machine দিয়াৰ যিটো উদ্দেশ্য আছিল, সেইটোৰ পৰা কিয় যুবক সকলক বঞ্চিত কৰা হৈছে ? আৰু মই জানিব খুজিছো যে কাক কাক এই সুবিধা দিয়া হ'ল, তাৰ এখন লিষ্ট Library ৰ Table ত দিব লাগে।

**Shri Bhadreswar Gogoi :** এই কথা খিনি বৰ গুৰুত্বপূৰ্ণ।

**Shri Prabhat Narayan Choudhury :** প্ৰশ্নটো গুৰুত্বপূৰ্ণ কাৰণে ইয়াৰ আলোচনাৰ কাৰণে আধা ঘণ্টা সময় দিব লাগে।

Starred Question Nos.30, 37, 38 and 44 could not be disposed of for want of time.

Starred Question Nos. 34 and 35 were not put and answered to as the hon. Questioners were absent.

## UNSTARRED

## QUESTIONS AND ANSWERS

(To which answers were laid on the table)

**Area of land under V. G. Rs and P. G. Rs**

**Shri PROMODE CHANDRA GOGOI** asked:

6. Will the Minister, Revenue be pleased to state—

(a) How many bighas of land are under the V. G. Rs and P. G. Rs in the State in 1968 ?

(b) How many bighas of land under the V. G. Rs and P. G. Rs are fit for cultivation ?

(c) How many bighas of land are owned by the tea gardens in Assam in 1968 ?

(d) How many bighas of land are actually under tea cultivation in Assam in 1968 ?

**Nnmber of Registered Contractors**

**Shri GIASUDDIN AHMED** asked:

**7.** Will the Minister, P. W. D. (R. and B.) be pleased to state—

(a) The total number of registered contractors of each class in the Dhubri Subdivision ?

(b) The names, permanent address with birth place of each contractor ?

(c) The names of the contractors who have been given contracts within the last two years (Please state the number of works allotted to each) ?

**Shri MAHENDRA MOHAN CHOUDHURY (Minister, Revenue)** replied:

6. (a)—(i) V. G. Rs—5,79,442 B.

(ii) P. G. Rs— 4,59,941 B.

(b)—(i) V. G. Rs—2,94,523 B.

(ii) P. G. Rs—2,07,818 B.

(c)—12,84,831 acres (in 1967).

(d)—4,33,816 acres (in 1967).

**Shri ALTAF HOSSAIN MAZUMDAR [Minister of State, P. W. D. (R. and B.)]** replied:

7. (a)- Class I— Nos.

Class II -19 Nos.

Class III—53 Nos.

Class IV -36 Nos.

(b) and (c)—A Statement is placed on the table of the House.

*Re* : **Loans by Reserve Bank to Co-operative Fisheries**

শ্ৰীমতিলাল নায়কে সুধিছে :

৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰিজাৰ্ভ বেংকে ফিচাৰী সমবায়ক টকা ধাৰে দিব পৰা ব্যৱস্থা আছে নেকি ?

(খ) যদি আছে, তেনেহলে এই বছৰ কিমান টকা ফিচাৰী সমবায়ক দিব ?

(গ) আৰু যদি টকা দিব পৰা ব্যৱস্থা থকাটো সমবায় বিভাগে এই ধৰণৰ ধাৰ গ্ৰহন কৰা নাই, তাৰ কাৰণ কি ?

(ঘ) যদি ৰিজাৰ্ভ বেংকৰ টকা আনি ধাৰে দিব পৰা নহয়, তেনেহলে ফিচাৰী সমবায় বোৰক ক'ৰ পৰা টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে?

শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীয়ে (সমবায় বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে :---

৮। (ক)—তেনেকুৱা ব্যৱস্থা বৰ্ত্তমান নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—ফিচাৰী সমবায়বোৰে নিজ নিজ এলেকাত থকা চেণ্ট্ৰেল কোঃ অপাৰেটিভ বেংকৰ পৰা ধাৰ লোৱাৰ ব্যৱস্থা আছে।

**Presentation of the Supplementary Demands for grants and Supplementary Appropriation for** 1969-70 :

**Shri Dulal Chandra Barua** : Sir, you are kind enough to fix the date for taking up the Supplementary Demands for grants on the next Friday. That is a half day hence, we cannot do justice to this subject. So I would request you to take up the matter with the Business Advisory Committee to extend the House by another one day, if possible.

**Mr. Speaker** : I am calling the Business Advisory Committee meeting to-day. The item No.2 will be taken up after 11th August 1969.

**Shri Rothindra Nath Sen:** Mr. Speaker, Sir. If you feel that the extension of the Assembly beyond 16th will not be feasible, can you take one Saturday for this purpose ?

**Shri Giasuddin Ahmed** : Sir, unstarred question 7 b and c, I have not found anything on the table of the House.

**Mr. Speaker** : I have already stated about it.

Item No. 3 will be taken up on 5th August 1969 after the question hour.

**Shri Kamakhya Prasad Tripathi (Minister, Finance)** : I beg to present the list of Supplementary Demands for grants and Supplementary Appropriation for 1969-70. This is a small Supplementary Demand.

**Shri Dulal Chandra Barua**: That is not the point, Sir. We are concerned about the merits of the Supplementary Demands. That is why we want sufficient time for discussion.

**Shri Kamakhya Prasad Tripathi**: Principles are not dictated on Supplementary Demands.

**Mr. Speaker**: I would request the different Whips to supply the list of the speakers, so that we can give some time to Ministers. Therefore, I would request the Whips to meet me in my Chamber after 12-30 P M. to-day.

**Motion of No-confidence against the Council of Ministers headed by Shri Bimala Prasad Chaliha.**

***Shri Phani Bora:** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ বিৰুদ্ধে এই অনাস্থা প্ৰস্তাৱটো উৎথাপন কৰাৰ কাৰণ হ'ল যে, অসম চৰকাৰে অসমৰ জনসাধাৰণক, অসম ৰাজ্যক প্ৰৱঞ্চনা কৰিছে আৰু ৰাইজৰ প্ৰতি বিশ্বাসঘাটকতা কৰিছে। যি চৰকাৰ প্ৰৱঞ্চনাৰ অভিযোগত অভিযুক্ত, যি চৰকাৰ বিশ্বাস ঘাটকতাৰ অভিযোগত অভিযুক্ত সেই চৰকাৰৰ ক্ষমতাৰ গদীত থকা কোনো অধিকাৰ নাই। সেইকাৰণে অসমৰ জনসাধাৰণৰ তৰফৰ পৰা আমি এই অনাস্থা প্ৰস্তাৱ উৎথাপন কৰিছো।

এই অনাস্থা প্ৰস্তাৱৰ ভিতৰেদি কেইবাটাও বিষয় আলোচনা কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আপুনি জানে, গোটেই দেশে জানে যে, N. F. R. ৰ Divisional আঁচনিৰ উপলক্ষ্যত সমগ্ৰ দেশতে যোৱা কেইমাহ ধৰি, আৰু এই বিধান সভাৰ ভিতৰতো যোৱা বাজেট অধিবেশনৰ সময়ত এই বিষয়টোত অনেক কথাই আলোচনা হৈছে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সিদিনাখন এটা বিবৃতিৰ যোগেদি এই বিষয়টো পুনৰ উৎথাপন কৰিছে। তাৰ বাহিৰেও এই সদনতে যোৱা অধিবেশনত সৰ্ব্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ পাচ হৈছিল। সেই প্ৰস্তাৱটো আছিল দ্বিতীয় তেল শোধনাগাৰ প্ৰতিস্থা কৰাৰ সম্পৰ্কে। আৰু এই বিধান সভাৰে সৰ্ব্বসন্মতিক্ৰমে এটা প্ৰতিনিধি দল দিল্লীৰ মন্ত্ৰীসকলৰ ওচৰলৈ পঠাইছিল আৰু সেই প্ৰতিনিধি দলৰ তৰফৰ পৰা এই বিধান সভাৰ হৈ এখন স্মাৰক পত্ৰও দাখিল কৰা হৈছিল।

*Speech not corrected.

তাৰ বাহিৰেও এই অসম ৰাজ্যত দিনে দিনে বাঢ়ি অহা নিবনুৱা সমস্যা সমাধানৰ উদ্দেশ্যে অসমত শিল্প সম্প্ৰসাৰণৰ প্ৰশ্ন লৈ এই বিধানসভাতে বহুবাৰ আলোচনা হৈছে আৰু বিশেষকৈ আমাৰ নতুনকৈ হোৱা যিগৰাকী শিল্প বিভাগৰ মন্ত্ৰী, Industry Department ৰ মন্ত্ৰী তেখেতে বহুত বিবৃতিও দিছে আৰু অসমৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে, অসমীয়া ডেকা লৰাৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে বহুতো সংগ্ৰাম কৰাৰ প্ৰতিশ্ৰুতিও দিছে ।

অসম ৰাজ্যত প্ৰলয়ঙ্কাৰী বানপানীৰ কথা বেছি কৈ দোহাৰিব নোখোজো । বানপানীৰ ফলত অসমৰ পৰিস্থিতি আৰু মানুহৰ অৰ্থনৈতিক, সামাজিক জীৱনত যি ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছে তাক আমি দেখিছোহঁক আৰু অসম চৰকাৰৰ ব্যৰ্থতা তাত বাৰে বাৰে পৰিস্কাৰকৈ পৰিলক্ষিত হৈছে । এইদৰে কেৱল এইবোৰ বিষয়তে নহয় বিশেষকৈ প্ৰশাসনীয় যন্ত্ৰও এনেকৈ অচল হৈ পৰিছে যে তাৰ ফলত গোটেই অসম ৰাজ্য খনতে অচল অৱস্থা এটি আহিছে । প্ৰশাসনীয় যন্ত্ৰ নাই বুলি কলেও মিছা কোৱা নহয় । এই কথা কেৱল আমি বিৰোধী পক্ষৰ সদস্যয়ে অনুভৱ কৰা নহয়, অনুভৱ কৰিছে প্ৰতি মূহূৰ্ত্তে অসমৰ জনসাধাৰণে আৰু কংগ্ৰেছ দলেও । অনুভৱ কৰাৰ কাৰণেই কংগ্ৰেছ দলৰ ৩৩ জন বিধান সভাৰ সদস্যই এই প্ৰশাসন যন্ত্ৰৰ আমূলপৰিৱৰ্ত্তনৰ দাবী কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত দৰখাস্ত দিছিল । দৰখাস্তখন দাখিল কৰাৰ পাচত ভয়তে এই কেইজন সদস্যই মুখ্যমন্ত্ৰীৰ ওচৰত কন্দাকতাও কৰিছিল ।

কিন্তু এই কথা পৰিস্কাৰকৈ প্ৰমাণ হৈছে যে অসমৰ প্ৰশাসনীয় যন্ত্ৰটো একেবাৰে পঙ্গু হৈ পৰিছে তাত কোনো শাসন আছে বুলি ভাবিবলৈ অবান্তৰ হৈ পৰিছে । বৃটিছৰ দিনৰে পৰা যি প্ৰশাসন যন্ত্ৰ প্ৰতিষ্ঠা হৈছিল সিয়েই আজিও Automatically চলি আছে, প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি ইয়াৰ পৰিবৰ্ত্তন আৱশ্যক হৈ পৰিছে । এই প্ৰশাসনীয় যন্ত্ৰটো একেবাৰেই শূণ্য বুলি কলেও বেছি কোৱা নহয় ।

অধ্যক্ষ মহোদয়, আজি আমি সকলোবিলাক বিবেচনা কৰি এটা সিদ্ধান্তত উপনীত হৈছো বা অসমৰ জনসাধাৰণ এটা সিদ্ধান্তত উপনীত হৈছে যে এই কংগ্ৰেছ চৰকাৰ---চলিহাৰ নেতৃত্বৰ এই কংগ্ৰেছ চৰকাৰ--বেছি দিন গাদীত থাকিলে অসম আৰু বেছি দুৰ্যোগৰ ফালে আগ বাঢ়ি যাব । অসমৰ জনসাধাৰণক শেষ কৰি দিব আৰু অসমৰ জনসাধাৰণ সৰ্ব্বস্বান্ত হ'ব । অসমৰ জনসাধাৰণৰ মাজত যি ঐক্য সংহতিৰ মিলিমিল ভাব আছিল---ইংৰাজ চৰকাৰৰ চক্ৰান্তত যিখিনি গ'ল---এতিয়া সেইখিনিও যোৱা ২২ বছৰে কংগ্ৰেছৰ শাসনে মষিমূৰ কৰিব ধৰিছে । অসম চৰকাৰৰ ওপৰত জনসাধাৰণৰ তৰফৰ পৰা এয়ে অভিযোগ ।

অধ্যক্ষ মহোদয়, মই আজি এই অনাস্থা প্ৰস্তাৱত মূল এটা প্ৰশ্নৰ ওপৰত মোৰ বক্তব্য ডাঙি ধৰিছো । এই প্ৰশ্ন হৈছে ডিভিজনেল আঁচনি সম্পৰ্কে অসম ৰাজ্যত ফৰিদাবাদৰ সিদ্ধান্ত কাৰ্য্যকৰী কৰা বা নকৰা । যিটো প্ৰশ্ন উঠিছে এই সম্পৰ্কে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে সদনত এটা বিবৃতি দিছে । প্ৰশ্নটো হৈছে ফৰিদাবাদত বঙিয়াত এটা ডিভিজনেল Head-Quarters পতাৰ সিদ্ধান্ত লোৱা হৈছে বুলি কৈছে । এই সিদ্ধান্ত লোৱাত অসমৰ আন এটা অঞ্চলত এটা বিৰোধ মনোভাৱে দেখা দিছে । এই মনোভাৱ দেখা দিয়াৰ ক্ষেত্ৰত ফৰিদাবাদত যিসকলে আলোচনা কৰিছিল আৰু যিসকলে ফৰিদবাদৰ সিদ্ধান্ত কঢ়িয়াই আনিছিল তেখেত সকলক দোষী সাব্যস্ত কৰিব খুজিছো । অসমৰ প্ৰশাসনত অসমৰ জনসাধাৰণৰ এটা বিৰোধ ভাৱৰ সংঘটিত হৈছে আৰু ইয়াৰ গুৰিতে চৰকাৰে কিছুমান নীতি । N. F. Railway ত ৫ টা Division ৰ যি প্ৰস্তাৱ তাৰ ভিতৰত অসম অঞ্চলত অন্ততঃ পক্ষে ৩টা Division হৱ লাগে বুলি আমাৰ দাবী আছিল । এতিয়া আমাৰ বক্তব্য এয়ে যে Railway Divsisional Headquarters হৱ---এই Divisional Headquarters কেৱল বঙিয়াত হৱ লাগে বা বঙ্গাই গাৱতে হৱ লাগে এই কথা আমাৰ বক্তব্য নহয় কিন্তু অসমৰ নায্য দাবী ৩টা Divisional Head-Headquarters য়েই অসমৰ ভিতৰতে হৱ লাগিব, বঙিয়াত হলেও আপত্তি নাই,

বঙ্গাই গাৰত হলেও আপত্তি নাই। তাত ব্যক্তি-গত স্বাৰ্থ নাই। কিন্তু এই ক্ষেত্ৰত যাতে অসমৰ ভিতৰতে জনসাধাৰণৰ মাজত ভুল বুজা বুজি নহয় তাৰ বাবে স্পষ্ট জবাব পোৱা উচিত। এইখিনিতে আচৰিত কথা হ'ল পাৰ্লিয়ামেণ্টত Estimates Committee আৰু পাৰ্লিয়ামেণ্টৰ যি Public Accounts Committee তেওঁলোকে এই পৰামৰ্শ আগবঢ়াইছিল যে Diviosional আচনি কাৰ্য্যকৰী কৰিলে তাৰ জৰিয়তে আমাৰ ৰেলৰে বিভাগৰ কাম-কাজ নিয়াৰি কৈ পৰিচালনা কৰাত সুবিধা হয়। সেই কাৰণে ৰেলৰে Division আঁচনি কাৰ্য্যকৰী কৰা হৈছে। নানা ঠাইত ডিভিজনেল আঁচনি কাৰ্য্যকৰী কৰা হৈছিল কিন্তু অসমৰ ক্ষেত্ৰত হেয়জ্ঞান কৰি অহা হৈছে। N. F. Railway Division আঁচনি প্ৰস্তুত কৰোতে অসমত মাত্ৰ এটা Headquarters লামডিঙত পৰিছিল, বাকী আটাই কেইটা অসমৰ বাহিৰত পৰিছিল। কিন্তু অসমৰ নায্য দাবী আছিল যিহেতু N. F. Railway লাইনটো দীঘল আৰু প্ৰায় ⅔ ভাগ অসমতে তেনে অৱস্থাত অসমত অতি কমেও ৩টা Divisional Headquarters হব লাগে। আৰু এইটোৰ কাৰণে ৰেলৰে ডিভিজন বিৰোধী কৰ্ম্ম পৰিষদৰ লগত বাম পন্থী দল সকলে আন্দোলন কৰিবলৈ বাধ্য হৈছিল। আৰু এই আন্দোলনৰ পৰিপ্ৰেক্ষিততে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যোৱা অধিবেশনত যি বিবৃত্তি দিছিল সি ভুৱা বিবৃতি।

মোৰ বক্তব্য হৈছে, আমাৰ অসম ৰাইজক চলিহা ডাঙৰীয়াই, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই, ৰাজহ মন্ত্ৰী ডাঙৰীয়াই, Tribal বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই, এই সকলো মন্ত্ৰী মহোদয়ে আমাৰ অসমৰ ৰাইজক ভুৱা দিছে আৰু প্ৰৱঞ্চনা কৰিছে। বিশেষকৈ মই মুখ্য মন্ত্ৰী চলিহা ডাঙৰীয়াৰ ওপৰত প্ৰত্যক্ষ ভাৱে আৰু সচৰাচৰ ভাৱে এই অভিযোগ আনিব বিচাৰিছো। তেখেতে আমাৰ অসমীয়া জাতি আৰু অসমৰ জনসাধাৰণক প্ৰত্যক্ষ ভাৱে প্ৰৱঞ্চনা কৰে। আৰু সেই কাৰণেই আজি অসমীয়া জনসাধাৰণৰ তেখেতৰ ওপৰত আস্থা নাই আৰু অনাস্থা প্ৰকাশ কৰিবলৈ বদ্ধমূল হৈছে।

অধ্যক্ষ মহোদয়, চলিহা ডাঙৰীয়াই সেই দিনা বিবৃত্তি দিছে। মই আগৰ কথা কওঁ, মই জানো কেন্দ্ৰীয় চৰকাৰক যদি অসম ৰাইজে আন্দোলন কৰি বুজাই নিদিয়ে যে ইয়াত কিছুমান মানুহ আছে, তেনেহলে কেন্দ্ৰীয় চৰকাৰে মানুহ আছে বুলি নাভাবে। তেওঁলোকে ভাৱে যে ইয়াত জমিদাৰ সকলৰ প্ৰজাসকল আছে আৰু তেওঁলোকক প্ৰজা বুলিয়েই ব্যৱহাৰ কৰে। আমি সেইটো জানো। সেই কাৰণে আমি তেওঁলোকক দাবী জনাইছিলো যে Divisional আঁচনি মতে যি দাবী জনাইছো সেই দাবী যদি কাৰ্য্যকৰী কৰা নহয়—আমি অসম বন্ধ কৰিম, আন্দোলন কৰিম, আমাৰ যে সাহস আছে আমাৰ আমি যে নাৰ্য্য দাবী আছে, আমি যুজ কৰি জনাই দিম। সেই সময়ত আমাৰ কংগ্ৰেছ নেতৃত্যৰ নেতা দলে হঠাৎ জানিবলৈ দিলে যে ২৭ তাৰিখে যি ফৰিদাবাদত এটা সিদ্ধান্ত হৈছে, সেই সিদ্ধান্তৰ মতে অসমত তিনিটা Division হব আৰু আপোনালোকে আন্দোলন নকৰিলেও হব। সেই সিদ্ধান্ত প্ৰথমে আমাক জনোৱা হৈছে এটা গৱৰ্ণমেণ্টৰ Press Note ৰ জৰিয়তে :

Goverment Press Note. Having understood that the Railway Ministry decided to implement the Divisional Scheme of the N. F. Railway as earlier notified with effect from 1st May 1969, the Government of Assam has immediately taken up the matter with the Central Government and requested them to defer implementation of this scheme till the issues involved are discussed with the State Government. After this communication from the Government, the Government of Assam was received by the Government of India on 26th April 1969. The Finance Minister of Assam, Shri K. P. Tripathi and the President of A. P. C. C., Shri B. C. Bhagawati, had a discussion with the Union Railway Minister, Dr. Ram Subhag Singh and Union Minister for Industrial Development and Company Affairs, Shri F. A. Ahmed on 27th April 1969 at Faridabad where they were present in connection with the A. I. C. C. Session. As a result of the discussion, the Govern-

ment of India have taken the following particular decisions:—

(1) There will be a full-fledged division at Rangiya.

(2) Lumding will be upgraded to a full-fledged division.

(3) Tinsukia will be upgraded to transportation division immediately and finally to a full-fledged division.

(4) In the matter of appointments to be made by the Divisional offices preference will be given to the local people.

(5) No workers will be transferred from Assam outside the State while implementing the divisional scheme.

(6) The details of the scheme will be further discussed, if necessary.

The Prime Minister has been pleased to endorse the above decisions. *Please note, Sir, that the Prime Minister has been pleased to endorse the above decisions.*

As the State Goverment's stand point has been substantially met the Government feel that there is no cause for any agitational move at this stage.

*Sir, under Point No.6 in the Assam Government Press Note it has been state that the 'Prime Minister has been pleased to endorse the above decisions.'*

আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে সেই দিনা বিবৃত্তি দিছে আৰু সেই বিবৃত্তিত ৰামচুভাগ সিঙে সেই সিদ্ধান্তত সন্নিবিষ্ট কৰি কৈছে........

There will be a full-fledged division at Rangiya.

এতিয়া পাইছো, কিন্তু তেতিয়া নাছিল। তেতিয়া ৬ নম্বৰ লাইনত আছিল কিন্তু সেই লাইন এতিয়া নাই। ইয়াত আছে The scheme will be implemented as soon as possible.

ইয়াত বিশ্বাস হৈছে যে, 6. The details of the scheme will be further discussed if necessary.

এইটো ইয়াৰ পৰা এনেকুৱা কেনেকৈ হ'ল ? হয় আগতে ফাঁকি দিছে। ইয়াৰ কাৰণ আমাৰ বিদ্ৰোহৰ ওপৰত পানী ঢলা। ইয়াৰ কাৰণ হৈছে আমাক প্ৰৱঞ্চনা কৰা। আমাৰ বিশ্বাস নোহোৱাৰ কাৰণ The Prime Minister is kind enough to endorse these decisions.

এই কথাটো মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে কেতিয়াও আমি হতাশ হব নালাগে। হতাশ আমি নোহোৱাকৈ কোনো সিদ্ধান্ত নহয়। আমি জানো, কেন্দ্ৰীয় গৱৰ্ণমেণ্টে বা ৰামচুভাগ সিঙে গোটেই অসমৰ ন্যাৰ্য্য দাবি মানি লবলৈ প্ৰস্তুত নহয়। সেইটো জানো গতিকে হতাশ হোৱাটো প্ৰশ্ন নহয় কিন্তু প্ৰৱঞ্চনা কৰি চেষ্টা কৰাটো আমাৰ কাৰণে অত্যন্ত objectionable সেই কাৰণে আমি প্ৰতিবাদ নকৰি নোৱাৰো। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে অসমে কেন্দ্ৰীয় গৱৰ্ণমেণ্টৰ তৰফৰ পৰা আমাৰ অসমৰ ৰাইজক প্ৰৱঞ্চনা কৰিছে। আৰু কেন্দ্ৰীয় গৱৰ্ণমেণ্টৰ মন্ত্ৰী শ্ৰীৰামচুভাগ সিঙে যদি প্ৰৱঞ্চনা কৰিছে তেনেহলে, In view of this controversy with the Railway Minister the matter has to be taken up with the Prime Minister.

তেওঁলোকে বুকু দাঠ কৰি মুৰ দাঙি ঠিয় হব লাগিছিল। কিন্তু সেইটো নহৈ Controversy হৈছে। বাৰে বাৰে আমি দেখিছো Chief Minister এ Telegram। কৰিছিল তেখেতে কৈছিল.....
...............

Union Railway Minister has informed me over the 'phone' today tha setting up of Divisional Headquartert at Rangiya is final. This will involve

requisition of about 400 acres of land and an expenditure of about a crore of rupees and this implementation will take some time.

এইটো হৈছে শ্ৰীচলিহা ডাঙৰীয়াৰ Telegram ৰ কপি । কিন্তু শ্ৰীৰাম-স্বভাগ সিংহই কি কৈছে ? তেখেতে কৈছে যে সেইটো কথা তেখেতে কোৱা নাছিল । তেখেতে কৈছিল—You will no doubt recall that while discussing this subject with you over 'Phone on the 23rd June 69 I had stated clearly that a Division will be created at Rangiya as soon as the traffic position justifies it.'

এই Telegram শ্ৰীৰামস্বভাগ সিংহৰ কথাৰ লগত আকাশ আৰু পাতালৰ সমান তফাৎ । আমাক এতিয়া যে as soon as possible বুলি কোৱা হৈছে সেইটো কেনেকৈ আহিল ? এইদৰে সব লগ লাগি এটা বেমেজালি সৃষ্টি কৰিছে । আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে এইটো এটা Controversy কিন্তু আমি যি দেখিবলৈ পাইছো তাৰ পৰা এইটো পৰিস্কাৰ যে হয় মুখ্য মন্ত্ৰীয়ে আমাক ফাঁকি দিছে, নহয় শ্ৰীৰামস্বভাগ সিংহই তেখেতক ফাঁকি দিছে । কিন্তু আমাৰ প্ৰশ্ন হৈছে এইটো যে যদি শ্ৰীৰাম স্বভাগ সিংহই এইটো কথা কোৱা নাছিল, তেন্তে মুখ্য মন্ত্ৰী মহোদয়ে এইদৰে আমাক কোৱাৰ কি অধিকাৰ আছে ? ছাৰ, ইয়াৰ দ্বাৰা এটা কথা প্ৰমাণিত হৈছে যে এই কংগ্ৰেছ চৰকাৰ আৰু এই অসমৰ কংগ্ৰেছ মন্ত্ৰী সভাৰ বল নাই । দিল্লীৰ পৰা ধমক দিলেই তেওঁলোকৰ বুকু চপচপাই উঠে, আঠু কপিবলৈ ধৰে ।

আৰু এটা কথা । যি কেইজন মন্ত্ৰী ফৰিদা-বাদলৈ গৈছিল আৰু যি মিটিঙত ৰেলৰে মন্ত্ৰী আৰু Prime Minister আছিল, আৰু সেই মিটিঙত যি সিদ্ধান্ত হৈছিল, তাৰ যি নিৰ্দৰ্শন আছে সেইটো সদনত ডাঙি ধৰক । Telegram এই হওঁক বা wireless হওঁক যি আছে সেইটো সদনত উৎথাপন কৰিব লাগে । যদি কিবা Telegram কৰিছিল, তেন্তে সেই Telegram কোনে কৰিছিল ? Telegram ত as soon as possible কথাষাৰ নাছিল, পিচত সেই কথা-ষাৰৰ অৱতাৰণা কৰি অসমৰ ৰাইজক ভূ দিছে । এই কথাষাৰ শ্ৰীত্ৰিপাঠী ডাঙৰীয়াই পিচত যোগ কৰি দিছে ।

**Shri Kamakhya Prasad Tripathi** : এইটো একেবাৰে মিছা । এইটো Faridabad Decission ত আছে ।

**Sbri Phani Bora** : যদি শ্ৰীত্ৰিপাঠীৰ কথাটো সত্য হয়, তেতিয়াহলে তেখেত আৰু তেখেতৰ চৰকাৰে ২৭-৪-৬৯ তাৰিখৰ প্ৰেছ নোটত কথাটো নুই কৰিলে কিয় ? এইটো অসমৰ ৰাইজক প্ৰৱঞ্চনা কৰি কৈছে—আৰু তাৰ বাহিৰে এইটো কথা একো হব নোৱাৰে । শ্ৰীৰামস্বভাগ সিংহই Parliament ত যোৱা বাজেটৰ বিধান সভাত তিনি চাৰি বাৰ উত্তৰ দিয়ে আৰু এইটো কথা উল্লেখ কৰি আছে যে as soon as possible traffic position justify কৰে— প্ৰথমতে হৈছে Final তাৰ পাছত as soon as possible এই কথাৰ দ্বাৰা ৰাইজক ভুৱা দিছে । আচল কথা হৈছে ইয়াৰ ভিতৰত এটা ষড়যন্ত্ৰ আছে । অসমৰ ৰাইজক ঠগাৰ এটা ষড়যন্ত্ৰ আছে । সেই কাৰণে জনসাধাৰণে এই চৰকাৰৰ ওপৰত সম্পূৰ্ণৰূপে আস্থা হেৰুৱাইছে ।

২য় তেল শোধনাগাৰৰ প্ৰতিষ্ঠাৰ কাৰণে আমি সৰ্ব্বসন্মতি ক্ৰমে এটা প্ৰস্তাৱ পাছ কৰিছিলোঁ আৰু সেই প্ৰস্তাৱত আমাৰ মন্ত্ৰী সভাৰ সন্মতি আছিল আৰু সেই প্ৰস্তাৱত উদ্যোগ মন্ত্ৰীৰও পূৰ্ণ সমৰ্থন দিছিল । যি নহওক তেল শোধনাগাৰ যে অসমত হব পাৰে সেই বিষয়ে সকলো ফালৰ পৰা অসমৰ তেল সম্পদলৈ অসমত আৰু এটা তেল শোধনাগাৰ হোৱাটো সম্পূৰ্ণ justified আৰু সকলো Principle বিবেচনা কৰিলেও অসমত তেল শোধনাগাৰ হোৱা সম্পূৰ্ণ যুক্তিসঙ্গত আমি যেতিয়া বিধান সভাৰ সন্মুখত অনশনা ধৰ্ম্মঘট পালন কৰিছিলোঁ আৰু যি এটা Adjournment Motion দিছিলোঁ তাৰ দ্বাৰা বিষয়টোৰ গুৰুত্ব বুজোৱা হৈছিল । কিন্তু সেই সময়ত দিল্লীৰ পৰা কোৱা হ'ল যে এই বিষয়ত তদন্ত কৰিবলৈ এটা expert

কমিটি গঠন কৰা হৈছে। তেতিয়া আমাৰ বিধান সভাত প্ৰকাশ কৰা হৈছিল যে

The Ministry of Petroleum and Chemicals announced the same day a decision to set up a Committee of experts to examine the feasibility of establishing additional refining capacity in Assam. Taking into account the views and feelings expressed in the State Assembly on 24th March '69 the State Government made their position clear to the Ministry in that respect vis-a-vis their announcement. It has been emphasised that the Government of India had studied this question for years and it was also examined in great detail by the State Government. It should be possible for the Government of India to come to a definite conclusion on this demand on the basis of studies already carried out. There was really no necessity for setting up any more Committee to make recommendations thereon. It has also been made clear that the Committee's work would be infructuous so long as some important policy questions raised in the State Government study are not taken up by the Government of India for decision.

ছাৰ, এই Expert Committee য়ে আমাৰ বিধান সভাৰ প্ৰস্তাৱৰ ওপৰত কোনো গুৰুত্বই দিয়া নাই। এই Expert Committee ৰ দ্বাৰা কিবা হ'ব বুলি আশা কৰিব নোৱাৰি। মই এই কথা বাৰে বাৰে মন্ত্ৰী সকলক পিচত হকিয়াই দিছিলোঁ যে এটা High level policy লব লাগে তাকে নকৰিলে আমাৰ কোনো এটা case কে কেন্দ্ৰীয় চৰকাৰে মানি নলয়।

ছাৰ, Pricing policy ৰ লগত Market pricing policy ৰ সম্পৰ্ক আছে। সেই কাৰণে তেল সম্ৰাট বিলাকৰ Agent হিচাবে চলাই থাকিবলৈ দিলে কোনো Policy সেই কামত নাহিব। গতিকে আমি কোনো Reasoning মনা নাই বুলি কলে সত্যৰ অপলাপ হব। কাৰণ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বাবে যি তিনি মাহ সময় বিচাৰিছিল সেই তিনি মাহত আমি কোনো আন্দোলন কৰা নাছিলোঁ। এবং শান্তিপূৰ্ণ ভাবে আমি অপেক্ষা কৰিছিলোঁ। কিন্তু এতিয়া এই তিনি মাহ শেষ হোৱাৰ পিচত আমি কি পালোঁ? তেল মন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীয়ে আমাক যি কৈছিল? অৱশ্যে শ্ৰীমোৰাৰজী দেশাইৰ কথা মই নকওঁ। কাৰণ তেখেতে মোৰ লগত দিল্লীত কমিউনিজিমৰ বিষয়েহে আলোচনা কৰিছিল আৰু আমাৰ শোধনাগাৰৰ বিষয়ে বিশেষ আলোচনা কৰা নাছিল। তাৰ পৰা এতিয়া আমি কি পাইছোঁ সকলোৱে দেখিছে।

Prime Minister আৰু তেল মন্ত্ৰীয়ে যি কথা কলে তাৰ পৰা বুজিব পাৰিলোঁ যে, Expert কমিটিখন বদলি কৰিব খুজিছে আৰু এই কমিটিত কেইজনমান বিশিষ্ট সভ্যক লব খুজিছে।

তাৰ পিচত দেখিলো ৩ মাহ সময় দিয়াৰ পিছতো Expert Committee য়ে আৰু ২ মাহ সময় বঢ়াই ললে। মই কবলৈ বাধ্য হৈছো যে তেল শোধনাগাৰ নিদিবলৈ কেন্দ্ৰীয় চৰকাৰে যথেষ্ট চেষ্টা কৰিছে, মই তেল মন্ত্ৰী মহোদয়ক আৰু প্ৰধান মন্ত্ৰীক কৈছিলো যে তেল শোধনাগাৰ আমাৰ আৱশ্যক। মোৰাৰজী দেচাইৰ কথা মই নকওঁ। আমাৰ লগত তেল সম্পৰ্কে কোনো কথা পাতিব নোখোজে। তেখেতে মোৰ লগত কেৱল কমিউনিজিমৰ কথা পাতিলে।

অসমত তেল শোধনাগাৰৰ কাৰণে এটা বিৰাট ষড়যন্ত্ৰ আছে। ইয়াৰ মূলতে আছে কেন্দ্ৰৰ কিছুমান প্ৰতিক্ৰিয়াশীল শক্তি আৰু সাম্ৰাজ্যবাদী দালাল কিছুমান। যেতিয়ালৈকে Agitation নাই তেতিয়ালৈকে তেল শোধনাগাৰ দিয়াৰ কোনো প্ৰশ্নই উঠা নাই।

অসমৰ নাকুৰাত ১৫০ Metric Ton তেল পোৱা যায়। ৰুদ্ৰসাগৰত ইমান তেল, আকৌ অমুকত ইমান তেল, এইদৰেই ভাৰত চৰকাৰে ঢোল কোবাই শুনালে কিন্তু যেতিয়াই তেল শোধনাগাৰ লাগে বুলি আন্দোলন কৰিলে তেতিয়াই অসমৰ তেলৰ নলী seal কৰি দিলে। তেল নোলায় আৰু তেল নোলাল—ইটো সিটো কৰি বহুত অজুহাত দেখৱালে যাতে এই দাবী মানি লবলৈ বাধ্য কৰাব নোৱাৰে। সেই কাৰণেই তেওঁলোকে পৰিকল্পনা কৰিলে। এই ষড়যন্ত্ৰৰ পৰি

প্ৰেক্ষিতত আমাৰ মনবিলাক কোচ খাইছে শিল্পায়ন ক্ষেত্ৰত। উদ্যোগ মন্ত্ৰীয়ে জনাইছে বোলে--এই কৰি লম সেই কৰি লম নহলে দেখা যাব ইত্যাদি। আমাৰ লৰা-ছোৱালী বিলাকে ভাবিছে এই ডেকামন্ত্ৰী গৰাকীয়ে এইবাৰ আমাৰ শিল্পায়নৰ ক্ষেত্ৰত কিবা এটা আৱিস্কাৰ কৰিব। কিন্তু কি হ'ল--ফুটকাৰ ফেনটো। কেৱল উদ্যোগ মন্ত্ৰীয়ে এইটো প্ৰতিবাদ কৰিছে যে কিয় ২ মাহ Expert Committee য়ে সময় পিছুৱালে যে এতিয়াই দিব নোৱাৰিলে। কেৱল সেয়েই নহয় যে অসমৰ তেল অৰ্থাৎ অসমৰ crude oil নিব খোজে কিন্তু sale-tax পাব বিহাৰে; কিন্তু আমি হলে বিহাৰৰ কোনো বস্তু অনা নাই আৰু বিহাৰৰ বস্তুৰ ওপৰত sale-tax দিচবা নাই অৰ্থাৎ আমাৰ কোনো সম্পৰ্ক নাই। কিন্তু আজি কেন্দ্ৰীয় চৰকাৰে অসমৰ crude আৰু petrol ৰ প্ৰাপ্য Royalty আৰু ন্যাৰ্য্য দাবী পূৰণ কৰাত ব্যৰ্থ হৈছে।

এইদৰে অসমক আজি বঞ্চিত কৰিছে আৰু অসমৰ স্বাৰ্থত কুঠাৰাঘাত কৰিছে। গুজৰাটত Petro-chemical complex স্থাপন কৰোতে তাত সকলো ধৰণৰ সুবিধা দৈ পাতিব খোজে কিন্তু অসমৰ শিল্পায়নৰ ক্ষেত্ৰত নানান ধৰণৰ লেঠা আহি পৰে। অসমত Petro-chemical complex ত আঠা কৰিব খোজে অৰ্থাৎ গমৰ জৰিয়তে অসমক শিল্পায়ন কৰিব খোজে। কিন্তু এই গমৰ শিল্প কৰিলে কি যে হব আমি কব নোৱাৰো।

(Voice: এই গমৰে মানুহৰ মুখ বন্ধ কৰিব)

এতিয়া আকৌ সাগৰৰ পাৰে পাৰে অৰ্থাৎ Coastal Region ৰ পৰিকল্পনা কৰিছে; তাৰ মানে সাগৰৰ পাৰতহে এই ধৰণৰ তেল শোধনাগাৰ স্থাপন কৰাৰ কথা ভাবিছে। তেনে অৱস্থাত অসমৰ যে কি অৱস্থা হব ভাবিব নোৱাৰি। অসমৰ তেল ১৫০ টন নহৈ যদি ৫০০ Metric ton ও হয় তথাপিও অসমৰ Case কেতিয়াও বিচাৰ নহব অসমৰ এপইচাও ইয়াত না-থাকিব। কাৰণ এই Crude oil আমাৰ অসমৰ পৰা Pipe ৰ মাধ্যমেৰে বা Aeroplane ৰে Coast-line লৈ লৈ যাব। যদি এইটোৱেই হয়, অসমত কোনো কালেই তেল শোধনাগাৰ পতাৰ প্ৰশ্ন নুঠিব। কাৰণ যিবিলাক পিছপৰা ঠাইত অৰ্থাৎ যিবিলাক ঠাইৰ Coast ৰ লগত বেচি যোগাযোগ নাই যেনে অসমত কেতিয়াও নহব। এইবিলাক Policy ৰ কথা, এইবিলাক Experts ৰ কথা নহয়। কাজেই এনেকুৱা অৱস্থাত ভাৰত চৰকাৰৰ প্ৰতিকূল পৰিস্থিতিত অসমৰ ন্যায্য দাবী আৰু অসমৰ স্বাৰ্থ ৰক্ষা নহব। অসমৰ কেচা মালৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ কাৰ্য্যকলাপ আৰু মনোভাৱ আৰু এই বিৰোধ Policy ৰ দ্বাৰা অসমৰ জনসাধাৰণৰ ন্যাৰ্য্য দাবী কেতিয়াও পূৰণ হব নোৱাৰে। এনেকুৱা এটা চৰকাৰৰ দ্বাৰা অসমৰ স্বাৰ্থ কেতিয়াও পূৰণ হব নোৱাৰে, সেইকাৰণে অসমত তেল শোধানাগাৰ প্ৰতিস্থা কৰিবলৈ হলে এই চৰকাৰ যাব লাগিব। যদি অসমত Oil Refinery, Petro-chemical complex কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, Rail Extension দাবী কৰিছে যে যোগীঘোপাৰ পৰা বঙ্গাইগাৱলৈ Broad gauge rail line আনিব লাগে আৰু যোগীঘোপাৰ পৰা দক্ষিণ পাৰেদি দলং দি গুৱাহাটীলৈ Broad gauge সম্প্ৰসাৰণ হব লাগে। ই জন সাধাৰণৰ দাবী।

বানপানী হওঁতে নলবাৰীৰ ৰাস্তাটো বন্ধ হ'ল, বিকল্প ৰেল পথটো যদি হ'লহেঁতেন তেতিয়াহলে এই অসুবিধা দূৰ কৰিব পৰা হ'লহেঁতেন। কিন্তু চৰকাৰে এই বিকল্প ৰেল পথৰ কথা চিন্তা কৰা নাই---এনেয়ে ঘূৰাঘূৰি কৰি আছে। এই বিকল্প ৰেল পথটোৰ বাবে আমাৰ জনসাধাৰণে সদায় দাবী কৰি আহিছে।

মই ৰেল মন্ত্ৰীলৈ লিখিছিলো, অসমৰ উদ্যোগ উন্নয়নৰ দাবী জনাই, তেখেতে তেতিয়া জনাইছে যে এই কথাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু এই সংক্ৰান্তত Data collection কৰিবৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ক ভাৰ দিয়া হৈছে আৰু তেওঁলোকৰ পৰা Report

গোৱাৰ পিচত হে এই কথাটো বিবেচনা কৰা হব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাৰ্টিয়ে data collection কৰিলে কিন্তু সেই Report টো এতিয়ালৈকে দাখিল কৰা নাই আৰু Report দাখিল কৰাৰ কাৰণে কোনো তৎপৰতাৰে ব্যৱস্থা অৱলম্বন কৰা নাই। যোগীঘোপাৰ পৰা Broad gauge ৰেল লাইনৰ ⁄কথা আমাৰ চৰকাৰে ভৱাই নাই। কানি খাই বিছনাত শুই শুই পৰিকল্পনা কৰিলে কি হব ?

এই চৰকাৰে মৰ্য্যদা ৰক্ষা কৰিবলৈ গৈ শাসনৰ গাদীত বহি থাকিলে দেশ ৰসাতলে যাব। তেওঁলোকে এনে অৱস্থাত নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ কেনেকৈ দেশৰ স্বাৰ্থ আৰু জনসাধাৰণৰ স্বাৰ্থ পূৰণ কৰিব পাৰিব ?

আমাৰ Gauhati University ৰ যিটো পাৰ্টিক Facts collection কৰিবলৈ দিছিল আজিলৈকে সেই পাৰ্টিয়ে অনুসন্ধান কৰি Report দাখিল নকৰাৰ কাৰণেই ভাৰত চৰকাৰে সেই আঁচনি লব পৰা নাই। এইটো বৰ দুখৰ কথা, বৰ লজ্জাৰ কথা কাৰণ এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিষয়টো তেওঁলোকে অৱহেলা কৰিছে।

এনেকুৱা এটা গুৰুত্বপূণ অৱস্থাত নলবাৰীত বানপানী হৈ যোৱাৰ ফলতে ৰাস্তা বন্ধ হৈ গ'ল। অসম ভাৰতৰ এটা বিশেষ দিশত অৱস্থিত। ভৌগলিক কোণৰ পৰাও এই অৱস্থিতি অতি গুৰুত্বপৰ্ণ। এনেকুৱা এখন ৰাজ্যত অলপতে হৈ যোৱা বানপানীৰ ফলত ৰেল লাইন বন্ধ হৈ পৰিল। এনেকুৱা এটা অৱস্থাৰ ফলত এটা alternative ব্যৱস্থাৰ কথাই উঠে আৰু এই alternative ব্যৱস্থা যোগীঘোপাই হব লাগিব। মাননীয় কংগ্ৰেছী সদস্য শ্ৰীপ্ৰভাত নাৰায়ণ চোধৰীদেৱে এটা প্ৰশ্ন উৎথাপন কৰিছে। এই সংক্ৰান্ততে এইটো মই কব খুজিছো যি সময়ত নলবাৰীত বানপানী হ'ল সেই সময়তে হোৱাহোৱে State Transport গাড়ীৰে গোৱালপাৰাইদি ব্ৰহ্মপত্ৰ পাৰ কৰি বঙ্গাইগাৱেদি মানুহ বাহিৰলৈ পঠাব লগা হৈছিল। এইদৰে সকলো ঠাইতে যেনে শিলঘাট আদিকে আৰম্ভ কৰি, সকলোতে যাতায়াতৰ এনেকুৱা সুবিধা হব। কিন্তু প্ৰধান কথা হ'ল এতিয়া আমাক ৰেল লাইনৰ এটাইতকৈ প্ৰয়োজন হৈছে যোগীঘোপাইদিহে। অকল এইটো গোৱালপাৰাৰ উন্নতি সাধনৰ কাৰণেই নহয়, গোটেই অসমৰ ৰাজনৈতিক উন্নতি সাধন তথা সামাজিক, অৰ্থনৈতিক, ইত্যাদি সকলো দৃষ্টিকোণৰ পৰাই ইয়াৰ প্ৰয়োজনীয়তা অপৰিহায্য। ইয়াত কোনো সন্দেহ থাকিব নোৱাৰে কিন্তু তাৰ ওপৰত কোনো গুৰুত্বই নাই। এটা কাম দি বহি আছে। কোনো কানষাৰেই নাই আৰু এইটো কি "criminal negligence of duty" নহয় ?

এতিয়া অলপ বানপানীৰ কথা কওঁ। অসমৰ বানপানী। মই অসমৰ বাহিৰলৈ গলে বাহিৰৰ মানহে মাত্ৰ দটা প্ৰশ্নই কৰা দেখা যায়;—"অসমৰ বানপানীৰ খবৰ কি ? আৰু অসমৰ নগা সমস্যা কেনে আছে ?" এই বিলাক মূল প্ৰশ্নকে কেন্দ্ৰ কৰি সোধে; ডিব্ৰুগড় থাকিবনে নেথাকে ? সেইদৰেই আকৌ সোধে; পৃথিবীৰ আটাইতকৈ ডাঙৰ Riverisland টো এতিয়াও আছেনে নাই ? মানে ভাৰতৰ বাহিৰৰ মানহে অসমখন কেৱল বানপানী বলিয়েই ভাৱে। কিন্তু এই বানপানী নিয়ন্ত্ৰণৰ কাৰণে বান পীড়িত জনসাধাৰণক Relief দিয়াৰ কাৰণে অসম চৰকাৰে কি ব্যৱস্থা কৰিছে ? অধ্যক্ষ মহোদয়, সিদিনা সংসদী Comrade Shri Dhireswar Kalita ই Parliament ত এটা প্ৰশ্ন কৰিছিল বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী শ্ৰীকে, এল, ৰাওক। তাৰ উত্তৰতা তেখেতে কলে যে অসম চৰকাৰৰ পৰা কোনো দাবীয়েই পোৱা নাই। কোনে খা-খবৰ নাই। সম্পৃতি অসমৰ কেইখনমান জিলাত ঘটি থকা প্ৰবল বানপানীৰ কথা জুন মাহৰ তৃতীয় সপ্তাহলৈকে, জুলাই মাহ শেষ হোৱা পয্যন্ত কেন্দ্ৰই খবৰ পাইছে মাত্ৰ এজন মানহ বনপানীত মৰিছে বুলি। তাৰ পিছত এই বান প্ৰপাড়িত মানুহক কোনো সাহায্য দিয়া হবনে নহয়, বান প্ৰপীড়িত সকলক কোনো বিশেষ

ধৰণৰ সাহাৰ্য্য দিয়া হবনে সহয় বুলি তেখেতত সোধাত Rao এ কলে যে তেনেকুৱা কোনো অৱস্থাৰ খবৰ অসম চৰকাৰৰ পৰা অহা নাই। এইটো অতি পৰিতাপৰ কথা। যোৰহাট, কামৰূপ, নগাওঁ, দৰং, শিৱসাগৰ, উত্তৰ লক্ষীমপুৰ আদি ভৈয়ামৰ প্ৰায় কেইখন জিলাৰ ৰাইজেই পানীত উপঙি ফুৰিছে, গৰু-মহ মৰি শেষ হৈ গৈছে, মানুহে খাবলৈ নাপাই হাঁহাকাৰৰ সৃষ্টি হৈছে—আৰু ইতি মধ্যে "Hindustan Standard ৰ Report এটা মতে প্ৰায় ৩২ জন মানুহ অসমৰ বানপানীত মৰিছে বলি খবৰ পৰিবেশন হোৱা স্বত্বেও আমাৰ ইয়াৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ কোনো খবৰেই নেযায়। অসমৰ প্ৰতিনিধিয়ে প্ৰপীড়িত সকলৰ সাহায্যৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ আবেদন কৰিলে, সহায় খুজিলে তেওঁলোক অৰ্থাৎ অসমৰ প্ৰতিনিধি সকলে এনেকুৱা ধৰণৰ নৈৰাশ্যজনক প্ৰশ্নৰহে সন্মুখীন হব লগা হয়, অসম চৰকাৰে আমালৈ এই ধৰণৰ কোনো প্ৰস্তাৱ পঠোৱা নাই।

**Shri Mahendra Mohan Choudhry [Minister, P. W. D. (F.C.&I.W.)]**: অসমৰ বানপানীত সাহাৰ্য্য দিয়াৰ সম্পৰ্ক কিছুমান নিয়ম আছে। এই নিয়ম মতে যদি কোনো ঠাইত বানপানী হয়, আৰু কোনো এলেকা যদি বিধ্বস্ত কৰে তেনেহলে তাত যি পৰিমাণে সাহায্য দিব লাগে বা মথাউৰি আদি মেৰামতি কৰিবৰ কাৰণে যিমান যি য'ত কৰিব লাগে সেইখিনি টকা অসম চৰকাৰে খৰছ কৰিব লাগে আৰু অসম চৰকাৰে খৰচ কৰাৰ পিছত তাৰ দাবী কেন্দ্ৰীয় চৰকাৰলৈ পঠাব লাগে। এই খৰচ কৰা টকা Reimbursement ৰ কাৰণে। তেনেকুৱা দাবী যেতিয়া কেন্দ্ৰীয় চৰকাৰে পায় তেতিয়া কেন্দ্ৰীয় চৰকাৰে এটা Study Team পঠাই দিয়ে—এইটোৰ পুঙখানুপুঙ্খ বিশ্লেষণৰ কাৰণে। তদন্ত কৰাৰ পিছত ঘটনা ন্যায়সঙ্গত প্ৰতিপন্ন হলেহে যি টকা খৰচ হৈছে তাৰ মঞ্জুৰী আহে। গতিকে এতিয়া অসম চৰকাৰৰ পৰা সাহাৰ্য্যৰ কাৰণে কোনো দাবী কেন্দ্ৰীয় চৰকাৰক নিদি বানপানী নিয়ন্ত্ৰণৰ কাৰণে, বান বিধ্বস্ত লোকৰ সাহায্যাৰ্থে, ৰাস্তা-ঘাট নিৰ্ম্মাণৰ কাৰণে, দলং আদি মেৰামতিৰ কাৰণে গোটেইখিনি টকা অসম চৰকাৰে খৰচ কৰিব আৰু পিছত এই টকাৰ কেন্দ্ৰীয় চৰকাৰে Reimbursement দিব।

**Shri Phani Bora** : চাৰ, তেখেতৰ কথাখিনি মই শুনিলো। তেখেৰত এই-কথা এনেকৈয়ে চলি আছে—মই জানো। ১৯৬৭ চনতে বানপানী হৈ শেষ হৈ যাব, অথচ তাৰ scheme কৰি পঠাওঁতে পঠাওঁতে ১৯৬৯ চন পালেগৈ। Comrade Shri Dhireswar Kalita ই Shri K. L. Rao ক প্ৰশ্ন কৰিছিল-''What about my second qnestion ? Whether 10 crores of rupees should be given as immediate relief ?" তেতিয়া K. L. Rao এ কৈছিল—"About relief? I would submit that the Government of India has not yet received the figure. They have not yet applied for it." Mr. Deputy Speaker of Lok Sabha : His question is whether you are prepared to make a provision of Rs. 10 crores for immediate relief ?" Dr. K. L. Rao : "They have not asked for it." অথাৎ সাধাৰণতে যিটো পদ্ধতিত flood হৈছে, বানপানীত ধ্বংশ হোৱা সকলো বিলাকৰ মেৰামতি আদিৰ কাৰণে তেওঁ দহ কোটি মান টকাৰ সাহায্য বিচাৰেনে কি ? এই কথাটো মই কব বিচাৰিছো যি সময়ত ভাৰতবৰ্ষৰ অন্যান্য ঠাইত এনেকুৱা বন্যা বা আন কোনো দুৰ্য্যোগ হয় তেতিয়া এনেকৈ Drought কৰিব লাগেনে ?

উদাহৰণস্বৰূপে কব পাৰি যোৱা বছৰ ৰাজস্থানত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হওঁতে কোটি কোটি টকা খৰচ কৰা নাই নে ? গতিকে এই কথা কৈ কোনো লাভ নাই। য'ত খৰচ কৰিব লাগিব লাগে তাত সেই পৰিমাণৰ টকা খৰচ কৰাৰ পিছত সেইটো Report কৰাৰ পাছত হে Reimbursement কৰিব। কিন্তু বৰ্ত্তমান মোৰ প্ৰধান কথা হৈছে এইটো অসমত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হোৱা সত্বেও কিয় এই অৱস্থাৰ খবৰ দি তাৰ কাৰণে তাৰ উপযুক্ত সাহাৰ্য্যৰ কাৰণে টকা মঞ্জুৰী

বিচাৰি কোনো দাবী জনোৱা হোৱা নাই ? উপাধ্যক্ষ মহোদয়, ১৯৫৪ চনৰ পৰা ১৯৬৬ চনলৈকে ১০৮ এশ আঠ কোটি টকাৰ সা-সম্পত্তি অসমে হেৰুৱালে । এই সময়-ছোৱাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক মাত্ৰ ২৭ সাতাইশ কোটি টকা দিয়েই বাননিয়ন্ত্ৰণৰ ব্যৱস্থাত সহায় কৰিলে । অথচ এই সময়ছোৱাৰ ভিতৰত ১০৮ কোটি টকা অসমৰ বাইজে হেৰুৱাব লগা হল । এই বান পানীৰ কাৰণে । উপাধ্যক্ষ মহোদয়, নাইনিটালত বহা সৰ্ব্ব ভাৰতীয় মুখ্য মন্ত্ৰীৰ Conference ত সৰ্ব্বসন্মত ভাৱে ব্ৰহ্মপুত্ৰ নদীক জাতীয় সমস্যা বুলি আৰু এই জাতীয় সমস্যাৰ কাৰণে ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিব লাগে বুলি ঘোষণা কৰা হৈছিল । তাৰ পিছত M. P. সকলৰ Consultative Committee এও এই একে সিদ্ধান্ততে উপনীত হৈ ব্ৰহ্মপুত্ৰৰ দ্বাৰা সৃষ্ট হোৱা সমস্যাবোৰ জাতীয় সমস্যা হিচাবেই নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে । এই ক্ষেত্ৰত বান নিয়ন্ত্ৰণৰ কাৰণে বিভাগীয় মন্ত্ৰী K. L. Rao ক জনোৱাত তেওঁ কলে যে, Consultative Committee য়ে এই কথা জনাই যদিও ইয়াৰ কাৰণে যি বৃহৎ পৰিমাণৰ টকাৰ প্ৰয়োজন হব বানপানী নিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰীয় মন্ত্ৰী ডাঃ কে, এল, ৰাওৱে লোকসভাত জনাইছিল বা তাৰ কাৰণে বহুত টকাৰ প্ৰয়োজন । কিন্তু টকা ক'ৰ পৰা আহিব M. P. 's Consultative কমিটিয়েও পৰামৰ্শ দিছিল যে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ জাতীয় সমস্যা হিচাপে কৰিব লাগিব । খৰচ যিমানেই হওক লাগে। সেই টকা Finance এ দিব লাগিব । কিন্তু আমাৰ মুৰাৰজী ভাইয়ে হাইদৰাবাদৰ A. I. C. C. ত কৈছিল যে মদ নিবাৰণৰ বাবে ১০০ বা ২০০ কোটি টকাৰ দৰকাৰ হলেও দিম । মাত্ৰ নিবাৰণ কৰিব লাগে । আমি দেখি আছো যে নিবাৰণ কৰিবলৈ যাওঁতে প্ৰচলন বেছিহে হয় । যদি ব্ৰহ্মপুত্ৰৰ বানত ১২ বছৰত ১০৮ কোটি টকা নষ্ট হয় তন্তে সেই টকা কিয় দিব নোৱাৰে ? মুখ্য মন্ত্ৰী সন্মিলনেও সিদ্ধান্ত লৈছিল যে ব্ৰহ্মপুত্ৰা বান নিয়ন্ত্ৰণ কৰিব লাগিব । কিন্তু আমাৰ মন্ত্ৰীক দিল্লীত এটা কথা কব, সেই মন্ত্ৰীয়ে আহি আমাক কব আৰু আমি গৈ প্ৰপীড়িত ৰাইজক কমগৈ । কিন্তু সমস্যা সমাধান নহয় । আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক কিয় দাবী নকৰে যে এই সমস্যা সমাধান কৰিবই লাগিব ।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমত যি আৰহাৱা চলিছে তাৰ দ্বাৰা দাৰিদ্ৰতা বৃদ্ধিহে পাইছে । সেইটো হবলৈ পাইছে একচেতীয়া পুঁজিপতিসকলৰ কাৰণে । আমাৰ মুখ্য মন্ত্ৰীয়ে সেই পুজিপতিসকলক চাহ বাগিচা কিনিবলৈ সুবিধা দিছে আৰু তাৰ দ্বাৰা অসমক লুটিবলৈ সুবিধা দিছে । অক্তোপাচৰ দৰে আগুৰি ধৰিবলৈ সকলো সুবিধা দিছে । বিৰলাক Plywood factory টো প্ৰবেশ কৰিবলৈ দিছে আৰু textile তটো সেই বিৰলা সোমাইছে । এইদৰে অসমৰ ৰাইজে উৎসাহ লবলৈকে সুবিধা হেৰুৱাব একচেতীয়া পুজিপতিৰ চক্ৰান্তত । এইটোৱে President নিৰ্বাচনতো চক্ৰান্ত কৰিছে । এটা convention চলি আহিছে যে Vice-President জনেই President হয় । কিন্তু এইবাৰ একচেতীয়া পুজিপতিৰ চক্ৰান্তত syndicate তেওঁলোকৰ পক্ষপাতি হৈ সঞ্জীৱ ৰেদ্দীক প্ৰাৰ্থী মনোনীত কৰিছে যাতে পুঁজিপতি ৭৫টা পৰিয়ালৰ স্বাৰ্থ অটুট ৰাখিব পাৰে । সেই ৭৫টা পৰিয়ালৰ বাবেই syndicate এবাৰ এফালে এবাৰ আনফালে ধাল খায় । অৱশ্যে শ্ৰীমতী ইন্দিৰাক সোঁ। মাজতে থাকিবলৈ কৈছে। Syndicate এ যে প্ৰধান মন্ত্ৰীক বাহিৰ কৰিবলৈ চেষ্টা কৰিছে এই কথা স্পষ্টকৈ ওলাই পৰিছে । তাকে দেখি বাওঁ পন্থীসকলে জাতীয়তাবাদী এজন প্ৰাৰ্থীক সমৰ্থন কৰিছে । যাৰ সহায়ত প্ৰধান মন্ত্ৰীয়ে ১৪টা বেঙ্ক জাতীয়কৰণ কৰিছে । অৱশ্যে অহা ১৬ আগষ্টৰ পিচত বুজা যাব দেশ কোন ফালে ধাল খাইছে ।

উপাধ্যক্ষ মহোদয়, এই একচেতীয়া পুঁজিপতিসকলক অসমলৈ অনাত আমাৰ চৰকাৰেই দায়ী । সেই বিৰলাকে চাহ বাগিচা কিনিবলৈ সুবিধা দিছে অথচ আমাৰ কৃষি কলেজৰ পৰা পাচ কৰা লৰাকো চাকৰি দিয়া নাই, বাহিৰৰ মানুহকহে দিছে আনকি কেৰাণীকো খেদিছে ।

পৰাপক্ষত আমাৰ যিসকল লৰাই কেৰাণী কাম কৰি আছে তেওঁলোককো খেদাৰ ব্যৱস্থা কৰিছে । ইয়াৰ ফলত এই একচেতীয়া

পুঁজিপতিৰ অনুপ্ৰৱেশৰ ফলত অসমৰ ৰাজনীতিত তীব্ৰভাৱে এটা দুৰ্নীতি সোমাই যাব আৰু অসমৰ অসমীয়াৰ যি স্বাৰ্থ সেই স্বাৰ্থত কুঠাৰাঘাট কৰা হব। এই চৰকাৰে সেই একচেতীয়া পুজিপতি সকলৰহে চৰকাৰ চলাইছে। সমগ্ৰ ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ বিৰুদ্ধে চক্ৰান্ত চলাইছে। তেওঁলোকে যে স্বেচ্ছাচাৰী পুলিচ বা ফেচিষ্ট ৰাজ চলাইছে সেইটোক আমি অস্বীকাৰ কৰিব নোৱাৰো। ভাৰতবৰ্ষৰ অগ্ৰগতিৰ প্ৰয়োজন হলে আমি ইমান দিনে, মহাত্মা গান্ধী, জৱাহৰলাল, লালবাহাদুৰ শাস্ত্ৰী আৰু এই ইন্দিৰা গান্ধীয়ে যি ঐতিহ্য তৈয়াৰ কৰিছে তাক ভাল বুলি নকলেও তাত অলপ ভাল আছে। আৰু যি সামান্য ভাল আছিল তাকো আজি এই ফেচিষ্ট ৰাজত্বই নাইকীয়া কৰিছে। ইয়াত ইতিমধ্যে ফেচিষ্ট ৰাজত্ব হৈয়েই গৈছে। কেৱল আজি বাম পন্থী প্ৰগতিশীল দলসমূহৰ সন্মিলিত প্ৰচেষ্টাতহে ভাৰতবৰ্ষৰ গণতন্ত্ৰ জীৱিত আছে।

(Voice: What about Nambudripad ?)

উপাধ্যক্ষ মহোদয়, এই একচেতীয়া পুঁজিপতিৰ শাসন-ৰাক্ষসৰ দৰে। যেনেকৈ জীউ-লাউৰ মাজত ৰাক্ষসৰ জীৱটো সোমাই থাকে আৰু তেওঁলোকৰ জীৱটো নিজৰ লগত নাথাকে। আৰু ৰাতি তেনেকৈয়ে ফুৰিবলৈ যায়। এতিয়া ভাৰতবৰ্ষৰ একচেতীয়া শাসনৰ লাউ হৈছে এই Bank বিলাক।

এই ৰাক্ষসৰ জীউ-লাওটো ভাঙি দিলে যেনেকৈ ৰাক্ষসটো মৰি যায় ঠিক তেনেকৈয়ে ভাৰতবৰ্ষৰ ৰাজনৈতিক উদ্দেশ্য পৰিবৰ্ত্তন কৰি বেঙ্ক জাতীয়কৰণ কৰিলে। আৰু এইটোতও বাম পন্থী প্ৰগতিশীল শক্তিসমূহে চাৰিওফালৰ পৰা সমৰ্থন জনাইছে। কিন্তু স্বতন্ত্ৰ আৰু জনসংঘই আৰু আনকি কংগ্ৰেছ সদস্য S. K. Patil এও তেওঁ যে ইয়াৰ বিৰুদ্ধে সেই মতামত পৰিস্কাৰকৈ দিছে। আনকি মোৰাৰজী দেশাইয়ে ইয়াৰ বিৰুদ্ধে পৰিস্কাৰকৈ তেখেতৰ মতামত প্ৰকাশ কৰিছে।

ইয়াৰোপৰি Supreme Court ত মকৰ্দ্দমা চলাই এই সিদ্ধান্তটো নাকচ কৰিব খুজিছে। ইয়াৰ দ্বাৰাই প্ৰমাণিত হয় যে, এই কংগ্ৰেছৰ নেতৃস্থানীয় লোকসকলে একচেতীয়া পুঁজিপতিসকলক সহযোগী হিচাবেলৈ শাসন চলাইছে। এনেকৈয়ে অসমলৈ একচেতীয়া পুঁজিসকলক অনুপ্ৰৱেশ কৰি থাকিবলৈ সুবিধা দিলে অসমৰ সৰ্ব্বনাশ কৰা হব। আজি যিসকল অসমৰ বেকাৰ যুৱক আছে তেওঁলোকে আজি থাকিব নোৱাৰা হৈছে। আজি কিছুমান ডেকাই ইঞ্জিনিয়াৰিং টেকনিকেল আদি পাচ কৰি বহি আছে কিন্তু তেওঁলোকে আজি কোনো চাকৰি বা অন্ন সংস্থানৰ ব্যৱস্থা নোপোৱাৰ ফলত তেওঁলোকৰ মাজত এটা অস্থিৰতাৰ ভাব জাগি উঠাটো স্বাভাৱিক কথা।

আজি সেই অৱস্থাত সেই অস্থিৰতা ভাৰাপন্ন যিবিলাক ডেকা লৰা সেইবিলাক এই পুজিপতি, জমিদাৰী সমাজ ব্যৱস্থাত যিটো অৱস্থাত পিচপৰা অঞ্চল বিলাক পিচপৰি আছে আৰু আগবঢ়া অঞ্চলবিলাকেই আগুৱাই গৈ আছে সেইটোত অতিকৈ ক্ষুন্ন হৈছে। আৰু এইটো কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আজি সুদীৰ্ঘ ২২ বছৰীয়া কংগ্ৰেছ শাসনতে গোৱালপাৰা জিলা অৰ্থ নৈতিক ফালৰ পৰা, ৰাজনৈতিক ফালৰ পৰা-সকলো ফালৰ পৰাই যি পিচপৰি আছে তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আমাৰ অসমৰ সাধাৰণতে যিটো গড় জাতীয় আয় তাৰ তুলনাত গোৱালপাৰাৰ আয় বহুত কম। ইয়াৰ দ্বাৰাই প্ৰমাণিত হয় চৰকাৰে কি কৰিছে ? এতিয়া সেই পিচপৰা ঠাইখিনিক উন্নত কৰাৰ পৰিবৰ্ত্তে আজি কংগ্ৰেছে গোৱালপাৰাত Autonomy বিচাৰি Regional আন্দোলন আৰম্ভ কৰি দিছে।

আজি কংগ্ৰেছ শাসনৰ ২২ বছৰৰ পিচত এই চতুৰ্থ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ কালত যদি গোৱালপাৰাত ৰেল লাইন, জুট মিল, Sugar Mill বা অন্যান্য কাৰখানা পতাৰ ব্যৱস্থা কৰিলেহেঁতেন বা কৰিব লাগিছিল কিন্তু সেই ব্যৱস্থা নলৈ গোৱালপাৰাক Regional আন্দোলন কৰিবলৈ সুবিধা দি অসমৰ ঐক্য সংহতিক নষ্ট কৰিব বিচাৰিছে। প্ৰকৃততে গোৱালপাৰা জিলাক আগবঢ়াই নিবলৈ ব্যৱস্থা হাতত লব লাগিছি কিন্তু তাৰ প্ৰতি চৰকাৰৰ কোনো কানসা নাই।

এইদৰেই আমাৰ অসমত পুজিপতিৰ শাসন চলাইছে। আমাৰ হাজৰীকা দেৱ এজন কংগ্ৰেছৰ সেৱক। তেখেত সেৱক হোৱাৰ আগতে মাটি-বাৰী একো নাছিল। কিন্তু তেখেতে এতিয়া কাৰ শাসন চলাইছে? আজি গৰীব শ্ৰেণীৰ Schedule Caste ৰ মানুহ, যিবিলাকৰ মাটি-বাৰী নাই যিবিলাকৰ আজি জাল-জৰী নাই, বা যিবিলাক পথাৰ বা বিল আছিল সেই বিলাকো অথাৎ তাৰ মাছ কেইটা পৰ্য্যন্ত চৰকাৰে লৈ ললে--- সেইদৰেই চৰকাৰে জমিদাৰ শ্ৰেণীৰ পুঁজিপতি শ্ৰেণীৰ শাসন চলাইছে বা ৰথ খনন চলাইছে। যেনেকৈ জগন্নাথৰ ৰথ চলাবলৈ লাখ লাখ গৰীব মানুহ যায়, ঠিক তেনেকৈয়ে মধ্যবিত্ত গৰীব শ্ৰেণীয়ে বিৰলা, টাটাৰ ৰথখন চলাইছো তেখেতসকলে ৰাইজৰ ভোটত জয়ী হৈ এনেকৈ ৰথৰ চালক হোৱাতো বৰ দুখৰ কথা। অসমৰ মাটি সমস্যালৈকে চাওঁক, আজি লাখ লাখ মাটি নাইকিয়া মানুহ আছে, তেওঁলোকৰ মাটি দিয়াৰ কি ব্যৱস্থা কৰিছে? আমি বহুতো আলোচনা কৰিছো হয় কিন্তু তাৰ একো ব্যৱস্থা কৰা নাই। আজি অতিকমেও অসমত ১৪।১৫ লাখ মাটিহীন গৰীব খেতিয়ক আছে। যিবিলাকে মাটি দখল কৰিছে তেওঁলোকৰ ওপৰত অত্যাচাৰৰ সীমা নাই। যদি আজি এই চৰকাৰ গৰীব শ্ৰেণীৰ কাৰণে হ'লহেঁতেন তেতিয়াহলে আমি বহুতো উপকৃত হলেহেঁতেন। কিন্তু আজি সেইটো কৰা হোৱা নাই। আনহাতে তেখেতসকলে গৰীব মাটিহীন খেতিয়কক উচ্ছেদ কৰি বহিস্কাৰ কৰি যিবিলাকৰ মাটি আছে সেইবিলাককে চৰকাৰে মাটি দিছে। এইটো চৰকাৰৰ কি নীতি? চৰকাৰৰ যিবিলাক চৰণীয়া Reserve আছে যিবিলাকত ঘাঁহ নহয় সেইবিলাক মাটিহীন মানুহক দি দিব লাগে বুলি আমি বাৰে বাৰে কৈ আছো। এই কথা আমি যেতিয়া কওঁ তেতিয়া আমাৰ ৰাজহ মন্ত্ৰী চৌধুৰীদেৱে কয় যে, এইবিলাক কৰি গৰু বিলাক মাৰিলেহে হব।

আমাৰ সন্মুখত যিখন লিষ্ট আছিল তাত ১২৬টাৰ ভিতৰত ১০০টাই গৰু চৰণীয়া ৰিজাৰ্ভ খুলি দিয়া বিষয় লৈ আছিল। যোৱা ১০ বছৰৰ ভিতৰত তদবিৰ কৰি মাটি থকা বিলাকে মাটি লবলৈ চেষ্টা কৰিছিল আৰু মন্ত্ৰীৰ দ্বাৰা Recommend কৰি মাটিৰ কাৰণে হুকুম কৰাইও লৈছে। মাটিহীন খেতিয়কে মাটি পোৱা উচিত। যিবিলাক মানুহে ১০ বছৰ আগতে দৰখাস্ত কৰি তদবিৰও কৰিছে সেই সকলৰ প্ৰতি মোৰ বেয়া মনোভাৱ নাই বৰং আন্তৰিক মৰমহে আছে আৰু তেওঁলোকে মাটি পোৱাটো আপত্তি নাই কাৰণ তেওঁলোকে দৰখাস্ত কৰি তদবিৰ কৰি সৰ্ব্বস্বান্ত হৈছে। ১৫ বছৰ আগতে দৰখাস্ত কৰিছিল আৰু Land Advisory কমিটিয়ে Recommend কৰিও পঠাইছে গতিকে সেইবিলাক মানুহক বাদ দি বিশেষ তদবিৰ কৰা মানুহে মাটি পোৱাটোত আমি সন্মতি দিব নোৱাৰো। এই বিলাক কথাৰ পৰা প্ৰমাণিত হৈছে যে যিবিলাক গৰীব শ্ৰেণীৰ মানুহ তেওঁলোকক চৰকাৰে ৰক্ষা কৰিব পৰা নাই। সেই কাৰণে আজি আমাৰ অৰ্থনীতি পঙ্গু হৈ পৰিছে আৰু অসমৰ স্বাৰ্থ পঙ্গু হৈ পৰিছে। ইয়াৰ পৰা বুজা যায় অসম চৰকাৰৰ কোনো বস্তু নাই, প্ৰশাসনীয় যন্ত্ৰ বুলি একো নাই। আজি আমাৰ I. A. S. অফিচাৰক আৰম্ভ কৰি সাধাৰণ পিয়ন ছাপ্ৰাছীলৈকে District level তে হওঁক বা ৰাজ্য Secretariat ৰ level তেই হওঁক সকলো ঠাইতে অৰাজকতাই দেখা দিছে। এই প্ৰশাসন নীতিক উদ্ধাৰ কৰিব লাগিব। সেই কাৰণে আজি এই অৱস্থাত আমাৰ অসমৰ জনসাধাৰণৰ এই চৰকাৰৰ ওপৰত কোনো আস্থা নাই। অসম চৰকাৰে অসমৰ জনসাধাৰণক সৰ্ব্বস্বান্ত কৰিছে। তেওঁলোকে আজি এই divisional আঁচনিৰ ক্ষেত্ৰতেই হওক বা তেল শোধনাগাৰৰ ক্ষেত্ৰতেই হওক বা মাটি বিতৰণৰ ক্ষেত্ৰতেই হওক জনসাধাৰণক প্ৰবঞ্চনা কৰি আছে। গতিকে এই চৰকাৰে গাদীত থাকিলে অসমৰ জনসাধাৰণ দুৰ্গতিৰ সীমা নাইকীয়া হব। সেই কাৰণে এই চৰকাৰক অতি শীঘ্ৰে বহিস্কাৰ কৰিব লাগিব অসমৰ মঙ্গলৰ কাৰণে। সেই কাৰণে এই অনাস্থা প্ৰস্তাৱৰ অৱতৰণ কৰিছো।

**Shri Lakshyadhar Choudhury:** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সদনত আমাৰ তৰফৰ পৰা যিটো অনাস্থা প্ৰস্তাৱ অনা হৈছে সেইটো সৰ্ব্বতোভাৱে সমৰ্থন কৰিছো। এইবাৰ আমি আনন্দিত যে এইবাৰ এই বিষয়ত আমি অকলসৰীয়া নহয় কাৰণ আমাৰ লগত সদনৰ ৩১ জন

সিফালৰ সদস্যও আছে । কাৰণ এই অনাস্থা প্ৰস্তাৱৰ গুৰিতে প্ৰশাসনীয় যন্ত্ৰৰ অব্যৱস্থাও এটি ঘাই কাৰণ । এই সংক্ৰান্তত কংগ্ৰেছ পক্ষৰ পৰা ৩১ জন MLA য়ে এই কাৰণ আগতে জনাই স্বা· কৰা বুলি বাতৰি কাকতত প্ৰকাশ পাইছে । মই তেখেত সকলৰ এই কাৰ্য্যত বিৰোধীতা কৰা নাই বৰং মই সমৰ্থনহে কৰিছো । এই ক্ষেত্ৰত মই কব খুজিছো আমাৰ প্ৰস্তাৱত বৰাদেৱে এটা কথা কৈছে যে অসমৰ জনসাধাৰণৰ মাজত আজি আলোড়ন উঠিছে ৰেলৱে ডিভিজন, তেল শোধনাগাৰৰ কাৰণে । অসমৰ উদ্যোগীকৰণত আমাৰ এতিয়ালৈকে আশা আকাঙখা পূৰণ হোৱা নাই । মাটি বিতৰণ আদি সকলো ক্ষেত্ৰতে চৰকাৰ ব্যৰ্থ হৈছে । প্ৰশাসনীয় যন্ত্ৰটোৰ যদি এয়ে অৱস্থা হয় তেনেহলে কংগ্ৰেছৰতো পতন হবই লগতে জনসাধাৰণৰও পতন মাতি অনাৰ ব্যৱস্থা হৈছে । গতিকে দেশৰ মঙ্গলৰ কাৰণে এই চৰকাৰে সোনকালে গাদী এৰা উচিত ।

**Rani Manjula Devi:** The hon. Member is an old experienced Parliamentarian. It is the Parliamentary procedure of political parties to discuss important matters with their leader. We have done it to strengthen our own party, not denounce it as you do. We do not want to make Assam into another West Bengal complex.

**Adjournment**

**The House then adjourned for lunch till 2 P. M.**

(After lunch)

**Shri Lakshyadhar Choudhury:** অধ্যক্ষ মহোদয়, আমাৰ সদস্য গৰাকীৰ কথাখিনিয়ে মোক বেছি উৎসাহিতহে কৰিলে । কাৰণ ''বালিলৈ যি পাত সুগ্ৰীৱলৈও সেই পাত'' । ৩১ জন কংগ্ৰেছী এম, এল, এই দিয়া এই চিঠিৰ Merits demerits বিচাৰ মই নকৰো । উপাধ্যক্ষ মহোদয়, আপুনি ruling দিলে মই নতশিৰে মানি লম কিন্তু আন এগৰাকী সদস্যৰ কথাখিনিত মই উৎসাহিতহে হৈছো । Divisional আচনি সম্পৰ্কে আমাৰ শ্ৰী চলিহা ডাঙৰীয়াই ইংৰাজীতে এটা বিবৃতি দিছে । Divisional আচিনি সম্পৰ্কে ক'ত কি হব মই হলে ধৰিব পৰা নাই, কোনোবাই কিবা সুধিলে উত্তৰ দিব নোৱাৰিম, বাইজৰ কথা বেলেগেই, ঘৰত লৰা-ছোৱালীৰ আগতো কব নোৱাৰিম । কাৰণ তাত কিছুমান কথা আছে যেনে ২৭ তাৰিখৰ ফৰিদাবাদৰ সিদ্ধান্তৰ বিষয়ে শ্ৰীত্ৰিপাঠী ডাঙৰীয়াৰ পৰা ধৰা ডাঙৰীয়াই টেলিগ্ৰাম খন বিচাৰিছিল । কিন্তু তেখেতে দেখুৱাব নোৱাৰাত আমি বিশ্বাস কৰিবলৈ বাধ্য হলো যে শ্ৰীচৌধৰী ডাঙৰীয়াৰ ফৰেষ্ট বিভাগৰ file হেকুৱাদি তেখেতৰ টেলিগ্ৰাম খনো হেৰাল । কিন্তু আলোচনাৰ পিচত প্ৰধান মন্ত্ৰীয়ে যদি endorse কৰা কাগজ পাতি থাকিল হেতেন তাতো মাতিৰ লগা নাছিল । আমি দুখেৰে জনাওঁ যে শ্ৰীত্ৰিপাঠী ডাঙৰীয়াৰ ওপৰত ৰাইজৰ সন্দেহ হৈ পৰিছে । অৱশ্যে শ্ৰীত্ৰিপাঠীদেৱক মই সন্মান কৰো আৰু তেখেত এজন ভাল ৰাজনীতিজ্ঞ আৰু ভাল শিক্ষকো । তেখেতে যদি ফৰিদাবাদৰ সিদ্ধান্তৰ কাগজপাতি কিবা ৰাখিলে হয় তেন্তে আমি নিশ্চিত হলোহেঁতেন । কিন্তু দেখা যায় যে অকল কেন্দ্ৰই নহয় এই ষড়যন্ত্ৰত আমাৰ কংগ্ৰেছ চৰকাৰৰো সহযোগ আছে ।

অধ্যক্ষ মহোদয়, ৰেলৱে ডিভিজনেল আচনি সম্পৰ্কত কবলৈ গৈ মই এই কেইটা বিষয়ে পূৰ্ণ সমাধান বিচাৰিছোঁ । এক্ষ্ কেইটা হৈছে........... ।

**Mr. Speaker:** আপুনি অলপ বহক ।

এই সম্পৰ্কত আমি আলোচনা কৰি আমি ঠিক কৰিছোঁ । এতিয়া ১১০ মিনিটৰ ভিতৰত আপোনালোকৰ ৩০ মিনিট আছে আৰু বাকী সময় কংগ্ৰেছ প্ৰাৰ্থীয়ে কব ।

**Shri Lakshyadhar Choudhury:** যোৱা ২৭ এপ্ৰিলত ফৰিদাবাদত A.I.C.C. ৰ বৈঠকত যিটো সিদ্ধান্ত হৈছিল সেইটো সিদ্ধান্ত লিখি ৰখা হৈছিল নে ? আৰু তাত ৰেলৱে মন্ত্ৰী শ্ৰীৰামসুভাগ সিঙে চহী কৰিছিলনে নাই ? আৰু প্ৰধান মন্ত্ৰীৰ endorsement ত তেওঁৰ চহী আছিল নে নাই ? এই কথা আমি জানিব খুজিছো আৰু এই সিদ্ধান্তটোৰ নকল এটা সদনৰ টেবলত বিচাৰো । ফৰিদাবাদৰ সিদ্ধান্ত

সম্পকত বিটো প্ৰেছনোট দিয়া হৈছিল তাত as soon as possible এই কথাটো নাছিল । তাৰ পিচত এইটো সংশোধন কৰি পুনৰ লগাই দিয়া হ'ল নে কি? আমাৰ শ্ৰীত্ৰিপাঠী ডাঙৰীয়াই যিখন Telegram দিছিল তাত Categorically কোৱা হৈছিল---তাত as soon as possible এই কথাটো নাই । সেই কাৰণে ফৰিদাবাদত লোৱা সিদ্ধান্তৰ যি চুক্তি হৈছিল তাৰ নকল আমি বিচাৰোঁ ।

তাৰ পাছত তেল শোধানাগাৰ সৰ্ম্পকত আমি আগৰ পৰাই সক্ৰিয় পন্থা লবলৈ চৰকাৰক কৈ আহিছিলো । মন্ত্ৰী মহোদয়েও এতিয়া কৈছিল যে তেখেতে এই সৰ্ম্পকত এখন চিঠি লিখিছে । এই সৰ্ম্পকত যদি তেখেতে কলেহেতেন যে প্ৰস্তাৱটো গৃহীত হোৱা নাই তেতিয়াহলে আমি ভাল পালোহেতেন । আনফালে আমি দেখিছোঁ Petro-chemical complex এটা আনিবলৈ ইচ্ছা কৰিছে । এই সৰ্ম্পকত মই যোৱা বাজেট অধিবেশনত কৈছিলোঁ যে দ্বিতীয় তেল শোধনাগাৰ স্থাপন নহলে এই complex উদ্যোগ বিশেষ লাভজনক নহব আৰু এই মৰ্ম্মে তকাতকিও মোৰ লগত হৈছিল। কিন্তু এতিয়া দেখা গৈছে যে এটা Toy হে Petro-complex হিচাপে দিছে আৰু তাত এতিয়া মাত্ৰ দুই কোটি টকাৰহে কাম হব আৰু আমি শুনিছোঁ যে National Young Entrepreneur আহিছিল আৰু তেওঁলোকক আহিলাপাতি যোগান ধৰাৰ কাৰণে coutract দিয়াৰ কথা হৈছে ; যদি এইটো কথা হয় তেতিয়াহলে আমি বৰ বেয়া পাম ।

**Shri Biswadev Sarma (Minister Industries):** আহিলাপাতি মানে কি?

**Shri Lakshyadhar Choudhury:** যন্ত্ৰপাতি আদি । সেইবিলাক যাতে নহয় তাৰ কথাকে মই কৈছিলোঁ ।

তাৰ পাছত মই কব খজিছোঁ শিক্ষা বিভাগ আৰু Medical বিভাগৰ কথা । এই দুই বিভাগৰ কথা আগতেও মই বহুত কৈছিলোঁ আৰু কলেও চৰকাৰে কেতিয়াও কান নিদিয়ে আৰু চকুও নিদিয়ে । Medical বিভাগৰ দৰৱ অনাৰ কাৰণে Licence দিয়া Company আছে । এই Company টো হ'ল Dibrugarh ৰ "ৰফিউল্লা কোম্পানী" । এই Company য়ে বহুতো জাল কৰিছে আৰু "Not for Medical use" ৰ ঠাইত "Not' টো কাটি "For Medical use" কৰি জাল কৰি বিক্ৰি কৰিছে । অলপতে আকৌ এই কোম্পানীৰ মাল গুৱাহাটীত ধৰা পৰিছিল আৰু Duags Controller এ licence cancel কৰা স্বত্বেও কংগ্ৰেছ election ৰ সময়ত যোৱা ফেব্ৰুৱাৰী মাহত পুনৰ পালে । এই কোম্পানীটোৰ দুৰ্নীতিৰ এখন list মোৰ হাতত আছে য'ত এই বিলাক জাল কৰিছে আৰু সেইখন মই Minister ৰ হাতত দিম আৰু ইয়াত জাল কৰি ছপা কৰা দামৰ কথা আছে আৰু ইয়াৰ দ্বাৰা চৰকাৰৰ ৫।৬ কোটি টকা অৰাবত নষ্ট হৈছে ।

মই list খন পঢ়ি দিম বুলি ভাবিছিলোঁ কিন্তু সময়ৰ অভাৱত পঢ়ি দিব নোৱাৰিলোঁ । যিহেতু list খন বৰ দীঘলীয়া ।

তাৰ পাছত "ফেনাইল" যিবিলাক যোগান ধৰিছে সেইবিলাক "ফেনাইলৰ" নামত এবিধ বগা পানীৰ যোগান ধৰিছে । কব নোৱাৰো এই ৰফিউল্লা কোম্পানীৰ প্ৰতি চৰকাৰৰ কি মৰম ? ১৯৪৮ চনত এই Company য়ে এখন Stationery দোকান আৰম্ভ কৰি আজি ডিব্ৰুগড়ত তিনিতলা ঘৰ বান্ধিছে আৰু দুখন First class গাড়ী দৌৰাইছে । চৰকাৰৰ এইবিলাক ব্যৱস্থাৰ দ্বাৰা জাল ফাকি বেপাৰী বিলাক অপৰিসীম টকা অৰ্জ্জন কৰিছে আৰু আনহাতে জনসাধাৰণক মৰাৰ ব্যৱস্থা কৰিছে । এই সৰ্ম্পকত মই আগতে যদিও কেইবা বাৰো কৈছিলোঁ সেইবিলাক কোনেও শুনা নাই—অৰণ্য ৰোদন হ'ল মাত্ৰ।

তাৰ পাছত মই শিক্ষা বিভাগৰ সম্বন্ধে কওঁ ।

যোৱা বাৰ মই শিক্ষা বিভাগটো নাথাকিলেই অসমৰ শিক্ষা প্ৰচাৰ ভাল হ'লহেতেন বুলি কৈছিলো । কিন্তু এতিয়া দেখিছো শিক্ষা মন্ত্ৰী দুজন নাথাকিলেই শিক্ষা বেছি ভাল হলহেতেন

বুলি ভাবিছো শিক্ষা মন্ত্রী, দুয়ো গৰাকীৰ মতামতি নাই নেকি কব নোৱাৰো। এতিয়া দেখিছো University ৰ পৰা আৰম্ভ কৰি High School ৰ Secondary Board, Elementary Board লৈকে যিবিলাক দুর্নীতি চলিছে, এনেকৈ যদি অসমৰ শিক্ষা চলে তেনেহলে ই কেতিয়াও ভাল ফল পাব নোৱাৰে। আৰু ইতিমধ্যে অনুসন্ধান কৰি দেখা গৈছে যে চৰকাৰে University ৰ লগত প্ৰেমত পৰিছে। University য়ে Plan ৰ পৰা পোৱা টকাৰ অপব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিছে। এই Plan ৰ পৰা ৩২ জন অধ্যাপকক লোৱাৰ বাবে টকা দিয়া হৈছে। কিন্তু ইয়াত বিশ্ববিদ্যালয়ে সু-ব্যৱস্থা লোৱা নাই। তেওঁলোকে ৫টা subject ত আগৰ লোককে proper advertisement নোহোৱাকৈ লোৱাৰ পন্থা লৈছে। ইয়াৰ দ্বাৰা বহুতো অৰ্হতা সম্পূর্ণ ডেকাই কামৰ কথাই নাই দৰখাস্ত কৰিবলৈকো সুবিধা নাপালে। শিক্ষা বিভাগৰ মুৰব্বী হৈ শিক্ষা মন্ত্ৰীয়ে কোনো উচিত ব্যৱস্থা লোৱা নাই। ১৯৪৯ চনৰ এক এপ্ৰিলতে তে প্ৰেচ আৰম্ভ হৈছে কিন্তু এই লোকসকলক ১৯৬৭ চনতহে নিয়োগ কৰিছে। তেওঁলোকে বাৰু আগৰ মানুহ কেইজনকে লব কিন্তু তেওঁলোকে advertisement দিয়া উচিত।

(A voice: কি কি বিষয়ত?)

Physics, Commerce, Anthropology, Mathematics, Chemistry, Higher Secondary School ৰ পৰীক্ষাত এইবাৰ ৫০ হাজাৰ লৰাই ফেল কৰি আলি বাটৰ পথিক হৈছে। কিন্তু এই বিষয়ত মই লৰা-ছোৱালীৰ গাত **দোষ** দিব নোৱাৰো শিক্ষা ব্যৱস্থাৰ দোষতেই আজি এই অৱস্থা। গতিকে ৩ মাহ আগৰ পৰা এই private পৰীক্ষাৰ্থী সকলক বিশেষ ব্যৱস্থাৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে ৫২ হাজাৰ লৰা নিবনুৱা হব। বৃত্তি দিয়া ক্ষেত্ৰত যোৱাবাৰ তিনি জনৰ ভিতৰত প্ৰথম আৰু তৃতীয় জনক বৃত্তি দিয়া হৈছে। দ্বিতীয় জনক বৃত্তি দিয়া নাই। পিচত আমাৰ শ্ৰীশ্ৰুতিকৰ চাহাবে Enquiry কৰি চাই এই কৃতী ছাত্ৰী গৰাকীক Development বৃত্তি দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা সেই ছোৱালীজনীৰ merit ক প্ৰতাৰণা কৰা হ'ল। এনেকুৱা আৰু বহু কথা আছে। আৰু আমাৰ কলেজৰ Recognition আদি Political consideration তহে দিয়া হয়। মই হাউলি কলেজৰ কথাই উদাহৰণ স্বৰূপে দাঙি ধৰিছো। বিশ্ববিদ্যালয়ত পঞ্চম স্থান অধিকাৰ কৰিছে আৰু ইয়াৰ উপৰিও কেইবাজন ছাত্ৰয়ো পৰীক্ষাত ভাল কৰিছে কিন্তু সেই কলেজৰ Recognition ৰ ক্ষেত্ৰত হাগজেৰ মহাশয়ে বিশ্ববিদ্যালয়লৈ এখন চিঠি লিখিছিল যে হাউলি কলেজক Recognition দিব নালাগে কিন্তু তথাপিও সেই কলেজে বিশ্ববিদ্যালয়ৰ Recognition পালে যদিও চৰকাৰৰ ফালৰ পৰা কোনো Grant আদি পোৱা নাই। এনে ক্ষেত্ৰত আপোনালোক কিয় থাকে, আপোনালোক যাওক। আপোনালোকৰ লগত লাগে মইয়ো যাম। বিশ্বদেৱ শৰ্মা ডেকা মানুহ। তেওঁ দিল্লীলৈ গৈ ২ কোটি টকাৰ Petro chemical পকেটত ভৰাই লৈ সন্তুষ্ট হৈ ঘূৰি আহিল তেতিয়া বজাৰ কৰিবলৈ একো নাছিল। কিন্তু শিক্ষা মন্ত্ৰী হ'ল বেচ বয়োবৃদ্ধ অভিজ্ঞ লোক। তেখেতৰ পৰা আমি তেনে কথা আশা নকৰো। যেনেকৈ আমাৰ বয়োবৃদ্ধ ত্ৰিপাঠী দেৱে**নো** বাৰু কেনেকৈ কেন্দ্ৰীয় মন্ত্ৰী ডঃ ৰা **সুভাগ** সিংহৰ দুতালীয়া কথাত সন্তুষ্ট হৈ কোনো লিখা নোলোৱাকৈ ফিৰি আহিল। গতিকে এনে মন্ত্ৰী সভা খন ক্ষমতাত অধিষ্ঠিত নাথাকি গাদী এৰি দিয়াই ভাল। এই মন্ত্ৰী মণ্ডলৰ কোনো নৈতিক অধিকাৰ নাই সদনত শাসনত বহি থাকিবলৈ। এতেকে আমি এই প্ৰস্তাৱৰে তেখেতসকলক সোনকালে গাদী এৰি দিবলৈ দাবী জনাইছো।

***Shri Sailen Medhi:** অধ্যক্ষ মহোদয়, আজি এই কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে যি অনাস্থা প্ৰস্তাৱ ডাঙি ধৰা হৈছে সেই অনাস্থা প্ৰস্তাৱ বিশেষকৈ সমৰ্থন কৰিছো। এই চৰকাৰে অসমত Railway divisional আঁচনি কাৰ্য্যকৰী কৰা ক্ষেত্ৰত আৰু অসমৰ ঔদ্যোগীকৰণ গঢ়ি তোলা ক্ষেত্ৰত, অসমৰ কৃষি ব্যৱস্থা, অসমৰ [illegible] সমস্যা সমাধান আৰু বিভি

১০১ সমস্যা সমাধান কৰা ক্ষেত্ৰত সম্পূৰ্ণ আগবঢ়া নাই। এই সকলো প্ৰকাৰৰ অনাস্থা-তেই অনাস্থা প্ৰস্তাৱ আগবঢ়োৱাত সমৰ্থন কৰিছো। ইতিমধ্যে আজি বন্ধুবৰ বৰা ডাঙৰীয়া চৌধুৰী ডাঙৰীয়াই Railway divisional আঁচনি ওপৰত বিভিন্ন ধৰণে এই সদনত আলোচনা আগবঢ়াইছে। Railway divisional আঁচনিৰ কথা কবলগীয়া হৈছো এই কাৰণে যে অসম চৰকাৰে অভিসন্ধি কৰি গোটেই ভাৰতবৰ্ষৰ চকুত অসমক হেয় প্ৰতিপন্ন কৰা ক্ষেত্ৰত আমাৰ বৰা ডাঙৰীয়াৰ উক্তিত দুটামান কথা বাদ পৰিছে—মই সেই খিনি কথা কেই কম। ইয়াত যি Press note ত উল্লেখ কৰা হৈছে মই সেই মতেই কওঁ যে কেন্দ্ৰীয় পৰিবহন মন্ত্ৰী ডঃ ৰাম সুভক সিঙে ফৰিদাবাদত আমাৰ মুখ্যমন্ত্ৰীৰ আগত যি কথা কৈছিল তাত ৰঙিয়াত এটা fullfledged divisional head-querters হবলৈ তাৰ Traffic condition fulfilment ৰ কথা নাছিল। শৰৎ সিংহৰ Telegram ত এই কথা খিনি আছিল:

"**Shri Sarat Chandra Singha**, Assam Pradesh Congress Committee Gauhati

Myself Shri Fakhruddin Saheb and Shri Bhagawati had a discussion with Railway Minister Shri Ram Subhag Singh stop Following decisions were arrived at stop. It was accepted that Rangiya should be a divisional headquarter and step should be taken to implement the same stop. That Lumding should be a divisional headquarter stop Tinsukia should be forthwith converted into a fullfledged transport division and then into a divisional headquarter stop. That no transfer of Assam Staff to outside Assam should be made for implementing the Divisional scheme, etc."

ইত্যাদি যিবিলাক কথা দিয়া হৈছে মই গোটেই বোৰ উল্লেখ নকৰো। যেতিয়া এই কথাটো বৰা ডাঙৰীয়াই তুলি ধৰিছিল তেতিয়া এখন Slip ত লিখি দিলে যে এই কথাটো তুলি দিব লাগে। সেই কাগজ টুকুৰা এতিয়াও পোৱা হব। ফৰিদাবাদৰ এই প্ৰস্তাৱবোৰ টেলিগ্ৰাম খনত সুমুৱাই দিয়া হৈছিল বুলি কৈছে। যেতিয়া কাৰ্য্যপৰিষদে এই অভিযোগটো ডাঙি ধৰিছিল তেতিয়াও এই অভিযোগৰ বিৰুদ্ধে Tripathi ডাঙৰীয়া clear আৰু এই প্ৰমাণ অসমীয়া ৰাইজক জনাবলৈ বিচৰা নাছিল।

অধ্যক্ষ মহোদয়, আজি অকল সেয়ে নহয় যিবিলাক সমস্যাৰ কথা মোৰ আগৰ বক্তা বিলাকে কৈ গৈছে সেই বিষয়ে মই বিশেষকৈ আজি কৃষি ক্ষেত্ৰত হোৱা আৰু নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰি কব খুজিছো যে, নিবনুৱা সমস্যা অকল অশিক্ষিতৰ ক্ষেত্ৰতে নহয় ই অৰ্দ্ধশিক্ষিত, অশিক্ষিত, আৰু শিক্ষিতৰ মাজতো বাঢ়ি আহিছে। আজি এনে অৱস্থা হৈছে যে পথাৰৰ কাম বাদ দি ডেকা লৰা বিলাক চহৰ মুখী হৈ পৰিছে আৰু চাকৰি বিচাৰি আহি চহৰ সোমাইছে। অসম চৰকাৰে এই ডেকা সকলক উদ্যোগ প্ৰতিস্থা কৰিবলৈ সুবিধা দিম বুলি আজি ২ বছৰে যি ভুৱা দি ডেকো ভাওনাখন দেখুৱাইছে তাৰ পৰা প্ৰমাণ হয় যে আমাৰ নিবনুৱা সমস্যা সমাধানত আমাৰ চৰকাৰে একো সহায় কৰা নাই।

কৃষি উন্নয়নৰ কাৰণে Bank বিলাক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে যাতে সৰু সৰু কৃষক আৰু দুখীয়া পৰিয়ালে ইয়াৰ পৰা সহায় সুবিধা পাব পাৰে আৰু অৰ্থনৈতিক উন্নতি কৰিব পাৰে। ইয়াৰ উদ্দেশ্য আছিল যাতে সৰু সৰু উদ্যোগ বোৰে আৰ্থিক সাহায্য পায় আৰু এই কথা কেন্দ্ৰীয় মন্ত্ৰী সভাত Indira Gandhi য়েও প্ৰকাশ কৰিছিল। তেতিয়া আমাৰ মন্ত্ৰী সকলেও ইয়াতে হয় হয় বুলি হাততালি মাৰিলে কিন্তু আচলতে আমাক ইমান দিনে ফাকি দি আহিছে। সেই কাৰণেই আজি আমি এই চৰকাৰৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিবলৈ বাধ্য হৈছো।

কৃষিৰ দুৰবস্থা দেখি আমাৰ ডেকা লৰা বিলাক চহৰ মুখী হবলৈ বাধ্য হয় আৰু তাৰ পাচত উদ্যোগ মন্ত্ৰীয়ে কৈছিল যে চহৰ মুখী ডেকাসকলক প্ৰশিক্ষণ দি উদ্যোগ প্ৰতিস্থা কৰাত সহায় কৰিব কিন্তু ই এক

প্ৰতাৰণা। ইয়াৰ উত্তৰ জনসাধাৰণে দিব। আমাৰ উদ্যোগ মন্ত্ৰী আৰু Director of Industry য়ে Japan ৰ পৰা Petro-chemical complex ৰ বিষয়ে জানিবলৈ বহু টকা খৰচ কৰি Japan ৰ পৰা ফিৰি আহিছে কিন্তু চৰকাৰে কব নোৱাৰে সেই Petro-chemical complex কিহত খটাব কাৰণ Bombay ত যি Petro-chemical complex দিছে তাৰ পৰা কোনো লাভ হোৱা নাই। গতিকে অসমত ই কিমান দূৰ সফল হব আমি কব নোৱাৰো। চৰকাৰে আমাৰ কেইটামান ডেকা লৰাক Punjab লৈ কুটীৰ শিল্পৰ প্ৰশিক্ষণ লবলৈ পঠিয়াই হাজাৰে হাজাৰে টকা খৰচ কৰিলে কিন্তু তেওঁলোকে নাজানিলে সেই ডেকা সকল কৃষকৰ লৰা নে ডাক্তৰৰ লৰা, নে Compounder ৰ লৰা কাৰণ তেওঁলোকে প্ৰশিক্ষণ লৈ ঘূৰি আহি কিদৰে উদ্যোগ প্ৰতিষ্ঠা কৰিব? তেওঁলোকে উভটি আহি উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ A. F. C. ৰ পৰা আৰ্থিক সহায় খুজিলে কিন্তু তেওঁলোকক কোনো ধৰণৰ সহায় দিয়া নহ'ল কাৰণ A. F. C.য়ে গাঁৱৰ মাটি বন্ধকত ৰাখি কোনো টকা পইচা দিবলৈ মান্তি নহয়। আজি চলিহা চৰকাৰে জবাব দিব লাগিব কিয় এওঁলোকক প্ৰশিক্ষণৰ কাৰণে পাঞ্জাৱলৈ পঠিয়াই হাজাৰ হাজাৰ টকা খৰচ কৰিলে আৰু কিয় সেই ডেকা সকলক A. F. C. পৰা টকা পইচা দি সহায় কৰিব নোৱাৰে?

**Shri Biswadev Sarma :** সেই ডেকা সকলক লাখ লাখ টকা খৰচ কৰি পঠিওৱা হৈছে, সেইটো সঁচা নহয়।

(A voice: লাখ লাখ নহয়, হাজাৰ হাজাৰ)

১৪ জনৰ ভিতৰত ৮ জনে টকা পইচাৰ সহায় পাইছে আৰু বাকী কেইজনৰ কাৰণে চেষ্টা কৰা হৈ আছে। টকা পইচা পানীত পেলোৱা হোৱা নাই।

**Shri Gaurisankar Bhattacharyya :** মই টকা পানীত পেলোৱা এটা উদাহৰণ দিওঁ, প্ৰভাত নাৰায়ণ চৌধুৰী নামৰ মানুহ এজনে আৰু ১ জনৰ লগত লগহৈ Cycle ৰ Tyre ৰ কাৰখানা খুলিছিল, তেওঁলোকে A.F.C. ৰ পৰা অসমৰ গাঁৱৰ মাটি বিলাক বন্ধক দি টকা বিচাৰিলে কিন্তু তেওঁলোকক টকা দিয়া নহল। কিন্তু অসমৰ শতকৰা ৯২ জন মানুহ গাৱঁৰ মানুহ, সেই মানুহবিলাকক যদি গাৱঁৰ মাটি বন্ধকত লৈ টকা নিদিয়ে কাক দিব, কাৰণ সেই গাঁৱৰ মানুহবিলাকে গাঁৱৰ মাটি বন্ধকত নিদি কি মাটি দিব? কিন্তু চৰকাৰে দিছে কাক, Goenka Engineering ক Dispur ত Industry কৰিবৰ কাৰণে Assam Financial Corporation য়ে ১০ লাখ টকা দিছে। গতিকে দেখা যায় আমাৰ গাঁৱৰ সৰু সৰু entrepreneur ক সহায় কৰাত কৈ চৰকাৰে বাহিৰৰ ডাঙৰ ডাঙৰ উদ্যোগপতিকহে সহায় কৰিছে।

**Shri Biswadev Sarma :** এই কথা আমাৰ দৃষ্টিগোচৰ হৈছে, এইকথা ভালকৈ বিচাৰ কৰা হব আৰু গাঁৱৰ মানুহে যাতে গাঁৱৰ মাটিলৈ টকা পইচা পাব পাৰে তাৰ ব্যৱস্থা কৰা হব। এই যে টকা পানীত পেলোৱাৰ কথা কৈছে সেইটো প্ৰকৃততে পানীত পেলোৱা হোৱা নাই কাৰণ সেই ডেকা সকলক পাঞ্জাৱলৈ প্ৰশিক্ষণ লবলৈ পঠোৱাৰ কাৰণেহে তেওঁলোকে উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহিছে।

**Shri Sailen Medhi :** অধ্যক্ষ মহোদয়, যদি চৰকাৰে Young Entrepreneur Association mobliise কৰিব নোৱাৰে তেতিয়াহলে শিল্পায়ন হব নোৱাৰে। তেওঁলোকে এতিয়া Battery আৰু Cycle tyre তৈয়াৰ কৰিবলৈ কৈছে। ভাৰত চৰকাৰৰ এতিয়া বহুত Battery কাৰখানা আছে Tata Dalmiya আই প্ৰধান, এই সকলে গোটেই ভাৰতৰ Market সামৰিছে, অসমতো তেওঁলোকে Market সামৰিছে। গতিকে এওঁলোকৰ লগত Compete কৰা টান। সেই কাৰণেই Gauhati Battery কাৰখানাটো তলা মাৰিব লগীয়া হ'ল।

আমাৰ অসমত বহুত গেঞ্জীৰ মিল আছে, চহৰ গাওঁ সকলো ঠাইৰ মানুহেই গেঞ্জী ব্যৱহাৰ কৰে। এতিয়া সেই মিলবোৰ নাইকীয়া হ'ল যদিয়ো অসমত এই মিল

বিলাকৰ বেচ ভাল Market ও আছিল। সেই Mill বোৰ এতিয়া বন্ধ হৈ গ'ল কিন্তু চৰকাৰে কবলৈ আহিছে যে অসমত এতিয়া শিল্পায়ন হব নোৱাৰে। ইয়াৰ মূলতে হ'ল অসমত এতিয়া মাত্ৰ ২ জন মানুহৰ কাৰণে এই প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে, এজন হ'ল Finance Secretary আৰু আনজন হ'ল Director of Industries । এই ২ জন যেতিয়ালৈকে Industry Departmentত থাকিব তেতিয়ালৈকে অসমত Industry হব নোৱাৰে।

যেতিয়ালৈকে তেওঁলোক Industry Department ৰ ওপৰত থাকিব তেতিয়ালৈকে অসমত কেতিয়াও Industry এ গা কৰিব নোৱাৰিব । কিয়নো এই দুয়ো জনেই শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠীৰ হাতৰ মানুহ । যিমান দিনলৈকে এওঁলোক এই বিভাগৰ অধিকৰ্ত্তা হিচাবে থাকিব, Industry Minister মাননীয় শ্ৰীবিশ্বদেৱ শৰ্মাৰ সন্মান এই সদনত নেথাকিব । অথচ আজি বিভিন্ন অনুষ্ঠান, প্ৰত্যেক কৰপৰেশ্যননানা উদ্যোগৰ Head হৈছে এওঁলোক । বোনাচ আদি দিয়াৰ ক্ষেত্ৰত এওঁলোকে যথেষ্ঠ সুবিধাই ভোগ কৰিছে অথচ Industry সম্বন্ধে তেওঁলোকৰ কোনো খিয়ালেই নাই । তেওঁলোকে কোনো মিটিং আদিও attend নকৰে । মাননীয় অধ্যক্ষ মহোদয়, এই সদনৰ এজন সদস্যই কোৱা Industry ৰ কথা শুনিছে। মই Mineral Corporationৰ Development ৰ কথা কৈছিলো। এটা ঘানী কলো আছে । এই সকলো বিলাক গভৰ্ণমেণ্টৰ হাতলৈ অহাত Industry Director ৰ হাতত বন্ধ হৈ যোৱাটো স্বাভাৱিক। এইবিলাক Government Policy য়েই । এই Politics ৰ খেলাৰ মাজত পৰি আজি সকলো বন্ধ হোৱাৰ উপক্ৰম হৈছে । অথচ এই বিলাক ঘটনা আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ চকুৰ আগতে সংঘটিত হৈছে, নাকৰ আগতে টিপিলঘিলাই অধিকৰ্ত্তা সকলে এনে কাম কৰিছে কিন্তু তালৈ তেখেতৰ কোনো ভ্ৰূক্ষেপেই নাই । সেই কাৰণেই আজি তেখেতৰ ওপৰত, তেখেতৰ দ্বাৰা পৰিচালিত হোৱা চৰকাৰৰ ওপৰত এই অনাস্থা প্ৰস্তাৱ দিবলৈ বাধ্য হৈছোঁ ।

অকল Industry ৰ ক্ষেত্ৰতে নহয় আৰু উদাহৰণ দেখা যায় । Social Welfare ৰ যিজন অধিকৰ্ত্তা সেইজনক Suspend কৰা হ'ল । কেলেই তেখেতক Suspend কৰা হ'ল ? কৰা হ'ল এই কাৰণেই যে তেখেতৰ কাৰ্য্য-কলাপৰ কাৰণে এই সদনত আলোচনা বিলোচনা কৰি দাবী কৰা হল । সেয়েই নোহোৱা হলে হয়তো তেখেতক Suspend কৰা নহলেইহেতেঁন । গুৱাহাটীত এটা কলা-বোবাৰ স্কুল কাহিলী পাৰাত আছে । আগতে এইটো প্ৰাইভেট আছিল আৰু এতিয়া এইটো গভণমেণ্টৰ হাতলৈ আহিছে । ইয়াত Appointment দিয়া হ'ল কোনো training নথকা এগৰাকী ছোৱালীক। এগৰাকী এই উদ্দেশ্যে উপযুক্ত অৰ্হতা নোহোৱা Destitute House ত চাকৰি কৰা ছোৱালীক Assam Public Service Commission ৰ কোনো regularisation নোহোৱাকৈ, কোনো recommendation নথকাকৈয়ে Regulation ত appointment দিয়া হ'ল । অথচ তাৰ কাৰণে দুজন B. A., B. Sc. ডেকাক প্ৰশিক্ষণ দি অনাৰ পিছতো থাকি গ'ল। * * * * * * এইটো মুখ্যমন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি সত্যাসত্যৰ প্ৰমাণ লব পাৰে। * * * এইটো কথা অতি সোনকালে বিচাৰ কৰিব লাগে। * * *

অকল সেইটোৱেই নহয় আৰু আছে। তেওঁৰ ঘৰতে Guest House কৰা হৈছে। সেই লৰা-ছোৱালীবোৰৰ মাক-বাপেক, অভিভাৱক বা আন কোনো কোনো মানুহ আহিলে জিৰণিৰ কাৰণে মানুহক সুবিধা দিয়াৰ কাৰণে huge expenditure কৰা হৈছে। (Voice : Shame ! Shame!) সিমানেই নহয় । টেলিগ্ৰাম কৰি এজন মানুহ কলিকতাৰ পৰা মতাই আনি তাত Assam Public Service Commission ৰ কোনো recommendation নোহোৱাকৈয়ে Regulation ও (f) ত appointment দিয়া হ'ল তেওঁৰ কোনো সেই

* * *Portions expunged as ordered by the Chair.

বিষয়ৰ অহতা নথকা সত্ত্বেও । অথচ সেই ট্ৰেইনিং লৈ অহা B.A., B.Sc. ডেকা দুজন বহি আছে । তেওঁলোকৰ হলে কোনো ব্যৱস্থা নাই । আৰু এই ছোৱালী-গৰাকীক Deputation ত A.P.S.C. ৰ কোনো recommendation নোহোৱা-কৈ প্ৰশিক্ষণৰ কাৰণে পঠিয়াই দিয়া হ'ল ।

(Bell)

মুখ্যমন্ত্ৰীৰ চকুৰ আগতে সদায় এইবিলাক ঘটনা ঘটি আছে কিন্তু শাসনৰ গদীত বহি থকা এই চৰকাৰৰ কোনো খিয়ালেই নাই ।

তাৰ পিছত আৰু এটা কথা কওঁ---আইন সম্বন্ধীয় কথা—এই অনাস্থা প্ৰস্তাৱক সমথন কৰি ।

Motor Vehicles Act মতে State Transport ৰ ক্ষমতাত ১৯৫৪ চনত এটা Act কৰে । তাৰ পৰা ১৯৫৬ চনত Transport Rule মতে Transport Road Board কৰে । ইতিমধ্যে ১৯৫৭ চনৰ ফেব্ৰুৱাৰী মাহত Nationalisation ৰ নামত সংসদত এইটো বদলাই এট Chapter কৰি State Transport ৰ ক্ষমতা নাকচ কৰি দিলে । ক্ষমতা নাকচ কৰি দিয়া স্বত্বেও আজিও এইটো জাৰি আছে । যদি এই সম্পৰ্কে হাইকৰ্টত গোচৰ কৰা হয় তেন্তে লক্ষ লক্ষ টকাৰ কথা আহি যাব । তেতিয়া এই টকা দিব লাগিব অসম চৰকাৰৰ ফালৰ পৰা এনেকৈ কত যে বিসঙ্গতিপৰ্ণ ঘটনা ঘটিব লাগিছে সেই বিলাকৰ প্ৰতি চৰকাৰৰ কোনো কাণষাৰেই নাই । কোটি কোটি টকাৰ অপব্যয় হব লাগিছে । এই বিলাকৰ কাৰণেই আজি বিৰোধী দলৰ পৰা যি অনাস্থা প্ৰস্তাৱ উৎথাপন কৰিছে তাক মই সমৰ্থন কৰি বহিলো ।

***Shri Nakul Chandra Das** : অধ্যক্ষ মহোদয়, বিৰোধী দলৰ সদস্য সকলে অসম বসকলোৰে আস্থা থকা মুখ্যমন্ত্ৰী শ্ৰীচলিহা ডাঙৰীয়াৰ মন্ত্ৰীসভাৰ ওপৰত যি অনাস্থা প্ৰস্তাৱ আনিছে আৰু বিশেষকৈ মাননীয় সদস্য বৰা ডাঙৰীয়াই যি কেইটা সমস্যাৰ কথা উল্লেখ কৰিছে সেই কেইটা সমস্যাৰ গুৰুত্ব মই অস্বীকাৰ কেতিয়াও কৰা নাই আৰু সেই কেইটা জীৱন-মৰণ সমস্যা আৰু সেই কথা উপলব্ধি কৰিয়েই শ্ৰীচলিহা ডাঙৰীয়াৰ যোগ্য নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পৰোক্ষ বা প্ৰত্যক্ষভাৱে সেই সমস্যা-ৱলী সমাধান কৰিবৰ কাৰণে হেচা দি আহিছে ।

অধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে অসমৰ এই ন্যায্য সমস্যা বিলাকৰ প্ৰতি আমাৰ মনোভাৱ এতিয়াও একেদৰেই আছে । কিন্তু এই সমস্যাৱলী সমাধানৰ পটভূমিত ব্যাখ্যা কৰি বিৰোধীদলৰ সদস্য সকলে বিকৃত আৰু অতিৰঞ্জিত কৰিছে । তাত মই কেতিয়াও একমত হব নোৱাৰো । অসমৰ চৰকাৰে অসমৰ ন্যায্য দাবী সমূহ পূৰণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক সদায়ে হেঁচাদি আহিছে আৰু এটাৰ পিছত এটাকৈ শ্ৰীচলিহা ডাঙৰীয়াৰ নেতৃত্বত এই জটিল সমস্যাবিলাক সমাধান হৈয়ে আহিছে । যেনে ;—অসমৰ জটিল সমস্যা, অসমৰ ভাষা সমস্যা সমাধান, পাকিস্থানী অনু-প্ৰৱেশকাৰীৰ সমস্যা সমাধান—ইত্যাদি সকলো ক্ষেত্ৰতে শ্ৰীচলিহাদেৱে সৰল দৃষ্টিভঙ্গীৰ লগত সমন্বয় ঘটাই এই সমস্যা সমূহ অসমৰ জাতীয় জীৱনৰ লগত ওতঃ-প্ৰোত ভাৱে জড়িত থকা বুলি স্বীকাৰ কৰি সেই-বোৰৰ সু-সমাধানৰ কাৰণে চেষ্টা কৰি আহিছে আৰু তাকে কৰিবলৈ যাওঁতে প্ৰত্যক্ষ লক্ষ্যও থিক আছে । শ্ৰীচলিহা ডাঙৰীয়াই অসমৰ ন্যায্য দাবী সমূহৰ সত্যতা প্ৰতিপন্ন কৰিবৰ কাৰণে যি সৰল ভূমিকা-লৈছে সেইটো কেন্দ্ৰীয় চৰকাৰ অৰ্থাৎ সৰ্ব্ব ভাৰতীয় নেতা সকলেও স্বীকাৰ কৰিব লাগিব ।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন চাৰিওফালে শত্ৰু ৰাষ্ট্ৰৰ পৰিবেষ্টিত । এই দুৰ্দশাগ্ৰস্ত ৰাজ্যখনত নানা প্ৰকাৰৰ সমস্যা চলি আছে । এই সমস্যাৰ সুযোগ লৈ যদি কোনো ৰাষ্ট্ৰই কোনো অংশ বেদখল কৰিবলৈ চেষ্টা কৰে তেনেহলে আমাৰ নিৰাপত্তা নাথাকিব । এই বিষয়ে আমাৰ চৰকাৰ সম্পূৰ্ণ সজাগ । আজি চলিহা ডাঙৰীয়াৰ সম্পৰ্কে যিবিলাক কথা উপস্থাপিত কৰা

*Speech not corrected

হৈছে সেই বিলাকলৈ আমি যদি দৃষ্টি নিক্ষেপ কৰো তেনেহলে আমি কব পাৰো যে তেখেত আৰু তেখেতৰ চৰকাৰ অসম ৰাজ্যৰ বিভিন্ন সমস্যাৰ প্ৰতি সম্পূৰ্ণ সজাগ আৰু যি ৩১ জন সদস্যই তেখেতৰ প্ৰশাসনৰ বিৰুদ্ধে চহী কৰিছিল বুলি বিৰোধী সদস্য সকলে ইয়াত বিশেষভাৱে কংগ্ৰেছ অনস্থানৰ দৰ্নাম কৰিব খুজিছে সেই সংক্ৰান্তত মই কব পাৰো যে অসমৰ প্ৰশাসন ব্যৱস্থাৰ বিষয়ে নিজৰ অভিমত জনাবৰ সকলো সদস্যৰ অধিকাৰ আছে। বিৰোধী সদস্যৰ যিদৰে সমালোচনা কৰাৰ অধিকাৰ আছে কংগ্ৰেছ সদস্যৰো সেই একে অধিকাৰ আছে। সেই কাৰণে আমাৰ প্ৰশাসনীয় ব্যৱস্থাত যদি কিবা আসোঁৱাহ থাকে তাকে সুস্থ কৰিবৰ বাবে দাবী জনাবৰ অধিকাৰ সকলোৰে আছে।

**Shri Kamini Mohan Sarma :** কোনোবাই বোলে কান্দিছিল হয় নে?

**Shri Nakul Chandra Das :** কন্দাটো মাত্ৰ অভিনয়হে। Railway ৰ কাৰণে, তেল শোধনাগাৰৰ কাৰণে দাবী হব লাগে, সেইটো আমি কেতিয়াও নুই কৰা নাই। ইয়াৰ কাৰণে যদি কোনোবাই অসমৰ ৰাইজক পথভ্ৰষ্ট কৰিব খোজে তেনেহলে আমি তাক কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। বৰঞ্চ সেই দাবী সমূহৰ কাৰণে চলিহা ডাঙৰীয়াই যি চেষ্টা কৰিছে সেই চেষ্টা আমি সকলোৱে একত্ৰিত হৈ চলিহা ডাঙৰীয়াৰ হাত শক্তিশালী কৰিব লাগিব। কিন্তু বিৰোধীদলৰ সদস্য সকলে মধে-মধে তেখেতৰ চেষ্টা বিভিন্ন প্ৰকাৰে সমালোচনা কৰি বৰ্ত্তমান চৰকাৰৰ দুৰ্নাম কৰিবৰ চেষ্টা কৰিছে। আজি North East Frontier Railway ৰ ডিভিজনেল অঁচনিৰ যি দাবী কৰিছে তাৰ লগত মই একমত। সিদিনা চলিহা ডাঙৰীয়াই ইমান যুক্তি প্ৰদৰ্শন কৰাৰ পিচতো এইদৰে ছালেবাৰে কোৰাই থকাটো উচিত নহয়। মৰা ডাঙৰীয়াই মাটিবাৰী সম্পৰ্কত যি কৈছে সেই কথা মই মানি লৈছো কিন্তু আজি এমাহৰ আগতে তেখেতে দিল্লীত বিবৃত্তি দিছিল যে তেখেত সকলে মাটিহীন লোকক মাটি দিছে। কিন্তু বিৰোধী দলৰ দায়িত্বপূৰ্ণ সদস্যই যদি ৰাইজক এইদৰে বিপথগামী কৰে তেনেহলে সেইটো জনসাধাৰণে কেতিয়াও মানি নলব। জনসাধাৰণক যিদৰে বিপথগামী কৰি আহিছে তাৰ দ্বাৰা ভূমি সমস্যা কেতিয়াও সমাধান হব নোৱাৰে। ভূমিহীন খেতিয়কক মাটি দিব লাগে। তাত মোৰ কোনো দ্বিমত নাই। আহক আমি সকলোৱে মিলি এই সমস্যা সমাধানত একত্ৰিত হওঁ। কিন্তু আচৰিত কথা কমিউনিষ্ট নেতা সকলে চাহ বাগিচাৰ মাটি বেদখল কৰি মাটি থকা নথকা যি কোনো মানুহক মাটি বেদখল কৰিবলৈ উচতাই দিছে।

**Shri Motilal Nayak :** ইয়াৰ আগতে ন্যস্ত স্বাৰ্থৰ মানুহক চৰকাৰে মাটি দিছে সেই কথা চৰকাৰে অস্বীকাৰ কৰিব পাৰিব নে?

**Shri Nakul Chandra Das:** আমি সকলোৱে একমত হৈ প্ৰস্তাৱ লৈছিলো যে অসমত এটা ২য় তেল শোধনাগাৰ পাতিব লাগে। অসমৰ ভূমিহীন মানুহক ভূমি দি তেওঁলোকৰ সকলো প্ৰকাৰে উন্নতি কৰিব লাগে। আজি অসমক নানা সমস্যাই জুমুৰি দি ধৰিছে। তেল শোধনাগাৰ, ৰেলৱে সদৰ কাৰ্য্যালয়ৰ দাবীয়েই বৰ্ত্তমান অসমৰ প্ৰধান সমস্যা। তদুপৰি অসমৰ চুকে-কোণে থকা সকলো মানুহক সকলো দিশত উন্নতি কৰি নিবলৈ আমি ঐক্যবদ্ধ ভাৱে চেষ্টা কৰিব লাগিব। বিৰোধী দলে ৰাজনীতিৰ ক্ষেত্ৰত বিৰোধীতা কৰিবই কিন্তু কেৱল চৰকাৰক বিৰোধীতা কৰিলেই সমস্যা সমাধান নহয়। ২য় তেল শোধনাগাৰৰ যি দাবী আমাৰ ৰাইজে আজি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পেচ কৰিছে এই দাবীত আমি সকলোৱ ৰাজনৈতিক ভেদাভেদ পাহৰি ঐক্যবদ্ধ ভাৱে ঠিয় দিলে কেন্দ্ৰীয় চৰকাৰ সৈমান হবই হব।

অৱশ্যে এটা সুস্থ শাসন পদ্ধতিৰ কাৰণে চৰকাৰৰ দোষ-ত্ৰুটি আঙুলিয়াই দিয়াটো অৱাঞ্চনীয় নহয়। কিন্তু সেই দোষ-ত্ৰুটি আঙুলিয়াবলৈ গৈ চৰকাৰক শাসনৰ গাদী এৰি দিবলৈ দাবী কৰাৰ কোনো যুক্তি যুক্ততা নাই। সেই কাৰণে মই বিৰোধী দলৰ সদস্যসকলক অনুৰোধ জনাওঁ যে তেখেতসকলৰ অনাস্থা প্ৰস্তাৱটো যেন উঠাই লয়। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Bishwanath Upadhyaya:** माननीय अध्यक्ष महोदय ! विरोधी पक्ष की तरफ से जो प्रस्ताव पेश किया गया है उसके विरोध में मुझे २-४ शब्द कहने हैं । माननीय मुख्य मंत्री महोदय के पास हमारी पार्टी के सदस्योंने लिखकर जो प्रतिवेदन दिया था उस बारे में विरोधी पक्ष की ओर से आलोचना हुई है । इस सम्बन्ध में हमारा कहना यह है कि यह हमारा घरेलू मामला है । इससे माननीय मुख्य मंत्री महोदय में अविश्वास प्रकट करना किसी का उद्देश्य न था । यह हमारा अधिकार है कि हम पार्टी की विभिन्न बातों और समस्याओं को लेकर मुख्य मंत्री महोदय से मिले और अपनी मांगों को पेश करें । हमारी पार्टी की त्रुटियों के बारे में उनका ध्यान आकर्षित करें ।

महोदय उस प्रतिवेदन पर दस्तखत करने वाले सदस्यो में मैं भी एक था । (Voices) अध्यक्ष महोदय ! आप जानते हैं कि अपना लिखित प्रतिवेदन पेश करने के पहले हम उनसे मिलना चाहते थे । किन्तु उनकी अस्वस्थता के कारण तथा Doctor की सलाह, जो कि उनको किसीसे मिलना नहीं चाहिये, यह संभव नहीं हो सका । तो हम लोगोंने उनको लिखकर दिया । इस संबन्ध में बहुत से लोगों को गलतफहमी हुई कि हम माननीय मुख्य मंत्री पर अविश्वास प्रकट कर रहे है । लेकिन जब हम सबने मिलकर सर्वसम्मति से उनपर अपना विश्वास प्रकट किया तो यह गलत फहमी दूर हो गयी ।

महोदय ! अभी अभी जो बात उठी है उस संबन्ध में मैं एक बात कहना चाहता हूँ । यह आसाम के लिये खुसी और गौरव की बात है कि आज आसाम को श्रीचलिहा जैसे नेता मिले हैं । यह बात हम ही नहीं, बल्कि १९६० में भाषा आन्दोलन के समय भारत के गृह-मंत्री माननीय श्रीगोविन्द वल्लभ पंतजी ने Parliament में भी कहा था । मैं श्रीपंत जी के भाषण का वह अंश पढ़ना चाहता हू "and could the President find a better man for administering the affairs of Assam.........." (Voice from the Opposition: Then why did you put your signature)........................... Shri Chaliha enjoyed the confidence of everybody. Even in this House every one has spoken highly about his impartiality, about his liberal outlook and about his desire to do justice to one and all"...........................) (voice from the Opposition in Hindi-

पंत जी कहते ह..................

(Voices and uproar)

मैं यह कहना चाहता हूँ कि श्रीचलिहा के बारे में सिर्फ हमारे ही नहीं बल्कि भारतवर्ष के प्रमुख लोगों का यह मत है कि श्रीचलिहा आसाम के सर्वमान्य नेता है ।

( Voices—आप मंत्री सभा में सामिल नहीं किये जायेंगे । अब मीठा तेल का दाम बढ़ जायेगा ।)...............

**Shri Bishwanath Upadhyaya:** इस संबन्ध में हम यह भी कह देना चाहते हैं कि अगर श्रीचलिहा जैसे आसाम के नेता न रहे तो काछाड़ आसाम के साथ नहीं रहेगा ।

(Noise)

**Shri Nakul Chandra Das:** Mr. Speaker, Sir, may I request that this sort of language should not be used

**Mr. Speaker:** Order, order. I have already stated that we are discussing an important Motion and therefore you should all give facilities to other Members for ventilating the different viewpoints on the subjects that come before the Assembly. Therefore, we should not make remarks which are not very much palatable.

**Shri Dulal Chandra Barua:** মিঠা তেলৰ দাম বাঢ়িছে ।

**Shri Jagannath Sinha:** তেল দিয়াৰ কি কথা কৈছে ?

**Shri Phani Bora**: Sir, that is a sycophancy which is spoiling Mr. Chaliha. This is killing the politics of Assam and it is an instrument to the disruption of Assam. This is a political question.

(Upoar from both sides of the House)

**Mr. Speaker**: Order, order. I request the hon'ble Members not to use any expression which may be unpalatable and irritating. The Members have got freedom of speech in this House and the other Members should give them facilities to express their views in their own way. I hope this will be followed by the hon. Members in course of the debate.

**Shri Dulal Chandra Barua**: He should not use such kind of languge. We warn him through you.

**Shri Sadhan Ranjan Sarkar**: Who is he to warn ?

**Mr. Speaker**: Order, order. Warning is a matter for the Chair. The Chair will issue directions to the Members. Therefore, the Members should not use such language. If such languages are resorted to then the atmosphere of this House will not remain good.

**Shri Jagannath Sinha**: The Members of that Bench should not try to give any Ruling. If any Ruling is to come it should come from you.

**Mr. Speaker**: I have already said that if any Member wants to say anything he should say it through me and not directly.

**Shri Kamini Mohan Sarma**: শ্রীজগনাথ সিং ... ... (Noise)

**Shri A. N. Akram Hussain**: তেতেখেতে অসমৰ সমস্যাৰ কথা কোৱা নাই।

**Shri Jagannath Sinha**: Mr. Speaker, Sir, the hon. Member has called me by my first name. I take strong objection to it.

**Shri Rothindra Nath Sen**: Possibly the hon. Member has just managed to forget that Jagannath is the name of God. So, by calling him by the first name Shri Sarma has taken the name of God.

**Shri Bishwanath Upadhyaya**: हम काछाड़ के प्रतिनिधि हैं। हम अपने विचारों को स्पष्ट रूप से व्यक्त करना चाहते है। हमको एक अच्छा नेता मिला हुआ है। और अगर ऐसा नेता न मिले हम कैसे साथ रह सकते है?

यह जो प्रस्ताव लाया गया है

(Voices and uproar)

**M. Shamsul Huda**: অসমৰ বাইজেলেন মাছাৰক তালিব লোজা নাই।

(Noise)

**Shri Atul Chandra Goswami**: কাছাৰে গলে চালাহত কাৰনেই সাচ।

**Shri Bishwanath Upadhyaya**: आज की सरकार श्रीचलिहा की सरकार है। यहाँ पर लिखा हुआ ह कि the Ministry headed by Shri Chaliha.

महोदय ! आप जानते हैं कि काछाड़ में भी बहुत सी समस्यायें ह हमारी शिकायत है कि जब आसाम में कोई आन्दोलन होता है तो काछाड़ के बारे में नही सोचा जाता। लेकिन जब आसाम कीं समस्याओं को लेकर जब कोई आन्दोलन होता है तो हम उनके साथ सहयोग करते हैं। अभी Railway Division और Oil Refinery को लेकर जो आन्दोलन हुए उसमें हम आसाम के साथ रहे काछाड़ में भी Strike हुई। हम चाहते हैं कि आसाम में कोई आन्दोलन हो तो काछाड़ को भी साथ रखना चाहिये। हमको भी उसमें include करना चाहिये। इस तरह हमारा काम बनेगा। हमारे

सहयोग के बिना काम कैसे हो सकता है। सिर्फ Assam Valley को लेकर आन्दोलन करना ठीक नहीं है। आसाम की मांगों के साथ काछाड़ की मांगों की भी list बना लेनी चाहिये और काछाड़ की मांगों को भी include कर लेना चाहिये। हमारा कहना है, महोदय! यह जो अविश्वासका प्रस्ताव लाया गया है वह अच्छा ही हुआ है। इससे हमारी मांगें Refinery और Railway Division भी हैं तो इससे हमारी सरकार का हाथ मजबूत होता है। इसमें हम सब सहयोग दें और इन मांगों को पूरा करनेकी कोशिश करें।

इन शब्दों के साथ मैं अविश्वास के प्रस्ताव का विरोध करता हूँ और विरोधी पक्ष के माननीय सदस्यों से यह अनुरोध करता हूँ कि वे अपना प्रस्ताव वापस ले लें।

**Shri Kamini Mohan Sarma** : माननीय अध्यक्ष महोदय, माननीय सदস্য শ্ৰীজগন্নাথ সিং ডাঙৰীয়াই যদি তেনেকৈ আগবাঢ়িব খোজে তেনেহলে আমিও আগবাঢ়িবলৈ বাধ্য হম।

**M. Shamsul Huda** : আমাৰ যিটো অনাস্থা প্ৰস্তাৱ তাত শ্ৰীচলিহাৰ ব্যক্তিগত কাৰণত অনাস্থা দিয়া নাই; তাত শ্ৰীচলিহা মন্ত্ৰী সভাকহে অনাস্থা দিয়া হৈছে। গতিকে মাননীয় সদস্য সকলে জনা উচিত যে আমি চৰকাৰৰ নীতিকহে সমালোচনা কৰিছো শ্ৰীচলিহাক ব্যক্তিগত হিচাবে নহয়। ব্যক্তি এজনক তোষামোদ কৰাৰ ইয়াত স্থল নাই।

**Shri Soneswar Bora** : মাননীয় উপাধ্যক্ষ মহোদয়, জয়জয়তে আমাৰ ফালৰ পৰা যিটো অনাস্থা প্ৰস্তাৱ ডাঙি ধৰিছে সেই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিছো। অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ গৈ মই অসমৰ বেলৰে ডিভিজন আঁচনি, তেল শোধনাগাৰ, পৰিবহন, মাটি সমস্যা সমাধান, নিবনুৱা সমস্যা আদি বিষয়ৰ কেইটামান কথা কবলৈ বিচাৰিছো।

ফৰিদাবাদ বুলি এটা কথা ওলাইছে, আমি কাহানিও ফৰিদাবাদৰ কথা কোৱা নাছিলো। অসমৰ বাইজে Railway Division আঁচনিৰ কথা আগতে কোৱা নাছিল। ৰেল সম্প্ৰসাৰণৰ কথাহে কৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে ৰেল সম্প্ৰসাৰণ অসমত নকৰি ডিভিজনেল আঁচনিৰ কথা আনিলে। কেন্দ্ৰৰ আঁচনি অসমৰ ৰাইজৰ মনঃপুত নোহোৱাত অসমত ৰেলৰে ডিভিজন আঁচনি বিৰোধৰ কৰ্ম্ম পৰিষদ গঠন হ'ল। অসমত নিবনুৱা সমস্যা সমাধান, অসমৰ পৰিবহন উন্নতি আদি দাবী আছেই। যোৱা ২৮ এপ্ৰিল তাৰিখে ৰেলৰে ডিভিজন আঁচনি বিৰোধী কৰ্ম্ম পৰিষদে "অসম বন্ধ" ধৰ্মঘটৰ আহ্বান দিলে। কিন্তু সেই সময়তে ফৰিদাবাদত কংগ্ৰেছৰ সৰ্ব্বভাৰতীয় অধিবেশন বহি থকাত যোৱা ২৭ এপ্ৰিল তাৰিখে কেন্দ্ৰীয় ৰেল মন্ত্ৰী ৰাম সুভাগ সিংহৰ লগত সিদ্ধান্ত হোৱা বুলি এক প্ৰেছ বিজ্ঞপ্তি অসম চৰকাৰে প্ৰকাশ কৰিলে। আৰু অসমৰ ৰাইজৰ দাবী মানি লোৱা বুলি কৈ ২৮ তাৰিখৰ "অসম বন্ধ" বন্ধ কৰিবলৈ আহ্বান জনালে। এতিয়া দেখা গ'ল চৰকাৰে ৰাইজক এইখিনি প্ৰবঞ্চনা আৰু প্ৰতাৰণা কৰিলে। ফৰিদাবাদত সিদ্ধান্ত হোৱা বুলি চৰকাৰী প্ৰেছ বিজ্ঞপ্তি খনত কোৱা হ'ল যে (১) ৰঙিয়াত এটা পূৰ্ণ Division কৰা হব; (২) লামডিঙত পূৰ্ণ Division আৰু (৩) তিনচুকিয়াত বৰ্ত্তমান transportation Division কৰা হব আৰু পাছত পূৰ্ণ ডিভিজন কৰা হব। (৪) লগতে কোৱা হ'ল যে ডিভিজনেল কাৰ্য্যালয়ৰ পৰা হব লগা নিযুক্তিৰ ক্ষেত্ৰত থলুৱা লোকক অগ্ৰাধিকাৰ দিয়া হব; (৫) Divisional আঁচনি কাৰ্য্যকৰী কৰিবলৈ যাওঁতে অসমৰ কোনো কৰ্ম্মচাৰীকে অসমৰ বাহিৰলৈ বদলি কৰা নহব; (৬) লগতে কোৱা হ'ল যে প্ৰয়োজন হলে আঁচনিৰ খুটিনাটি পুনৰ আলোচনা কৰা হব। উপৰুক্ত ঘোষণাৰ লগতে কোৱা হ'ল যে ইয়াত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে অনুমোদন জনাইছে। এতিয়া শ্ৰীচলিহা ডাঙৰীয়াই বিধান সভাৰ মজিয়াত দিয়া বিবৃতিত প্ৰধান মন্ত্ৰীৰ এই অনুমোদনৰ কথাৰ কোনো উল্লেখ নাই। তেখেতে এতিয়া কৈছে যে যিমানদূৰ সম্ভৱ শীঘ্ৰে ৰঙিয়াত Divisional অফিচ কৰাৰ কথা আছিল। কিন্তু এতিয়া শ্ৰীচলিহাই বিবৃতিত যথাসম্ভৱ শীঘ্ৰে বা as soon as ৰঙিয়াত Divisional অফিচ কৰিব বুলি দিছে। যাহওক এই ক্ষেত্ৰত বহুতো

আলোচনা হৈ গৈছে। আমি দাবী কৰো যে ফৰিদাবাদত অসমৰ বিত্ত মন্ত্ৰী, কংগ্ৰেছ সভাপতি শ্ৰীবিজয় ভাগৱতী, কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীফকৰউদ্দিন আলি আহম্মদ, কেন্দ্ৰীয় ৰেল মন্ত্ৰী শ্ৰীৰাম সুভাগ সিংহৰ মাজত যি সিদ্ধান্ত হৈছিল আৰু চুক্তি হৈছিল সেই দলিলখন বিধান সভাত দাখিল কৰিব লাগে। নহলে চলিহা মন্ত্ৰী সভাৰ ওপৰত অসমৰ ৰাইজ ক্ষুদ্ধ হৈ উঠিব। আৰু এই চৰকাৰৰ ওপৰত ৰাইজে বিশ্বাস নকৰে যিহেতু সদনক ফাঁকি দিয়া আৰু প্ৰৱঞ্চনা কৰা হৈছে।

এতিয়া এইটো কথালৈ আহিব খুজিছো যে উত্তৰ পূব সীমান্ত ৰেলৱেত ৭৮০০০ জন চাকৰীয়ালে চাকৰি কৰিছে। উত্তৰ-পূব সীমান্ত ৰেলৰ ⅓ ভাগ অসমতে আছে। অথচ এইটো ডাঙৰ কথা হৈছে যে, অসম ৰাজ্যত থকা চাকৰীয়াল ৫৫০০০ জন। এই ৫৫০০০ হাজাৰ চাকৰীয়ালৰ ভিতৰত নিম্ন খাপৰ চাকৰীয়ালেই বেচি। নিম্নখাপৰ চাকৰীয়ালবোৰ নিয়োগ কৰা হয় ৰেলওৱে জিলাবোৰত। জিলা কেইখন হ'ল, তিনচুকীয়া, লামডিং, আলিপুৰ দুৱাৰ, কাথিয়াৰ। অসমৰ ভিতৰত থকা ৰেল পথৰ ভিতৰত প্ৰায় আধা ভাগ যেনে চিৰামপুৰ অসমৰ পৰা আগিয়া-ঠুটিলৈ আৰু ধুবুৰিৰপৰা মোৰককচেলেকলৈকে এই ৰেল পথ ছোৱা আলিপুৰ দুৱাৰ জিলাৰ অধীনত পৰিচালিত হয়। গতিকে আলিপুৰ দুৱাৰ জিলাৰ যি কোনো চাকৰীয়াল পিৱন আদি নিয়োগ কৰিবলগীয়া হলেও তেওঁলোকেই কৰি আহিছে। গতিকে চাকৰি বেচি ভাগ অসমৰ লৰাই নাপায়। ১৯৪৭ চনত অসমত মানুহ (অসমীয়া, বঙালী আদি লৈ) অসমৰ ৰেলত নিযুক্ত আছিল ২৫০০ জন। কিন্তু বৰ্ত্তমান সেই সংখ্যা ১১০০০ হৈছেগৈ। গতিকে তৃতীয় ডিভিজন অসমত নহলে বা গোৱালপাৰা, কামৰূপৰ ভিতৰত বিশেষকৈ বঙাইগাওঁত division এটা নহলে চাকৰি, ব্যৱসায় সকলো ক্ষেত্ৰতে আৰু ৰেলওৱেৰ ভৱিষ্যত সম্প্ৰসাৰণৰ কাৰণে আমাৰ অসমৰ ক্ষতি হব। ফৰিদাবাদত চুক্তি সম্পন্ন নোহোৱাৰ কাৰণে বঙাইগাওঁ আৰু ৰঙাপাৰাৰ পৰা অফিচ উঠি যাব লগা হোৱাৰ কাৰণে ৪০০ চাকৰীয়াল এতিয়ালৈকে স্থানান্তৰ হ'ল। আৰু ২৩০০ চাকৰীয়াল স্থানান্তৰ হব। গতিকে নিয়োগৰ ক্ষেত্ৰত আৰু সংকীৰ্ণ হৈ থাকিব। অসমত ১৯৪৭ চনত চাকৰি ৪০,০০০ আছিল। বৰ্ত্তমান প্ৰায় ১ লাখ। যোৱা ২০ বছৰে ৬০ হাজাৰ মানুহক চাকৰি দিছে, মেট্ৰিক পাচ বা আণ্ডাৰ মেট্ৰিক পৰ্য্যন্ত পঢ়াই ইয়াত বেচি। অসমৰ বাকীবোৰ চাকৰীয়াল বাদ দিলে (নিয়োগ ক্ষেত্ৰত) একমাত্ৰ ৰেল খনেই। ওপৰৰ হিচাবত ৰেলৰ চাকৰিত থকা ১১,০০০ চাকৰীয়ালও আছে।

গতিকে অসম চৰকাৰে ৰেলক বাদ দি অন্য ৰাইজক চাকৰি দিয়া সুযোগ-সুবিধা নাই। কেন্দ্ৰীয় চৰকাৰৰ ৰেল মন্ত্ৰীয়ে কৈছে যে অসমত ৰেল সম্প্ৰসাৰণ কৰিব পাৰিলে বা হলে তৃতীয় ডিভিজন হব। অসমৰ ৰেলত যাত্ৰীৰ ভিৰৰ কথা কোনেও নজনা নহয়। তাৰ ওপৰিও ভাৰতৰ সমুদায় উৎপাদিত চাহৰ শতকৰা ৫২ ভাগ অসমতে হয়। ভাৰতৰ সমুদায় উৎপাদিত প্লাইউড্ শতকৰা ৫৫ ভাগ, মৰাপাট ১৫ ভাগ হয়। এই কাঠ, চাহ, মৰাপাট অসমৰ পৰা ৰেলেৰে কঢ়িয়াই নিয়ে। তাৰ ওপৰিও বাঁহ, বেট, তেল, কয়লা অনেক বস্তুকেই অসমৰ পৰা ৰেলেৰে নিয়া হয়। তাৰ উপৰিও নেফালৈ, নগা পাহাৰ, মণিপুৰ, ত্ৰিপুৰা, কাছাৰলৈ ৰেল সম্প্ৰসাৰণ কৰিব লাগেই। গতিকে অসমত ট্ৰেফিক নোহোৱা নহয়। কিন্তু এইবোৰ কংগ্ৰেছ চৰকাৰে নেভাবে। চৰকাৰে ভাবিছে নুনমাটিৰ তেল শোধনাগাৰটোকে কিছু সম্প্ৰসাৰণ কৰিলেই হব। কিন্তু অসমৰ ৰাইজৰ দাবী দ্বিতীয় তেল শোধনাগাৰ এটা তেল পথাৰতে বা তাৰ সমীপতে পাতিবই লাগিব। এই দ্বিতীয় তেল শোধনাগাৰ অসমৰ উজনীত হলে ৰেল পথ ব্ৰডগজ ডিব্ৰুগড়লৈকে কৰিবলৈ চৰকাৰ বাধ্য হব। আৰু এই ব্ৰডগজ ৰেল হলে অসমত ৰেহা ৰেপাৰ, খাদ্য সম্ভাৰ অনা-নিয়া আদিকে লৈ সকলো সুচল হব। তাৰোপৰি যোগীঘোপাত আৰু শিলঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত ৰেল দলং আৰু গুৱাহাটী, জখলাবন্ধা, বাদুলিপৰা, ডিব্ৰুগড় লৈ বিকল্পৰেল পথৰ দাবী আমাৰ আছে। কিন্তু অসমৰ শ্ৰীবিমলা চলিহাৰ কংগ্ৰেছী চৰকাৰে এইবিলাক কৰাত ব্যৰ্থ হৈছে। গতিকে এই অপদাৰ্থ যেনা চৰকাৰ এটা গাদীত থকাৰ কাৰশ্যক নাই।

গতিকেই এই অনাস্থা প্ৰস্তাৱ অনা হৈছে অসমত দ্বিতীয় তেল শোধনাগাৰ প্ৰতিস্থা।

আৰু ৰেল ডিভিজনেল আঁচনিৰ কাৰ্য্যকৰণৰ দাবীত অহা ৬ আগষ্টত শোধনাগাৰ আন্দোলন পৰিষদ আৰু ৰেল ডিভিজনেল আঁচনি বিৰোধী কৰ্ম্ম পৰিষদৰ আহ্বানত অসমৰ জনসাধাৰণে বিধান সভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিব। আৰু অহা ১২ আগষ্টতটো গোৱালপাৰা গণপৰিষদৰ আহ্বানত গোৱালপাৰাৰ নানান উন্নয়ণৰ দাবীত "গোৱালপাৰা বন্ধ" পালন কৰি সৰ্ব্বাত্মক ধৰ্ম্মঘট কৰিব। জনসাধাৰণৰ প্ৰতিনিধি হিচাবে এই খিনিকে জনালো। আজি দেশৰ জনসাধাৰণ আগবাঢ়ি আহিছে। এই অপদাৰ্থ, অযোগ্য চৰকাৰে গাদী এৰি নিদিলে ৰাইজেই এই চৰকাৰক গাদীচ্যুত কৰিবই। ইয়াকে কৈ অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিলো।

**Shri Kamini Mohan Sarma:** माननीय উপাধ্যক্ষ মহোদয়, মই এই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিছো। Railway divisional অফিচ সম্বন্ধে অসমৰ জনসাধাৰণৰ দাবী যে অসমৰ ৩টা Headquarters লাগে যিহেতুকে এই ৰেলৰ ⅔ ভাগ অসমৰ ভিতৰত পৰে। অসমৰ জনসাধাৰণে নানা ভাৱে দাবী কৰিছে আৰু আন্দোলন কৰিছে অসমত ৩টা এই Railway Headquarters ৰ কাৰণে। শেষত ফৰিদাবাদত সিদ্ধান্ত হ'ল আৰু সেই সিদ্ধান্ত কি কাৰণে হ'ল? এই সিদ্ধান্ত আছিল ৰঙিয়া, লামডিং আৰু তিনিচুকীয়াত ডিভিজনেল হেডকোৱাৰ্টাৰচ কৰা ইয়াৰ পাচত কি কাৰণে আকৌ বেমেজালিৰ সৃষ্টি হ'ল ? অসমৰ ৰাইজে ৰঙিয়া, লামডিং আৰু তিনিচুকীয়াত এই অফিচ হোৱাটোত অসম চৰকাৰৰ Press note ত সমৰ্থন দিছে। তথাপি ৰঙিয়াত কাম আৰম্ভ নকৰাৰ কাৰণ কি ? আৰু ফৰিদাবাদৰ সিদ্ধান্তৰ অন্তৰালত নিশ্চয় কিবা এটা ৰহস্য আছে। এই সম্পৰ্কে মাননীয় সদস্য সকলে কেইবা বাৰো Telegram কৰিছে। ইয়াত অসমৰ স্বাৰ্থ জড়িত হৈ আছে। আমাৰ মাননীয় মূখ্য মন্ত্ৰীয়ে কেন্দ্ৰীয় ৰেল মন্ত্ৰীৰ লগত যোগাযোগ কৰি যি প্ৰতিশ্ৰুতি পাইছে সেই প্ৰতিশ্ৰুতি কাৰ্য্যকৰী হব লাগে। যদি নহয় এইটো অসম চৰকাৰৰ সন্মানৰ কথা, এইটো চলিহা ডাঙৰীয়াৰ ব্যক্তিগত সন্মানৰ কথা নহয়। অকল ৰেলৰ কথাই নহয় দ্বিতীয় তেল শোধনাগাৰ অসমত হবই লাগিব। ইয়াৰ কাৰণে ১০ হাজাৰ জনসাধাৰণে অনশণ কৰিছে। আৰু এই সদনত সৰ্ব্ব সন্মতিক্ৰমে এই দাবীৰ সমৰ্থনত প্ৰস্তাৱ গৃহীত হৈ গৈছে। আজিলৈকে ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা কৰাৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰাব পৰা নাই। সেই কাৰণে মই অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰিছো।

এটা গুৰুত্বৰ কথা যে গুৱাহাটীৰ আমবাৰীত খনন কাৰ্য্য কৰোতে যি আপুৰুগীয়া সম্পদ ওলাইছিল এইবোৰ প্ৰথম শতিকাৰ সম্পদ। সেই সম্পদ উদ্ধাৰৰ কাৰণে চৰকাৰে যি ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা লোৱা দেখা নাই। এই খনন কাৰ্য্যৰ পৰা আমাৰ সভ্যতা নিৰ্ণয় কৰিব পাৰি যেনেকৈ হাৰাপ্পা আৰু মহেঞ্জদাৰৰ সম্পদ ৰাজিয়ে সিন্ধু উপত্যকাৰ সভ্যতাৰ পৰিচয় দিলে। তাত Reserve Bank ৰ অফিচ সজাৰ কথা আৰু Sign Board এতিয়াও অৱ আছে।

তাৰ পাছত যিবিলাক পৰিয়াল প্ৰকৃত পক্ষে ভূমিহীন, সেই সকলেহে গৈ মাটি দখল কৰিছে। এই মাটি দখল কৰোতে চাব লাগিব যে বিশেষকৈ তাত কাৰ মাটি আছে ? এই বিষয়ে যোৱা সদনৰ বাজেটত আমাৰ মাননীয় সদস্য Shri A. N. Akram Hussain ডাঙৰীয়াই এটা প্ৰস্তাৱ উত্থাপন কৰিছিল। যি সকল প্ৰেছ ৰিপোৰ্টাৰৰ ঘৰৰ ভেটি নাই তেওঁলোকক গুৱাহাটীত মাটি দিবলৈ চৰকাৰে আজিলৈকে এই ব্যৱস্থা কৰিব পৰা নাই। অতি সোনকালে মাটিহীন কৃষক সকলক আৰু ঘৰৰ ভেটিহীন পৰিয়াল বৰ্গক মাটি দিব লাগে।

তাৰোপৰি আজি আমাৰ নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাই। খাদ্যত ভেজাল হৈছে। এই ভেজাল ৰোধ কৰিব পৰা নাই। চিকিৎসাৰ ক্ষেত্ৰটো এই চৰকাৰে একো কৰিব পৰা নাই আৰু শিক্ষা বিস্তাৰৰ নীতিটো চৰকাৰে শৃঙখলাবদ্ধ হিচাবে একোকে কৰিব পৰা নাই। যান-বাহনৰ ক্ষেত্ৰতো ব্যৰ্থ হৈছে। আৰু যান্ত্ৰিক পদ্ধতিত মিছাতে অযথা টকা অপচয় কৰিছে।

(সময়ৰ সঙ্কেত)

কিন্তু এই বিলাক ক্ষেত্ৰত চৰকাৰে আগ-বাঢ়িব পৰা নাই। অন্যকালে মই এইটো দেখিবলৈ পাইছো যে Fishery Department ত মাছ মৰিয়াসকলে কণীপৰা অৱস্থাতেই পুথি মাছ বোৰ মাৰি শেষ কৰে, এইটো বোধ কৰিবলৈহে মই কৈছোঁ।

(সময়ৰ সঙ্কেত)।

ছাৰ, এইটো কৈয়েই মই শেষ কৰিম। আমাৰ পৰিবহন ক্ষেত্ৰত চৰকাৰে পৰিবহনৰ ব্যৱস্থা একেবাৰে নাইকীয়া কৰিছে। কাৰণ আমাৰ পৰিবহন ব্যৱস্থাৰ গাড়ীবিলাক দেখিলে বৰ দুখ লাগে। এই গাড়ীবিলাক ভাল কৰাৰ কাৰণে চৰকাৰে একো চেষ্টা কৰা নাই। গাড়ীবিলাকৰ পাট বোৰ অ'ত ত'ত বিচাৰি হাবাথুৰি খাব লাগে। ফলত গাড়ীবিলাক গেৰেজত পৰি জমা হৈ আছে। গতিকে মই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

**Shri Jalaluddin Ahmed**: মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ সদস্যসকলৰ পৰা যিটো অনাস্থা প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰিছোঁ। উপৰুক্ত বক্তা সকলে কোৱাৰ দৰে আমাৰ এই কংগ্ৰেছ চৰকাৰে কোনো সমস্যাই সমাধান কৰিব পৰা নাই। Divisional Scheme কে আৰম্ভ কৰি ভূমিহীন, তেল শোধনাগাৰ ইত্যাদি আন আন বহুতো সমস্যা আছে, যি বিলাক সমস্যাত কংগ্ৰেছ চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। সেই কাৰণে আমাৰ মুখ্য মন্ত্ৰীৰ ওপৰত অনা অনাস্থা প্ৰস্তাৱটো মই সমৰ্থন কৰিছোঁ। বিশেষকৈ মোৰ অনাস্থা প্ৰস্তাৱ হৈছে আমাৰ ৰেভিনিউ মন্ত্ৰী ডাঙৰীয়াৰ ওপৰত—তেওঁ কিয় কেইজনমান অফিচাৰৰ সন্মুখত মোক ইতিকিং কৰি কথা কোৱাৰ দিনা—আমাৰ মাননীয় সদস্য শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ এম, এল, এ,এ ডাঙৰীয়াই জানে?

এতিয়া মোৰ কথা হৈছে যেতিয়া আমাৰ Revenue Minister বৰপেটালৈ গৈছিল তেতিয়া তেখেতৰ Tour Programme মতে মই Circuit House ত তেখেতক লগ ধৰিছিলোঁ। তেতিয়া তেখেতে মোক হঠাৎ Charge কৰিছে যে মই তোমাক বিচাৰি আছোঁ হয়! তুমি Assembly ত কিছুমান ভিত্তিহীন কথা কোৱা। বাঘবৰ মৌজাত ২০ মাহত ১৫টা Murder হোৱা বুলি কোৱা কথাষাৰ সঁচা নহয় বুলি ডি, এচ, পিয়ে, এতিয়া কৈ গ'ল। এটাহে Murder হৈছে।

কিন্তু ছাৰ, এতিয়া মন্ত্ৰী মহোদয়ে নিজে ভাবি চাওক যে তেখেতক যদি মই তিনি টুকুৰা কৰি কাটি পেলাওঁ তেন্তে সেইটো Murder নহয় নে? তিনি টুকৰা কৈ কটাকহে মই তাক Murder হোৱা বুলিহে বুজো।

**Shri Nakul Chandra Das**: উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই এজন সন্মানিত Minister ক কাটি পেলাওঁ বুলি কব পাৰে নে?

(Voice : তেখেতে উদাহৰণহে দিছে)

**Shri Jalaluddin Ahmed**: বাঘবৰ থানাৰ O. C. য়ে Murder ৰ সাক্ষীবিলাকক ধনকাই খেদাই দিয়ে আৰু সেই O. C. য়ে সাক্ষী নোপোৱা বুলি দেখুৱাই মিছা Murder হোৱা বুলি Chargesheet দিলে আৰু তাকে লৈ Case দিলে। কিন্তু Revenue Minister ৰ ভাতিজী জোৱাঁয়েক S. D. M. O. ই Minor injury Report দিলে আৰু আমাকহে ওলোটাই জগৰীয়া কৰিছে। এইদৰে S. D. C., Senior E. A. C. আদিৰ সন্মুখত মোক ইতিকিওৰ সুৰত কথা কয়।

এজন মানুহ মৃত্যু বুলি ১২ বিঘা মাটি Revenue Minister ৰে মোৰ নামত নামজাৰি কৰি দিছে মোক Revenue Minister ৰে False Position ত পেলাবলৈ। সেই মাটিৰ বাবে মই কবুলা Petition আৰু অন্য কোনো Petition দিয়া নাই। এইটো অভিযোগ মোৰ ওপৰত মিছা অভিযোগ আনিছে।

**Shri Mahendra Mohan Choudhury (Minister, Revenue)**: মাননীয় সদস্যই যি কথা কৈছে সেইখিনি সম্পূৰ্ণ অসত্য কথা। তেখেতে

মোক লগ পাইছিল সঁচা আৰু তেতিয়া মাত্র মই Murder ৰ বিষয়ে সুধিছিলো আৰু মাটিৰ ক্ষেত্রত আপুনি জাল কৰি নাম জাৰি কৰিছে। তেতিয়া তেখেতে কলে মই নাম জাৰিও কৰা নাই আৰু মই কোনো জালো কৰা নাই। আন কি দৰখাস্তও কৰা নাই।

তাৰ পাছত তেখেতে কলে মোৰ নামত নামজাৰি কৰি লোৱা নাই। তেতিয়া মই Record চালো আৰু দেখিলো যে মৰা মানুহৰ নামত নামজাৰি কৰা হৈছে। তাৰ পিচত যেতিয়া তেওঁতক Court ৰ পৰা Summon দিয়া হ'ল তেতিয়া তেখেতে নিজ হাতে লিখি দিছে যে Assembly থকাৰ কাৰণে তেখেতে Court ত হাজিৰ হব নোৱাৰিব আৰু তাৰ বাবে আন এটা দিন দিব লাগে।

(A voice: এতিয়ালৈ আচল কথা গম পোৱা গ'ল!)

**Shri Gaurisankar Bhattacharyya :** মই কথাটো খুউব ধৈৰ্য্য সৈতে শুনিলো আৰু সদস্যৰ কথাৰ পৰা বুজিলো যে তেখেতে মাটিৰ কাৰণে কোনো দৰখাস্ত দিয়া নাই। আৰু কবুলা petition য়ো দিয়া নাই, যদি কোনোবাই তেখেতৰ নামত মাটি নামজাৰি কৰিছিল সেই সংক্রান্তত যদি কোনো case হয় আৰু সেই case ৰ কাৰণে সেই মানুহজনক যদি summon দিয়া হয় তেনেহলে তেখেতে বিশেষ কামৰ বাবে Court লৈ যাব বা Court ত হাজীৰ হব নোৱাৰা কথাটো Court য়ে স্বীকাৰ কৰি লোৱা বুলি কব নোৱাৰি আৰু মাটিৰ কাৰণে দৰখাস্ত থাকিলে দৰখাস্তকাৰীৰ নাম থাকিব লাগিব। কিন্তু সদস্য জনে কৈছে যে তেওঁৰ নামত মাটি নামজাৰিৰ কাৰণে কোনো দৰখাস্ত নাই।

**Shri Mahendra Mohan Choudhury :** দৰখাস্ত নাথাকিলে কোনেও মাটিৰ নামজাৰি কৰিব নিদিয়ে।

**Shri Jalaluddin Ahmed :** চাৰ, সেইজন মানুহ ১৯৬৬ চনতে অসমৰ পৰা পাকিস্তানলৈ মানুহজনক পাকিস্থানী কৰি দিয়ে। কিন্তু চৰকাৰে তেওক পুনৰাই ফিৰাই আনিলে আৰু তেওঁৰ দ্বাৰাই S. D. C. অফিচত Shri Tajuddin, ex-M.L.A, য়ে case Court ত দাখিল কৰালে। তাৰ পিছত মই S. D. C. ৰ অফিচত উপস্থিত নোহোৱাত ex-party decree হৈ যায়। মই উপস্থিত নোহোৱাৰ কাৰণ সেই মাটিৰ বাবে কানো কবুলাপিটিচন দিয়া নাই আৰু মোৰ মাটিও নহয়।

**Shri Mahendra Mohan Choudhury :** মন্ত্রী এজনৰ আগত যদি কোনো জাল কেচ ওলায় তেনেহলে সেইটো জাল বুলিয়েই কব লাগিব।

**Shri Jalaluddin Ahmed :** মই আগতে কৈছো নহয়—সেইজন মানুহক এই Revenue মিনিষ্টাৰে পাকিস্তানৰ পৰা ঘূৰাই আনিছে। তেওঁ মোৰ বিৰুদ্ধে এই মানুহজনৰ দ্বাৰাই case দাখিল কৰাইছে। মই কোনো মাটি পট্টন কৰি লোৱা নাই। মই কোনো Kabula petition দিয়া নাই। এই বিষয়ে মই challange কৰিছোঁ Revenue Minister ক। এই মন্ত্রী জনে মোৰ বিপক্ষে শত্রুতা কৰি মোৰ পিছে পিছে ঘূৰি ফুৰিছে। মোৰ পৰিয়ালৰ মাত্র ১০ বিঘাহে মাটি আছে। কিন্তু মোৰ পৰিয়ালৰ নামত ৪৩ বিঘা মাটি থকা বুলি দেখুৱাইছে। মোক দেখুৱাই দিব লাগিব On Record ত ক'ত মোৰ পৰিয়ালৰ নামত ৪৩ বিঘা মাটি আছে? মই কোনো কবুলা পিটিচন দিয়া নাই আৰু এই কথা ৰেভিনিউ মিনিষ্টাৰৰ অফিচতো বাঘ বৰৰ S. D. C. য়ে Report দিছে। গতিকে মোৰ বিৰুদ্ধে Revenue Minister ৰ যি অভিযোগ দাঙি ধৰিছে সি সম্পূৰ্ণ ভিত্তিহীন।

**Shri Jagannath Singha :** Mr. Deputy Speaker, Sir, whenever a No-confidence Motion is moved all the people and Members await very eagerly to listen how the grievances of all sections of people from all walks of lives are focussed here in the House and how the attention of the Government is drawn to that. Sir, most surprisingly, I am noting from the speeches delivered on the No-confidence Motion by the Members on the other side

and find that no mention has been made about the grievances of the people of the District of Cachar, and the Hill brothers who are with us. When Mr. Upadhyaya says that because of the able leadership of Mr. Chaliha the grievances of the people of Cachar are looked after there was uproar from that side, is it not funny ? Is it not surprising ? Can it be assumed that these people have no grievances ? Only to draw the attention of the hon. Members I have taken my stand. I agree with my friends that opposition should be there. It is a good thing in a democracy. Everybody wants that the Opposition should be there but it should not be for opposition sake only. Therefore, I would appeal to the good sense of my friends on the other side to consider this matter seriously and to withdraw their motion of no-confidence because according to me it is not only unwanted and uncalled, for but undesirable also. With these words I resume my seat.

**Shri Dulal Chandra Barua :** A point of clarification Sir. The hon. Member has said that nobody spoke anything about the grievances of the people of the District of Cachar. Is it a fact that he is one of those 31 signatories ?

**Shri Benoy Krishna Ghose :** উপাধ্যক্ষ মহোদয়, আমি যদি অসমৰ পৰিস্থিতি আলোচনা কৰিবলৈ যাওঁ তেনেহলে দেখা যায় যে অসমৰ ঐক্য আৰু সংহতি নষ্ট নকৰাকৈ ৰাখিব পৰা গ'ল হয় । নগা পাহাৰ অসমৰ অংশ আছিল কিন্তু তেওঁলোক অসমৰ পৰা ফালি গ'ল । সেই সময়ত বিষয়টোৰ গুৰুত্বৰ প্ৰতি চৰকাৰে বিশেষ চিন্তা নকৰিলে। অসম চৰকাৰে নিজ দৃষ্টিভঙ্গী পৰিবৰ্ত্তন নকৰিলে । বৰ্ত্তমানৰ পাৰ্ব্বত্য ৰাজ্যৰ সৃষ্টিৰ দ্বাৰা স্থায়ী সমস্যা সমাধান হব বুলি কব নোৱাৰি । চৰকাৰৰ বৰ্ত্তমান দৃষ্টিভঙ্গীৰ কাৰণে মিজো পাহাৰৰ বৰ্ত্তমান অৱস্থা সৃষ্টি হ'ল । আজি পৃথক ৰাজ্য এখন সৃষ্টি কৰি বৰ্ত্তমান হয়তো তেওঁলোকে অসমৰ লগত একেলগে থাকিলেও এদিন তেওঁলোকে নিশ্চয় সম্পূৰ্ণ পৃথক হৈ যাব আৰু এই কথা আমি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো ।

ভাৰত চৰকাৰে এতিয়া তেওঁলোকক Autonomous State দিবলৈ আগবাঢ়ি আহিছে । এই Autonomous State খন অসমৰ ভিতৰতে কিছুদিনলৈ থাকিব পাৰে কিন্তু এই Autonomous State খনো এদিন পূৰ্ণাঙ্গ State হব । কিন্তু ইয়াৰ পিচতো ভাৰত চৰকাৰৰ অন্যান্য পিচপৰা অনুন্নত অঞ্চল বিলাকৰ প্ৰতি থকা দৃষ্টিভঙ্গীৰ পৰিৱৰ্ত্তন হোৱা নাই । আজি গোৱালপাৰা জিলা যে অতিকৈ পিচপৰা তাক সকলোৱে স্বীকাৰ কৰিছে । অলপতে গোৱালপাৰা জিলাৰ গণপৰিষদে কিছুমান দাবী পাচ কৰিছিল । আৰু তেতিয়া তেখেত সকলে কৈছিল যে, "Something must be done for Goalpara" আৰু এইটো বিষয়ত বহুদিন বহুবাৰ আলোচনা কৰা হৈছে কিন্তু তাৰ কোনো ফল ধৰা নাই মে, জুন, জুলাই, আগষ্ট পাৰ হৈ গ'ল । সেই কাৰণে গোৱালপাৰা গণপৰিষদে অহা ১২ আগষ্ট পালন কৰি গোৱালপাৰা জিলা বন্ধ পালন কৰিবলৈ আহ্বান কৰিছে । এইটোৰ বহুতো যুক্তি আছে ।

আজি গোৱালপাৰা জিলা শিক্ষাত পিচ পৰা । আজি সাধাৰণ শিক্ষা প্ৰচাৰৰ ব্যৱস্থা গোৱালপাৰা জিলাত নাই । গোৱালপাৰা জিলাত মাত্ৰ এখন Science কলেজ আছে । এখন মেডিকেল কলেজ নাই, এখন ইঞ্জিনিয়াৰিং কলেজ নাই বা এখন টেকনিকেল স্কুল বা ইঞ্জিনিয়াৰিং Institute নাই । এইটো বৰ দুখ লগা কথা । আজি স্বাধীনতাৰ ২২ বছৰৰ পাচতো গোৱালপাৰাত এটা Industry স্থাপন কৰা হোৱা নাই । চাকৰি-বাকৰিৰ ক্ষেত্ৰতো আনকি 3rd grade or 4th grade ৰ চাকৰিও স্থানীয় মানুহে নাপায় । বাহিৰৰ পৰা যি কিজন অফিচাৰ আহে তেওঁলোকৰ নিজৰ নিজৰ মানুহকে সেই কামত নিয়োগ কৰে । মই এটা প্ৰশ্নৰ উত্তৰত কবলৈ গৈছো যে, গোৱালপাৰাৰ E &D বিভাগত

*Speech not corrected

মাত্ৰ ৬ জন S.D.O. আছে। প্ৰকৃততে ৪ জনহে অফিচাৰ ৰখা হৈছে আৰু দুজনক টেকনিচিয়ান হিচাবে ৰখা হৈছে। S.D.O. হিচাবে ৰখা হোৱা নাই। অন্য S.D.O. ক চৰকাৰে গাড়ীও দিয়ে কিন্তু এওঁলোকক গাড়ী দিয়া নাই কাৰণ এওঁলোক গোৱালপাৰাৰ মানুহ।

(সময়ৰ সঙ্কেত)

উপাধ্যক্ষ মহোদয়, মোৰ বহুতো কব লগা আছিল, কিন্তু আপুনি মোক সময় দিয়া নাই। অলপমান সময় দিয়ক।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে, উত্তৰ পাৰেৰে আমাৰ মিটাৰ গজ লাইনটো আছে। উত্তৰ পাৰৰ মানুহে ৰেলৰেৰ সা-সুবিধা ভোগ কৰি আহিছে। কিন্তু নতুনকৈ যিটো "ব্ৰদগজ লাইন" হোৱাৰ কথা আছে, এই ব্ৰদগজ লাইনটো যোগীঘোপা, পঞ্চৰত্নইদি গুৱাহাটীলৈ অহা নাই। ইয়াৰ কাৰণ শাসনত অধিষ্ঠিত ব্যক্তি সকলে নৰ্থ বেংকেদি নিবলৈ ষড়যন্ত্ৰ চলাইছে। যোৱা সামান্য বানপানীতে সেই মিটাৰগজ ৰেল লাইনটো অচল হৈ পৰিল। আনকি National high way ও অচল হৈ পৰিল। এতিয়া যদি ব্ৰদগজ লাইনটোও সেই ফালেদি নিয়ে তেন্তে সেইটোও অচল হৈ পৰিব। মই আশা কৰো প্ৰকৃত দেশ প্ৰেমিক সকলে এই লাইনৰ কথা কেতিয়াও চিন্তা নকৰি নোৱাৰে। ইয়াকে কৈ মই সময়ৰ অভাৱৰ কাৰণে মোৰ বক্তব্যৰ ইয়াতে সামৰণি মাৰিলো।

***Shri Atul Chandra Goswami**: মাননীয় উপাধ্যক্ষ মহোদয়, অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি মই দুষাৰমান কব খুজিছো। আপুনি বোধহয় আমাৰ কীৰ্ত্তন পুথিখন পঢ়ি পাইছে। "বিপ্ৰ পুত্ৰ অনয়ন" এই অধ্যায়ত আছে। এই অধ্যায়ত কৈছে যে, বিপ্ৰ পুত্ৰ ভূমিষ্ঠ হোৱাৰ লগে লগেই মৰি যায়। তেতিয়া বিপ্ৰই কান্দি কাটি কৈ ফুৰিলে যে ক্ষত্ৰিয় সকলো শেষ হৈ গ'ল। তেতিয়া অৰ্জুনে প্ৰতিজ্ঞা কৰিলে আৰু বচন দিলে যে তেখেতৰ পুত্ৰৰ ৰক্ষা কৰিব আৰু যদি ৰক্ষা কৰিব নোৱাৰে তেন্তে অগ্নি জলাই মৰিব। আৰু যেতিয়া অৰ্জুনে ৰাখিব নোৱাৰিলেৰ তেতিয়া অৰ্জুনে জুই জুলাই মৰিবলৈ গৈছিল আৰু সখিয়েক শ্ৰীকৃষ্ণই ৰক্ষা কৰিলে। কিন্তু আজি আমাৰ এই মন্ত্ৰী সভাৰ দুজন মন্ত্ৰী আৰু যি দলে মন্ত্ৰী সভা চলাইছে তাৰ সভাপতিয়ে আজি বচন দি বচন ভঙ্গ কৰিছে। তেখেতসকলে কৈছিল যে, বঙ্গিয়াত full division হব—কিন্তু উল্লেখ নকৰিলে যে, As soon as possible or As soon as Traffic permits এনেকৈ উল্লেখ নকৰি অসমৰ জনসাধাৰণক বচন দি সেই বচন ভঙ্গ কৰি জুঁইত জাপদি মৰিব লাগিছিল। আমি তেখেত সকলক জুইত জাপ দি মৰিবলৈ কোৱা নাই কিন্তু এই অনাস্থা প্ৰস্তাৱ অনাৰ আগতে যদি গণতন্ত্ৰত তেখেতসকলে বিশ্বাস কৰে, তেনেহলে তেখেত সকলে ৰাইজৰ আগত এটা বিবৃতি দি গণতন্ত্ৰৰ মৰ্য্যদা ৰক্ষা কৰি চলিহা মন্ত্ৰী-সভাই এই বিধান সভা পতাৰ আগদিনাই পদত্যাগ কৰিব লাগিছিল। আৰু তেতিয়া আমি যিকৰো কৰিলোহেতেন বা President ৰ rule হলেও হ'লহেতেন।

তেওঁলোকে জনসাধাৰণৰ আগত সকলো লুকাই ৰাখি এটা বিপ্লৱ হোৱা বুলি ধৰিলে আৰু তেতিয়াই "সৰ্ব্বনাশে সমুৎপন্নে অৰ্দ্ধং ত্যজতি পণ্ডিতঃ"। এইটোকে বিশ্বাস কৰি আগৰ খিনি বাদ দি জনসাধাৰণৰ মাজৰ আন্দোলন দমাবলৈকে এই বিবৃতি দিছিল। আমাৰ বৰা ডাঙৰীয়াই এই Bank জাতীয়কৰণত কিছু প্ৰশংসা কৰিছে। তেনে প্ৰশংসা মোৰ অন্তৰে বহন কৰিব নোৱাৰে। কাৰণ বিদেশী বেঙ্ক কেইটাও ৰাষ্ট্ৰীয়কৰণ কৰিব নোৱাৰিলে আমাৰ পালিয়ামেন্টৰ নেতা . কলিতাই এইটো উংথাপন কৰাত তাত কোনেও গুৰুত্ব নিদিলে। কাৰণ তাত বহুতো ডাঙৰ ডাঙৰ ৰাক্সস আছে। এই কংগ্ৰেছ চৰকাৰে সৰু সৰু ৰাক্সসৰ জিউলাউ ভাঙিলে কিন্তু বৃহৎ ৰাক্সসৰ লাউ ভঙাৰ ক্ষমতা এই কংগ্ৰেছ চৰকাৰৰ নাই।

অকল যে Divisional আঁচনি বা তেল শোধনাগাৰৰ আঁচনিতেই এই চৰকাৰ ৰাইজৰ আগত অবিশ্বাসৰ পাত্ৰ হৈছে

*Speech not corrected.

এনে নহয়। এনেকুৱা কথা বহুতো আছে। অলপ আগতে বন্ধু বিষ্ণু লাল উপাধ্যায়ে কৈছে যে, চলিহা চাহাব যদি এই নেতৃত্বত নাথাকিলেহেঁতেন তেনেহলে কাছাৰ অসমৰ লগত নাথাকিলেহেঁতেন। মোৰ মতেৰে, চলিহা চাহাব থকাৰ কাৰণেই কাছাৰ বোধহয় আতৰি যাব। যিখন Re-organization বিল কেন্দ্ৰীয় চৰকাৰে আনিছে তাত চলিহা চাহাবে কাছাৰৰ কাৰণে কি ভাৱিছে বা কি যত্ন কৰিছে? যদি এনে কোনো ব্যৱস্থা কৰিলেহেতেন যাৰ দ্বাৰা কাছাৰৰ জনসাধাৰণৰ দুখ বেদনা অলপ দূৰ কৰিব পাৰিলেহেঁতেন! কাছাৰৰ জনসাধাৰণৰ কাৰণে চলিহা চৰকাৰে কি ভাবিছে? যদি এই চলিহা চৰকাৰ ১৯৭২ চনলৈকে থাকে তেন্তে তাত আমাৰ কোনো সন্দেহ নাই যে, কাছাৰ আমাৰ লগত নাথাকিব।

( A voice : কেনেকৈ ?)

কোনোৱা মানুহে যদি কাছাৰৰ কথা জানিবলৈ কাছাৰত থাকিব লাগে মই সেইটো কব নোৱাৰো। জগন্নাথ সিংএ মোৰ যি বুদ্ধি সেই বুদ্ধি-বৃত্তিত সহায় নকৰিলেও মই কাছাৰত নথকাকৈয়ে কাছাৰৰ কথা জানিব পাৰিম বা পাৰিছো।

অধ্যক্ষ মহোদয়, কি Industry ৰ ক্ষেত্ৰত, কি Agriculture ৰৰ ক্ষেত্ৰত, কি F.C.I. ৰ ক্ষেত্ৰত, কি আইনৰ ক্ষেত্ৰত, কি Supply ৰ ক্ষেত্ৰত, কি Medical ৰ ক্ষেত্ৰত কোনোটোতে চৰকাৰে পাৰদৰ্শিতা দেখুৱাব পৰা নাই। Revenue ৰ ক্ষেত্ৰত বাৰে বাৰে Revenue Minister এ গা এৰা দি আছে। আজি দেশত লাখ লাখ মাটিহীন মানুহে মাটি পোৱা নাই।

স্বাস্থ্যৰ ক্ষেত্ৰতো বিশেষ একো কৰিব পৰা নাই। কিছুমান ঠাইত হস্পিটেল আছে, ডাক্তৰ নাই, আৰু ডাক্তৰ আছে, হস্পিটেল নাই। এই ২২ বছৰৰ ভিতৰত খুব কৰিছে। ৩।৪ তলাৰ ঘৰ কৰিছে, ৰাস্তা কৰিছে। পুলিচ বজাৰেদি ঘূৰিলে দেখিব কি ধুনীয়া ধুনীয়া ৰাস্তা কৰিছে। এই ৰাস্তা বিলাকে P.W.D. Minister ৰ কীৰ্ত্তিত্ব ঘোষণা কৰি থাকিব। এই ৰাস্তা বিলাক দেখিলে হাঁহি উঠে। গুৱাহাটী চহৰৰো ৰাস্তাৰ অৱস্থা একেই।

**Shri Prabin Kumar Choudhury (Minister of State, Transport :) :** माननीয় সদস্য গৰাকীয়ে ভুল কৰিছে।

**Shri Atul Chandra Goswami :** National High way ত কপাল কটা দলঙে কীৰ্ত্তিত্ব ঘোষণা কৰি থাকিব। আমি জাতীয়কৰণক বিশ্বাস কৰো। সিদিনা পথ পৰিবহন জাতীয়কৰণ কৰা হৈছে। Transport Enforcement ৰ এটা post ৰ ক্ষেত্ৰত দেখা গৈছে যে, মন্ত্ৰীৰ পুত্ৰ বা ভাতৃ, ভতিজা, জোৱাই আদিক সুবিধা দিবৰ ব্যৱস্থা কৰা হৈছে। কিন্তু সেই post ৰ কাৰণে আৱশ্যকীয় Qualification আছে নে নাই সেইটো চাব লাগিব।

আন এটা কথা, শংকৰদেৱ কলেজৰ চেক্ৰেটাৰী মনোনীত কৰাৰ ক্ষেত্ৰত দেখা গৈছে যে আগতে মনোনীত চেক্ৰেটেৰী জনৰ পৰিবৰ্ত্তে Principal জনকে চেক্ৰেটেৰী পাতিছে। এই কলেজ খনৰ ৩২ জন শিক্ষকৰ ১৫ জন বিহাৰী আৰু বঙ্গালী আছে। চৌধুৰীদেৱক সভাপতি পতা হৈছিল। এতিয়া হেনো চৌধুৰীদেৱে সাহাৰ্য্য কৰিব নোৱাৰে। এতিয়া দেখা গৈছে শিক্ষাৰ ক্ষেত্ৰতো ৰাজনীতি সোমাইছে। অধ্যক্ষ নিৰ্ব্বাচনৰ ক্ষেত্ৰত গোলাঘাট D.R. College আৰু নগাওঁ College ত বহু খেমেজালী হৈছে। গতিকে এই চৰকাৰ যত শীঘ্ৰে যায় তত শীঘ্ৰে জনসাধাৰণৰ মঙ্গল। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***Shri Gaurisankar Bhattacharyya :** Mr. Deputy Speaker, Sir. My friend Shri Nakul Chandra Das has said that there is nothing special in this No-Confidence Motion and that it has come almost as a matter of course, as such, a motion comes in every session. I beg to differ from his point of view. I think that even though a No-Confidence Motion had come in every session, in this year in this

*Speech not corected.

session, in this No-Confidence motion there is some speciality. I need not go to that episode of 31 Congress M.L.As. who had shown *volte face.* I do know that sometimes people do see their mistakes and limitations and with all apology to Rabindra Nath Tagore I may say that they showed repentance when the occasion came.

That type of submission sometimes may be necessary and sometimes quite *bonafide* as well. But, I feel, Sir, that the very fact tha' 31 MLAs of the ruling party had to submit even some sort of representation to the Chief Minister whom they, almost deify, well, that is something extra-ordinary. I do not know whether you have got the habit of going to the Cinema. But I know our Chief Minister has the habit. If he has not seen I will request him to see the picture "Devi" of Satyajit Roy. In that Devi you will find a very good-natured housewife whom the father-in-law deified into a godaess. At the beginning she resisted such kind of worship. She knew that she was an ordinary woman. But she was almost made a goddess. But unfortunately, in order to save her from this predicament her husband just took her away at the dead of night. Then on the river bank they saw an image—Pratima of Durga. She halted. She thought probably she was committing a mistake. Then her husband says let us proceed.

That is in spite of her protestation so long and because of her father in-law's sycophancy she started thinking that she might be a goddess. Therefore, that good-natured lady was spoiled and she thought herself to be the image of goddess. We have seen the personality cult that is developing to some extent in some countries. We have seen that with Hitler who has become the Fuhrer of Germany, we have seen that personality cult with Stalin the great Marxist leader, who ultimately became the victim of the personality cult. And this to some extent did happen in Indiraji's father. He also in spite of himself became a victim of the personality cult. Those who are really good to the country will be doing well if they do not degenerate to the position of sycophants and do not make their goodness a degenerated idol. Sir, I know and I do agree with Mr. Nakul Das that some of our problems have had to be fought by the Congressmen and some results have been achieved ; I do agree. I am at least not going to say that whatever has been achieved has been achieved minus the Congressmen and that Congressmen have been only opposing the good things and that I and others have taken the monopoly that good things have been achieved. And whether we are the only people who should be thanked for whatever achievement made ? But the very fact is that in spite of Congress rule being there in the Centre and the Congress rule being here in Assam, the conflict has to develop and sometimes even movements have to be launched. That itself shows that we have come to a very critical position.

Sir, the context in which this No-confidence motion was notified is the divisional scheme. In this context, what do we see ? We see that this movement against the Government of India is being speare headed by the Vice-President of the Assam Pradesh Congress Committee Mr. Sarat Chandra Sinha. He is the Vice-President of the ruling party, a party which is sitting there in the Centre, and against that Central Government now the movement is directed. Why should we go to the organisational level ? When we read the Chief Minister's statement, it is very clear that actually the basis of the conflict comes out. Dr. Ram Subhag

Singh, Railway Minister has posed the matter in one way and the Chief Minister in another way. In the Chief Minister's statement or the Government communique there is no such reference for "in course of time or when the traffic position would justify it." We find all these clauses in the Railway Minister's communique. This showed that the same party did not see eye to eye, and in the present context they do not see because the present system is in the crisits. The problem is whether we have got a toy refinery or a toy petro-chemical complex or a divisional head-quarters. That is not so. But the problem is whether in the Indian Federation Assam has a status. As Assam whether we are considered by those who are dominating Delhi as a constituent unit ; whether we are considered as a State or whether we are considered as a province and whether we are considered as equal partners of this Indian comity or whether we are considered only as agents to work at the behest of the Delhi Administration ? That is the question and unless and until we are given that status we cannot take our problems in a proper prespective. And we cannot contribute even our part of the duty. Unfortunately, after Independence, in spite of 22 years of Congress regime being passed, we find that even up till now mostly we are more right-conscious than duty-conscious and this is mainly because all sections of the people in various parts of the country are not given the opportunity of feeling that they are all equal partners in this country. Otherwise how can you explain when a very good soul like Shri Upadhyaya or Shri Jagnnath Singha when they say that Cachar is neglected ? Why Cachar should feel neglected, why should Goalpara feel neglected, why Mangalda should feel neglected and why some districts feel neglected ? The reason is that they are not given the opportunity of participating as equal partners in this great country. The reason is that the Delhi Administration is sitting there as the custodian of all power, as the custodian of resources, as the benefactor and we are considered as either beggars or I should say, seekers: And it is for this reason that whenever anything is to be done we are to run to Delhi, to this Ministry or to that Ministry. Unless and until there will be a law of devolution of power and unless and until in a vast country like India, every unit will be given the opportunity of developing itself according to its own genius, the real base for Indian unity and Indian strength cannot be achieved. Therefore, without going to repeat the very strong points which friends of this side have said, I should like only to stress that the history of the present Government has been one of protesting and then surrendering ; then again protesting then surrendering. This has been the history of the present administration. It now requires that this administration is either to be radically changed or this Government has to be removed.

If a physician's effort did not succeed then a surgical operation cannot be avoided. If may be stated that after all what is the strength of the Opposition, what is your strength and you Opposition people may move a No-Confidence Motion and then say that in this sphere or that sphere Government might have failed but ultimately when the voting comes we will have the overwholming majority. So we will be nowhere. It may be said that after-all whatever strength you have in the Opposition is illusory because you are not united and that if you feel that we are not administering the State well then come on, take the responsibility, but probably you will not be united. One may say that Shrimati Indira Gandhi is good. Another may say she is a valiant. One

may say the nationalisation of the 14 banks is a big stride towards progress. Others may not like it. After all this does not make any radical transformation. Yes, there may be a difference of opinion in the Opposition also. My opinion may be orrect. The opinion of my friend may be incorrect or vice-versa. But the point is the people in general, the State as a whole which should see that not in this or that particular aspect. not in this or that particular Department but in the administration as a whole, as an entity, whether there is health, growth or decay or disease. Our analysis is that the very root of the present administration has been one which is thoroughly diseased, which is rotten to the very root and therefore it requires a radical transformation and that radical transformation may be brought about only by the people and that thing is to be placed by the people.

Another aspect which was referred, though in a very slanting manner, was that nothing would come from demonstrations and all such things. I say if demonstrations would not have been there probably nothing would have been achieved. Can you cite, Sir, a single instance here, I am not going to the whole of India, although everywhere it is the same but in Assam can you show a single instance where the people of Assam had achieved anything major without coming into conflict with the Congress Government at the Centre and also with the Congress Government in the State of Assam ? Speaking of the Gauhati University, for example. That was a result of a long drawn out struggle even before Independence. Then came the present bridge over the Brahmaputra. For that the people of Assam had to agitate. So also for Engineering College, Railway Headquarters, the Refinery and for everything. There has not been a single case of Assam's achievement where the people of Assam got it with the good grace from the Government of India. These had to be snatched away from the unwilling hands of the Central Government and if that feeling creates bitterness then who is responsible ? Will you call this narrowness, that we are a political entity, that we are just a province ? We are not just a province, we are a State and that in a federation every federating State has a personality and in that personality we have the right to develop. Will it be a pressure tactic against the Government of India ? Is it not the duty of the Assam Government also to see to this political personality of the State and rise upto the occasion ? I have got nothing to say against Shri Chaliha, against any of the Ministers individually. May be everyone of them is good man and better than me. But it is immaterial whether Shri Chaliha has a good soul, whether Shri Choudhury is a religious man, whether Shri Tripathi is a great scholar. These are all immaterial. The material point is about the Ministry which happens to be at present headed by Shri Chaliha, whether this Government has been able to assert itself for the rightful interest of the State and whether this Government has been successful in its endeavour. If it has, then of course it will get the applouse of the people of Assam. If it has not then the people of Assam will have to think of other remedies. We on this side of the House have only this procedure laid down in the Rules of Assembly Procedure that when we find that there is need for radical transformation there is only one way of ventilating it and that is through a No-Confidence Motion. We know what will be the fate of the No-Confidence Motion when it is voted. Knowing it very well, we have placed it because we want to have it on record that we were not a party to this Congress misrule of Assam for the last 22 years. With these few words I close my observations.

**Shri Kabir Chandra Roy Pradhani:** উপাধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় নেতা শ্ৰীফণী বৰাদেৱৰ অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কৰলৈ আগবাঢ়িছো। মই প্ৰথমে খালি এটা কথা কব খুজিছো যে অসমৰ জনসাধাৰণৰ এই চৰকাৰৰ ওপৰত আস্থা নাই আৰু থাকিব নোৱাৰে। গতিকে অতি সোনকালে গাদী এৰি দিব লাগে। সিদিনা আমি Constitution ৰ 22nd Amendment বিল অনুমোদন কৰিছো। এই Amendment ৰ জৰিয়তে আমি দেশৰ সংহতি নষ্ট কৰিছো। দেশৰ সংহতি বঢ়াবলৈ গৈ আমি আনফালে এই শাসন পদ্ধতিৰে দেশৰ সংহতি নষ্ট কৰিহে আছো। আগৰ মুখ্যমন্ত্ৰীৰ দিনত নগা ৰাজ্য গ'ল। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ Amendment আৰু শ্ৰীচলিহা ডাঙৰীয়াৰ শাসনত Hill State হ'ল; ই হয়তো কিছুদিন পাচত Full fledged State হব। অহা ৬ তাৰিখে যি হব তাক হয়তো চৰকাৰে বাধা দিও ৰাখিব নোৱাৰিব। এনেধৰণৰ বহুত claim কৰা হৈছে কিন্তু কোনো ক্ষেত্ৰতে আমাৰ ন্যায্য দাবী পূৰণ কৰিব পৰা নাই। আমাৰ M.P. সকলে, কংগ্ৰেছৰ শ্ৰীবসুমতাৰী ডাঙৰীয়াই নতুন দিল্লীত পাৰ্লিয়ামেণ্টত কৈছে, I am fighting for the problems of Assam তথাপি পোৱা নাই। Hill State গ'ল, Plains tribal আতৰি যোৱাৰ চেষ্টা কৰিছে আৰু Other Backward Caste ৰ more than 50% চৰকাৰৰ ওপৰত আস্থা নাই। কাজে এই ধৰণে শাসন চলালে দেশৰ অস্থিত্ব নাইকীয়া হব। এয়ে হলে আৰু কিছুদিন পিচত অসমৰ existence নাইকীয়া হব। এই চৰকাৰৰ জনসাধাৰণে নিৰ্ব্বিচাৰে, তেওঁ-। লোকৰ চৰকাৰৰ ওপৰত কোনো আস্থ নাই। গতিকে যিমান সোনকালে পাৰে আমাৰ ভালৰ কাৰণে এই চৰকাৰ আতৰি যাবলৈ দৃষ্ঠি আকৰ্ষণ কৰিলো। অসমৰ আজি চুকে কোনে গাঁৱে ভূৱে ৰাইজৰ যি অৱস্থা তাক দেখিলে বেয়া লাগে। এই ছিলং চহৰতে দেখিছো যিবিলাক IV grade চাকৰিয়াল আছে তেওঁলোকে এবেলা খাই এবেলা লঘোন দিয়ে। এই অফিচতে কামকৰা Peon, চাপ্ৰাচীৰ মুখত শুনিছো তেওঁলোকে হেনো এবেলা এবেলা নোযোৱাকৈ থাকে। Socialistic pattern ৰ Democracy ত এনেকুৱা অৱস্থা থাকিব পাৰে নে ?

১২ আগষ্ট তাৰিখে গোৱালপাৰাত যি হৰতাল হব তাক নিশ্চয় শুনিছে। গোৱালপাৰাৰ মানুহ বৰ সৰল মানুহ, মোৰ নিচিনাই তেওঁলোক সৰল সহজ। তেনেকুৱা সৰল সহজ মানুহক ঠগোৱাটো ভুল কৰা হব। এনেকুৱা মানুহক নিৰ্ব্বোধ কৰিবলৈ যোৱাটো দুখৰ কথা নহয় নে ? ১২ তাৰিখে গোৱালপাৰাত যি হৰতাল হব তাত ৰাইজে ইচ্ছা কৰিৱেই জিলাৰ প্ৰাণ স্পন্দন বন্ধ কৰি ৰাখিব। ৰেল গাড়ী, মটৰ গাড়ী বন্ধ হব আৰু ইয়াৰ কাৰণ হ'ল, এই চৰকাৰৰ কুশাসন। তাত থকা কংগ্ৰেছী নেতাসকলে পুতলাৰ দৰে বহি আছে। গোৱালপাৰাত কংগ্ৰেছে এখন booklet উলিয়াইছে। তাত লিখিছে গোৱালপাৰাত ২২ বছৰে কংগ্ৰেছৰ শাসনত একো হোৱা নাই। এই ফালে আকৌ শ্ৰীচলিহা ডাঙৰীয়াই উচতাই দিছে যে আপোনালোকে Autonomy বিচাৰক।

গতিকে এই অৱস্থাৰ প্ৰতি মই চলিহা ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই পৰিস্থিতিত যদি অসমৰ exisistence ৰক্ষা কৰিব নাহে, তেনেহলে চৰকাৰে সকলো বিলাক বিষয়ৰ প্ৰতি বিশেষ চিন্তা কৰিব লাগিব। আৰু ৰাইজৰ দাবী পূৰণ কৰিবৰ বাবে বিশেষ তৎপৰ হব লাগিব। শুনিছো মন্ত্ৰীসভা reshuffle হব, হলেও কোনো কথা নাই কাৰণ মানুহবোৰ একেই থাকিব। আপোনালোকে জানে বালীক বধ কৰিবলৈ যাওঁতে প্ৰথমবাৰে সুগ্ৰীৱে মাৰ খাই আহিছিল। তেনেকৈয়ে আমাৰ আপত্তি বিলাকো কোনো কামত নাহিব। আৰু তেনে কোনো আপত্তি কৰিলেও আমাৰ সুগ্ৰীৱৰ দৰে অৱস্থা হব। সেই কাৰণে চৰকাৰে নিজেই কথাবোৰ দকৈ চিন্তা কৰি যদি মীমাংসা কৰিব নোৱাৰে তেনেহলে ৰাইজে সেই চৰকাৰৰ ওপৰত কোনে আস্থাই ৰাখিব নোৱাৰে।

**Shri Dr. Surendra Nath Das:** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা

माननीय सदस्य बरा डाঙৰীয়াই যি প্ৰস্তাৱ আনিছে তাত মই সমৰ্থন কৰো আৰু এই সংক্ৰান্তত বিভিন্ন সদস্যই যি কথা কৈছে তাক মই দোহাৰিব নোখোজো। কিন্তু মই এই সংক্ৰান্তত কওঁ যে আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই ১৯৬২ চনতে যেতিয়া Railway ই মাটি বিচাৰিছিল তেতিয়া আমাৰ ৰাইজৰ বহুতো মাটি Railway ক দিয়া হৈছিল, কিন্তু আজি পৰ্য্যন্ত সেই গৰীব মানুহ বিলাকে তেওঁলোকৰ মাটিৰ ক্ষতিপূৰণ পোৱা নাই। আমাৰ গৰীব জনসাধাৰণ ১৭ বিঘা মাটিৰ পৰা বঞ্চিত হৈ আছে কিন্তু তেওঁলোকে তাৰ ক্ষতিপূৰণ পোৱা নাই।

**Shri Mahendra Mohan Choudhury (Ministes, Revenue) :** কোন ঠাইৰ মানুহে এতিয়ালৈকে ক্ষতিপূৰণ পোৱা নাই ?

**Dr. Surendra Nath Das :** হাউলী মৌজাৰ মানুহেই পোৱা নাই আৰু তেনেকুৱা বহুত দৃষ্টান্ত আছে। এই কথা মই নিজেই আপোনাক Circuit House ত লগ ধৰিও কৈছিলো।

তাৰ পিচত ১৯৬৪ চনৰ পৰাই National Highway ৰ কাম আৰম্ভ কৰা হয় আৰু তাৰ কাৰণেও বহুতো মাটি অধিগ্ৰহণ কৰা হয়। এই মাটিৰ ক্ষতিপূৰণো ৰাইজে পোৱা নাই অথচ ৰাইজে সেই মাটিৰ খাজনা ভৰি আছে। আমি জানো যে ৰাজ্যৰ ৰাজহৰ অৱস্থা টনকীয়াল নহলে ক্ষতিপূৰণ দিব নোৱাৰি, কিন্তু ক্ষতিপূৰণ দিবৰ বাবে যি যি preliminary কাম সেই বিলাক কৰি থোৱা উচিত কিন্তু সেই বিলাক কামো আজি ৬।৭ বছৰে কৰা হোৱা নাই। ইয়াৰ কাৰণে ৰাইজে হাহাকাৰ কৰি ফুৰিছে। আন কথা বাদ দিও মই নিজেই এই বিলাক কথাত ঘূৰি একো উৱাদিহ নাপাও। বেকী দলঙৰ পৰা N. T. Road লৈ হোৱা মথাউৰিৰ কাৰণে মাটি অধিগ্ৰহণ কৰা হৈছে, সেই মাটিত গৰাকী সকলেও ক্ষতিপূৰণ পোৱা নাই। মন্ত্ৰী ডাঙৰীয়াই নিজেই সেই কথা সোধাত S. D. O. সকলে কৈছিল কাম শেষ হৈ গৈছে payment হবলৈহে বাকী আছে। কিন্তু আচলতে মাটিৰ গৰাকী সকলে land acquisition notice পোৱা নাই। এইদৰে যদি বিভাগীয় কৰ্ম্মচাৰী সকলে মন্ত্ৰীৰ আগত কয়, তেনেহলে এই বিভাগটো 'কি ধৰণে চলিছে আপোনালোকে অনুমান কৰিব পাৰিব। গতিকে মই কৈছো যে টকা দিয়াৰ আগতে যিখিনি কৰিব লাগে অন্ততঃ সেই খিনি কাম কৰা উচিত। আচৰিত কথা মানুহ বিলাকে land acquisition ৰ কোনো কাগজ পত্ৰই পোৱা নাই। তেনেকৈ এই বিভাগত বহুত বেমেজালি আছে। Supply বিভাগেও Huller machine বন্ধ কৰি ৰাখিছে। তেওঁলোকে কয় যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ অনুসাৰে Huller machine বন্ধ কৰা হৈছে কিন্তু এতিয়া খবৰ পোৱা গৈছে যে Huller ৰ কাৰণে দৰখাস্ত বিচাৰিছে। ৭॥০ Court fees দি দৰখাস্ত দিব লাগে, একে জন মানুহে দৰখাস্ত দি ২৫০ টকা খৰচ কৰিছে। এনেকৈ ৬।৭ হাজাৰ দৰখাস্ত পৰিছে। আৰু দৰখাস্তকাৰী সকলে মিলি কমেও ৪৫ হাজাৰ টকা খৰচ কৰিছে। শুনিবলৈ পাইছো আমাৰ ৰাজহ মন্ত্ৰীয়ে বোলে কেইখনমান licence দিয়াইছে।

**Shri Mahendra Mohan Choudhury :** এইটো সঁচা নহয়।

**Dr. Surendra Nath Das :** মই কওঁ যে বৰপেটা মহকুমাৰ পৰা আপোনালোকৰ কংগ্ৰেছৰ মানুহ এজনো আহিব নোৱাৰে। এই Huller licence এ আপোনালোকক খাব। এই ব্যৱস্থাৰ দ্বাৰা আপোনালোকৰ দলৰ M. L. A. সকলে ভাই, ভতিজা, জোঁৱাই আদিক licence দি নিজকে ধ্বংস কৰিব।

১৯৬৬ চনতে আমি হাউলী কলেজ খন আৰম্ভ কৰিছিলো। প্ৰথম ১ বছৰ আমি বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম বাৰ্ষিক শ্ৰেণীৰ বাবে permission পোৱা নাছিলো। কাৰণ বিশ্ববিদ্যালয়ৰ আইন মতে প্ৰথম বছৰত permission নিদিয়ে, তাৰ পাচত permission পালো আৰু দ্বিতীয় বাৰ্ষিক শ্ৰেণী খুলিবলৈকে permission দিলে।

তাৰ পাছত ১৯৬৬-৬৭ চনত ডিগ্ৰী course ৰ কাৰণে Recognition দিলে। কিন্তু অফিচত আহি জানিব পাৰিলোঁ যে অৰ্থ সাহাৰ্য্যৰ কাৰণে হাউলী কলেজলৈ বিভাগৰ বৰমূৰীয়াৰ headache হৈছে। আৰু শিক্ষা মন্ত্ৰীয়েও কিয় আমাৰ এই ন্যাৰ্য্য প্ৰাপ্তিৰ পৰা আমাক বঞ্চিত কৰিছে? এইটোৱেই নেকি কাৰণ যে সেই ঠাইৰ পৰা মোৰ কংগ্ৰেছ প্ৰতিদ্বন্দীক পৰাজিত কৰি নিৰ্ব্বাচিত হৈছো আৰু যদি সেয়ে মোৰ সমষ্টিৰ কলেজখনক কোনো প্ৰকাৰে সাহাৰ্য্য নিদিয়াৰ কাৰণ হয়, তেনেহলে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই মৰ্ম্মে দৃষ্টি আকৰ্ষণ কৰোঁ যে তেখেতে কওক যে এই কাৰণে অৰ্থ সাহাৰ্য্য নাপায় তেনেহলে মই এতিয়াই পদত্যাগ কৰিম। মুঠ কথা এই কলেজখনে অৰ্থ সাহায্য পাব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***Shri Govinda Chandra Bora**: উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ পৰা যি সকলে এই অনাস্থা প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই দুআষাৰ মান কব খুজিছো। এই অনাস্থা প্ৰস্তাৱ অনাৰ প্ৰায় বিলাক কাৰণেই হৈছে Railway Divisional আঁচনি সম্পৰ্কত। এই সকলো বিলাক কথা মই পঢ়িছো আৰু শ্ৰীত্ৰিপাঠী ডাঙৰীয়াই কৰা Telegram খনো দেখিছোঁ। অসম চৰকাৰে Railway Division ৰঙ্গিয়া, তিনিচুকীয়া আৰু লামডিঙত হবৰ কাৰণে যথেষ্ট চেষ্টা কৰিছে আৰু হৈাৱাৰো আশা আছে। এই আঁচনি সম্পৰ্কত Railway মন্ত্ৰী ৰাম-সুভাগ সিঙে যি কৈছে সেইটো মূল ফৰিদাবাদৰ প্ৰস্তাৱৰ লগত হয়তো অলপ অদলবদল হব পাৰে আৰু যিটো মূল সিদ্ধান্ত সেই অনুক্ৰমে এই division বিলাক হব লাগে বুলি আমি চেষ্টা কৰিছো। এনে স্থলত বিৰোধী দলৰ অনা অনাস্থা প্ৰস্তাৱটোৰ মানে বুজি পোৱা নাই। বিৰোধী দলৰ বক্তাসকলৰ পৰা এনে অনুমান হয় যে তখেত সকলে এটা অনাস্থা প্ৰস্তাৱ আনিব লাগে কাৰণেই আনিছে আৰু বাকী সকলে তাত অংশ গ্ৰহণ কৰিছে আৰু তাৰ মূল কাৰণ চাবলৈ গলে একোৱেই নাই।

**Mr. Deputy Speaker:** Mr. Bora, will you please take your seat? Mr. Huda and Mr. Goswami, I will draw your attention to rule 275. No running commentary and no interruption please when another speaker is on his legs.

**Shri Govinda Chandra Bora**: আমি সকলোৱে আমাৰ ৰাজ্যৰ প্ৰত্যেক ৰাইজৰে দাবী হিচাবে এই বিলাক আমি আগবঢ়াইছো আৰু আমাৰ বিশ্বাস এইটো হব। কিন্তু একে দিনাই এই কাম হব নোৱাৰে। ইয়াৰ কাৰণে এশ একৰৰ অধিক মাটি অধিগ্ৰহণ কৰিব লাগিব আৰু তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক সময় দিব লাগিব, কেৱল গালিয়েই পাৰো বা তীব্ৰ সমালোচনাই কৰো তেতিয়াহলে তাৰ পৰিণাম কি হব পাৰে সকলোৱে উপলব্ধি কৰিব পাৰিছে যে তাৰ সুফল হয়তো পোৱা নহব।

**Shri Giasuddin Ahmed**: Mr. Deputy Speaker, Sir, I have a point of order. When one speaker speaks he should address the Chair always and not আপুনি বা আপোনালোকে। That is the rule.

**Shri Govinda Chandra Bora**: That I also know. You are doing a lot of 'gandagol', there fore, I am saying like this.

তাৰ পিচত ৰিফাইনাৰী সম্পৰ্কত কওঁ যে আমি এটা ৰিফাইনাৰী পাইছো। তাত ৯ কোটি টকা খৰচ কৰিছে আৰু এই অনুষ্ঠানত শতকৰা ২০ ভাগ অসমীয়া মানুহ নাই। ইয়াৰ কাৰণ, দক্ষতা সম্পন্ন মানুহ আমাৰ ইয়াত নাই। তাৰ পিচত দ্বিতীয় ৰিফাইনেৰীৰ কথাই নাই, প্ৰয়োজন হলে তৃতীয় ৰিফাইনেৰীও হব লাগিব। এই কথা আমি স্বীকাৰ কৰিব লাগিব যে সমগ্ৰ ভাৰতৰ ৰাজ্যসমূহক কেন্দ্ৰীয় চৰকাৰে সমানে আগবঢ়াই নিব লাগিব আৰু সেই চেষ্টা নিশ্চয় তেওঁলোকে কৰিব লাগিব। উদাহৰণ স্বৰূপে উত্তৰ লক্ষীমপুৰ মহকুমাটো অসমৰ

*Speech not corrected.

ভিতৰত আটাইতকৈ পিচ পৰা, সেই বুলি আমি কব নোৱাৰো যে চৰকাৰে ইয়াৰ উন্নতিৰ কাৰণে একো কৰা নাই । আমি যি বিচাৰিছো বা যি কৰিবলৈ কৈছো সেই বিলাক পাইছো আৰু চৰকাৰে কৰিছেও । এনেস্থলত আমি হওক নহওক যেই কোনো ক্ষেত্ৰত বিশেষকৈ দ্বিতীয় ৰিফাইনেৰীৰ ক্ষেত্ৰত নোহোৱাৰ আশংকাত কেন্দ্ৰীয় চৰকাৰক দোষাৰোপ কৰি গালি পৰাৰ কোনো মানে নাই ।

তাৰ পিচত আমাৰ সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত আমাৰ কাষতে থকা পশ্চিমবঙ্গ আৰু পূৰ্ব্ব পাকিস্তানলৈ লক্ষ্য কৰিলে আমি সহজেই অনুমান কৰিব পাৰো আমি কিমান সুখত আছো । সেই বুলি মই কব নোখোজো যে আমাৰ প্ৰশাসন দোষমুক্ত । তাৰ যি দোষ সেই বিলাক আমি আতৰাব লাগিব । আৰু ৰাইজৰ, দেশৰ মঙ্গলৰ কাৰণে অকল সদনৰ কক্ষত দীঘলীয়া বক্তৃতা দিলেই নহব। তাৰ কাৰণে সদনৰ বাহিৰত গাওঁ অঞ্চলত ৰাইজৰ মাজত কাম কৰিব লাগিব তেতিয়াহে ৰাইজৰ মঙ্গল হব আৰু চৰকাৰে বিভিন্ন সা-সুবিধা আগবঢ়াবলৈ সুবিধা পাব ।

তাৰ পিচত এইটো পৰিলক্ষিত হৈছে যে বান পানী অসমৰ এটা chronic disease. এই ৰোগৰ পৰা মুক্তি পাবলৈ হলে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰিব লাগিব নহলে কাম একো নহব । এইবাৰ ব্ৰহ্মপুত্ৰৰ যি বান হল সেই বান আজি বহু কেই বছৰৰ ভিতৰতো হোৱা নাই । ইয়াৰ কাৰণ হয়তো ব্ৰহ্মপুত্ৰৰ তলি উপৰলৈ উঠি আহিছে আৰু তাৰ ফলত অলপ পানী হওঁতেই উফন্দি আহিছে । এই অৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ হলে এই কাম কেন্দ্ৰীয় চৰকাৰে কৰিব লাগিব । এই মৰ্ম্মে আজি দুই বছৰ আগতে A.P.C.C. ত আলোচনা কৰা হৈছিল আৰু তাৰ কাৰণে কিমান অৰ্থৰ প্ৰয়োজন হব সেই বিলাকো আলোচনা কৰা হৈছিল । যি নহওক ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিবই লাগিব । এনে অৱস্থাত বিৰোধী দলৰ সদস্যসকলে যিটো অনাস্থা প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটোৰ বিশেষ গুৰুত্ব আছে বুলি মই নাভাৱো । সেই কাৰণে মই বিৰোধী দলৰ সদস্য সকলক অনাস্থা প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ কৰোঁ ।

***Shri Narayau Chandra Bhuyan:** মাননীয় উপাধ্যক্ষ মহোদয় যি আন্দোলন সপক্ষে বিৰোধী দলে অনাস্থা প্ৰস্তাৱ আনিছে সেই সমস্যা সমাধান কৰাত আমাৰ চৰকাৰৰ আন্তৰিকতা সম্পূৰ্ণ আছে আৰু এই চৰকাৰে সেই সম্পৰ্কে থিক মতে কাম কৰি আহিছে বুলি মই ভাবো । মোৰ এইটো দৃঢ় বিশ্বাস যে চৰকাৰে যি কোনো সমস্যা সমাধান কৰাত ঐকান্তিকতাৰে চেষ্টা চলাই আছে । আমাৰ অসম এখন সমস্যা বহুল প্ৰদেশ, ইয়াৰ উপৰিও আমাৰ সন্মুখলৈ সদায় ন ন সমস্যা আহিব লাগিছে ।

স্বাধীনতাৰ আগৰে পৰা আমাৰ অসমখন অতিকৈ পিছপৰা । এই প্ৰদেশ খন আগবঢ়াই নিবলৈ অসমৰ ৰাইজ আৰু চৰকাৰে ঐকান্তিক ভাৱে চেষ্টা চলাইছে । কিন্তু তাকে কৰিবলৈ অসমৰ সমগ্ৰ লোকৰ সহায় সহযোগীতা লাগে । আজি এইবোৰ সমস্যা সমাধান কৰিবলৈ হলে শান্তিপূৰ্ণ আৰু শৃঙ্খলাবদ্ধ ভাৱে কাম কৰিব লাগিব তেতিয়াহে চৰকাৰে ক্ষীপ্ৰ গতিত কাম কৰিবলৈ সুযোগ পাব । কিন্তু তাকে নকৰি যদি আৰু কিছুমান নতুন সমস্যা চৰকাৰৰ আগত দাঙি ধৰে তেতিয়া চৰকাৰৰ সুচাৰুৰূপে কাম কৰাত অসুবিধা হয় । আজি আমাৰ চৰকাৰে যিবিলাক আঁচনি লৈছে সেইবিলাকৰ ভিতৰত Divisional আঁচনিয়েই হওক বা তেল শোধনাগাৰেই হওক যদি অসমৰ ৰাইজে সংঘবদ্ধ হৈ চৰকাৰৰ কামত সহায় কৰে তেতিয়াহলে এইবিলাক সমস্যা সমাধান হোৱাত কিছু সহায় হব । ইয়াৰ উপৰিও আমাৰ সন্মুখত বানপানী, নিবনুৱা সমস্যা আদি বিশেষ সমস্যা ৰূপে থিয় হৈছে ।

মানুহ হিচাবে জীয়াই থাকিবলৈ সমস্যা সদায় আছে। আজি ২০ বছৰ পাচতো আমাৰ সমস্যা আগতকৈ প্ৰায় হাজাৰ গুণ সমস্যা বাঢ়িছে । এই সমস্যা সমাধানৰ দায়িত্ব পালন কৰোতে আমি যদি নিস্বাৰ্থ ভাৱে কাম কৰো আৰু ঐকান্তিক চেষ্টা কৰোঁ তেতিয়াহলে আমি আমাৰ সমস্যা সমাধান কৰাত সমৰ্থ হম আৰু সকলোৰে সহযোগিতা থাকিলে এই গণতান্ত্ৰিক চৰকাৰে এই সকলো সমস্যা সমাধান কৰিব পাৰিব । ইয়াৰ কাৰণে আমাৰ বিৰোধী দলৰ সম্পূৰ্ণ

*Speech not corrected.

সহযোগিতা লাগে তেতিয়াহলে আমি নিশ্চয় কৃতকাৰ্য্যতা লাভ কৰিম।

আমি এতিয়া মাটিৰ সমস্যালৈ আহো,- আজি অসমত যিমান মাটি আছে যদি গোটেই খিনি মাটি বিতৰণ কৰি দিয়া হয় তথাপিয়ো আমাৰ মাটিখিনৰ সমস্যা থাকিয়েই যাব। এইদৰে আমাৰ মাটিৰ সমস্যা সমাধান কৰিবলৈ হলে তেওঁলোকেও এই দায়িত্বত অংশ গ্ৰহণ কৰিব পাৰিব লাগিব।

আমাৰ অসমৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ আজি ৰাজ্যত নানা ধৰণৰ উদ্যোগ স্থাপন কৰিছে। কিন্তু এটা কথা পাহৰিব লাগিব যে ইতিপূৰ্ব্বৰে পৰা আমাৰ মানুহে খেতিৰ বাহিৰে অইন কোনো কথাই নাজানে। আজি স্বাধীনতাৰ পিচত গোটেই ভাৰতবেই মানদণ্ড বাঢ়িছে, তাৰ লগে লগে অসমৰো সেই মানদণ্ড বঢ়াবলৈ আৱহাৱা তৈয়াৰ কৰিবলৈ চেষ্টা কৰিব লাগিব আৰু কঠোৰ পৰিশ্ৰম কৰিব লাগিব। আজি পৃথিবীত এনে সমস্যা নাই যি সমস্যা সমাধান কৰাত মানুহ সাধ্য হোৱা নাই, আজি America য়াই চন্দ্ৰত অৱতৰণ কৰিছে। তেনে ক্ষেত্ৰত আমি যদি এই সমস্যা সমাধান কৰিব নোৱাৰো তেতিয়াহলে আমি মানুহ হৈ থকাৰ যোগ্য নহয়। গতিকে আমি সচেষ্ট হলে আমাৰ সকলো ব্যৱধান আতৰ কৰিবলৈ সমৰ্থ হব পাৰিম। ইয়াৰ কাৰণে এটা বিশেষ বাতা-বৰণ লাগে। যদি আমি এই বাতাবৰণ স্থষ্টি কৰিব নোৱাৰো তেতিয়াহলে আমি নেতৃত্ব দিব নোৱাৰো। গতিকে আমাৰ এই সমস্যা বিলাক সমাধান কৰিব লাগে, সেই সমস্যা বিলাক সমাধান কৰাটো মানুহৰেই ধৰ্ম্ম, মানুহৰে কৰ্ত্তব্য। গতিকে মই আশা কৰিলো যদি আমি চেষ্টাৰ ক্ৰটি নকৰো তেতিয়াহলে আমাৰ সকলো সমস্যাই সমাধান হব। আজি অসম বহুত বিষয়ে পিচপৰা, অৰ্থনৈতিক ক্ষেত্ৰত, শিক্ষাৰ ক্ষেত্ৰত, শিল্প ৰাজনৈতিক ক্ষেত্ৰত আৰু অন্যান্য বহু বিষয়ত আগৰে পৰা পিচপৰা। আমি পুৰণি মনোভাৱ লৈ থকাৰ কাৰণেই আজিও বহুতো পিচ পৰি আছো, এই কাৰণেই মই আশা কৰিছো যে বৰ্ত্তমানৰ সমস্যাবিলাক সমাধান কৰিবলৈ হলে আমি পুৰণি মনোভাৱ কিছু পৰিমাণে আতৰাবলৈ চেষ্টা কৰিব লাগিব।

ইয়াকে কৈ মই বিৰোধী দলক এই অনাস্থা প্ৰস্তাৱটো উঠাই লবলৈ সানুনয়ে অনুৰোধ জনালো।

**Shri Kehoram Hazarika:** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দেশখনত বহু সমস্যাই আছে, কোনো কোনোৱে কয় এই সমস্যা আজি ২২ বছৰৰ পাচতো সমাধান নহল। আমাৰ দেশখনত খেতিয়কৰ সংখ্যা বেচি, খেতিৰ ওপৰত মানুহে বেচিকৈ নিৰ্ভৰ কৰে। চৰকাৰী হিচাবমতে ৮ লক্ষ পৰিয়াল ভূমিহীন হৈ আছে। এই কাৰণে খেতিয়কক মাটি দিবলৈ বহু বাৰ এই সদনত আলোচনা হৈ গৈছে। কিন্তু আমি নিজ নিজ অভিজ্ঞতাৰ পৰা দেখিছো যে ভূমিহীন খেতিয়কক আচলতে মাটি দিয়া হোৱা নাই। অথচ যিবিলাক মানুহৰ মাটি আছে তেওঁ-লোকেহে মাটি পাই আছে। এই নীতিটো সম্পূৰ্ণ ৰূপে পৰিবৰ্ত্তন কৰিব লাগিব। চৰকাৰে Agricultural labour ক মাটি দিব বুলি ঘোষণা কৰিছিল কিন্তু সেই ঘোষণা দি ২½ বছৰৰ পিছতো তেওঁলোকক মাটি দিয়া হোৱা নাই। এনেকুৱা ৩৮০ জন Agricultural Labour ক মাটি দিয়াৰ কথা আছিল কিন্তু তাৰ ভিতৰত দিয়া হৈছে মাত্ৰ ৫০ জনক। আকৌ এই ৫০ জনকো চৰকাৰৰ এই Scheme মতে যি Loan দিয়াৰ কথা আছিল তাক দিয়া নাই। এই Loan পাবৰ কাৰণে তেওঁলোক অনবৰত নগাওঁ ক'টলৈ Settlement Officer ৰ ওচৰলৈ অহা-যোৱা কৰিব লগীয়া হৈছে। আৰু এই টকাৰ বাবে তেওঁলোকে অযথা টকা খৰচ কৰি বহুতো মানুহ পঠিয়াইছে। এই ধৰণে তেওঁলোকৰ ওপৰত বহুত জুলুমৰ হৈ আছে। এতিয়া বেদখল উচেছদ কৰিবৰ কাৰণে নগাওঁ জিলাত চৰকাৰে লটাকটা বৰমা বেলেচা আদি arrea বিলাকৰ পৰা খেতিয়কক উচেছদ কৰা হয়।

ইয়াৰ পৰাই দেখা যায় যে খেতিয়কক মাটি দিয়াৰ চৰকাৰৰ কোনো অভিপ্ৰায় নাই। এফালে বেদখলকাৰী বুলি খেতিয়কক উচেছদ কৰিছে আনফালে কংগ্ৰেছৰ মানুহক বেদখল কৰিবলৈ দিছে, কিন্তু উচেছদ কৰা নাই উদাহৰণ স্বৰূপে কওঁ কেশবানন্দ নেওঁগ নামে কংগ্ৰেছী লোক এজনে বৰবিল ৰিজাৰ্ভত বেদখল কৰিছে যদিও উচেছদ কৰা নাই।

কিন্তু যি খেতিয়কে পেটৰ যন্ত্ৰনাত বেদখল কৰিছে সেইবোৰক উচ্ছেদ কৰিছে। খেতিয়কৰ সজাতি দল এটাই Forest মন্ত্ৰীৰ ওচৰলৈ আহি আবেদন নিবেদন কৰি বিফল হয়। কোমোৰাকটা বিজাভত কিছুমান দেচুৱালী লোকক মাটি দিছে, কিন্তু স্থানীয় লোকক দিয়া নাই। পঞ্চায়তৰ জৰিয়তে চৰকাৰে মাটিহীনৰ লিষ্ট তৈয়াৰ কৰিছে। খেতিয়কক মাটি দিব বুলি প্ৰচাৰ কৰিছিল আৰু খেতিয়ক সকলেও দৰখাস্ত দিছিল মাটি বিচাৰি। কিন্তু যি সকলে মণ্ডল কাননগুক সন্তুষ্ট কৰিব পাৰিছিল সেই বিলাকৰ দৰখাস্তহে Land Settlement Advisory কমিটিত আলোচনা হৈছিল, বাকী বিলাক দৰখাস্ত কলৈ গ'ল ঠিক নাই।

কাকীৰ কথা বহুবাৰ আলোচনা হৈছে। আমাৰ ৰাজহ মন্ত্ৰী তালৈ গৈ বাৰে বাৰে আশ্বাস দি আছে এইবাৰ কাকীৰ কাম শেষ হব। কিন্তু একো হোৱা নাই। বছৰৰ পিচত বছৰ গৈ আছে। ফলত আমাৰৰ মাটিৰ সমস্যা কেতিয়াও শেষ নহয়।

পঞ্চায়তক বহুত ক্ষমতা দিয়া হৈছে আৰু কৈছে যে দেশত পঞ্চায়ত ৰাজ হব। নগাৱঁৰ কঠিয়াতলি আঞ্চলিক পঞ্চায়তত প্ৰায় ২ লাখ টকা Misappropriate হৈছে। এই বিষয়ে মুখ্য মন্ত্ৰীকো জনোৱা হৈছে। কিন্তু Audit এ টকা খাই ধামাচাপা দি থৈছে। সেই একে অৱস্থা লাহৰীঘাট আঞ্চলিক পঞ্চায়তো হৈছে। হয়তো কোনো মন্ত্ৰী বা দলীয় সদস্যৰ লোক আছে বাবেই ধামাচাপা দি ৰাখিছে। কাগজে-পত্ৰে দলং ৰাস্তা যদি হৈ আছে কিন্তু আচলতে একো নাই। এইবোৰৰ enquiry কৰিছে যদিও কতিয়া শেষ হয় কব নোৱাৰি।

(Voice: তাত Suspend কৰিছে নহয়।)

কিছুমানৰ Suspension order withdraw কৰিছে।

নিবনুৱা সমস্যা আমাৰ দেশত দিনৰ পিচত দিন বাঢ়ি গৈছে। চাহ বাগিচাৰ পৰ স্থানীয় লোকক কাম নাই বুলি retrench কৰিছে। কিছুমান মানুহ সাময়িক ভাবে নিযুক্তি দিয়ে। দৰকাৰ হলে কামত লগায় নহলে বিদায় দিয়ে। Postal বিভাগত চাকৰিৰ কাৰণে advertise কৰিলে কিন্তু নগাওঁ Post office ত দৰখাস্তৰ ফৰ্ম নাই। নিৰ্দ্দিষ্ট তাৰিখ পাৰ হৈ গ'ল কিন্তু ফৰ্ম নাপালে। ফলত নগাৱঁৰ লৰাই দৰখাস্ত কৰিব নোৱাৰিলে।

চৰকাৰে ৰাস্তা নিৰ্ম্মাণৰ কাম সদস্য সকলোৰে গঠিত এখন কমিটিক দিছে। নগাৱঁৰ কাৰণে ৫ লাখ টকা দিছে। ৰাস্তাবোৰ আগেয়ে লোকেল বৰ্ডৰ হাতত আছিল এতিয়া চৰকাৰে লৈছে। ৰাস্তাৰ অৱস্থা নাই। খোজ কাঢ়ি যাবও নোৱাৰি আনকি গৰু গাড়ী গলে গৰুৰ গাড়ীয়ে দলঙৰ ওপৰৰ পৰা পৰি মানুহ আৰু গৰুৰ ভৰি ভাগিছে। চাইকেল চলাবই নোৱাৰি। নগাৱত দুখন দলং দিবৰ বাবে ১৯ লাখ টকা দিছে। এখন মায়েঙৰ ওচৰত কলং নদীৰ ওপৰত আৰু আনখন মিকিৰ পাহাৰৰ ওচৰত। এইবোৰ ওপৰৰ পৰা জাপি দিছে। আৱশ্যক অনাৱশ্যক চোৱা নাই কিন্তু ওপৰৰ পৰা জাপি দিলে কোনেও মানি লব নোৱাৰে।

আমাৰ ইয়াত ২য় তেল শোধনাগাৰ আৰু Railway Divisional আঁচনিৰ বাবে জনসাধাৰণে আন্দোলন কৰিছে। কিন্তু এতিয়ালৈকে একো হোৱা নাই। কাৰণ গণ আন্দোলনক চৰকাৰৰ কালৰ পৰা কোনোৱে সমৰ্থন জনোৱা হোৱা নাই। চৰকাৰৰ এই উদাসীনতাৰ কথা জনসাধাৰণে জানিব পাৰিলে কি অৱস্থা হয় তেতিয়াহে বুজিব পাৰিলেহেতেন।

এৰাবাৰী বজাৰ বিক্ৰী সম্পৰ্কে এটা কথা আছে। বজাৰখন মুকলি ভাবে ডাক হ'ল। আচৰিত কথা যে যি কম বিদ দিলে সেইটো record হল, কিন্তু যি বেচি বিদ দিলে সেইটো হলে record নহ'ল। ফলত গণ্ডগোল আৰম্ভ হ'ল আৰু মহকুমা পৰিষদৰ

সভাপতি আৰু সম্পাদক দুয়োকে নগাৱঁৰ পৰা পুলিচ গৈ উদ্ধাৰ কৰিব লগা হ'ল। শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীয়েই আমাৰ মহকুমা পৰিষদৰ সভাপতি।

স্কুলৰ গ্ৰাণ্ট বিতৰণ সম ভাবে হোৱা নাই। ৰহাগ বিহুৰ পিচ দিনাই ধুমুহাত নষ্ট হোৱা স্কুলে গ্ৰাণ্ট পোৱা নাই। এতিয়াও কিছুমান স্কুল চালিৰ তলত বহিছে আৰু কিছুমান জুপুৰীত বহিছে। কিন্তু গ্ৰাণ্ট পোৱা নাই। ইয়াকে কৈ অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিছো।

## Adjournment

The Assembly then adjourned till 10 a.m., on Tuesday, the 5th August 1969.

Shillong
The 23rd September, 1970

U. TAHBILDAR,
Secretary,
Legislative Assembly, Assam.

AGP (LA) 356/70—90—4-11-70